ষষ্ঠদশ অসম বিধানসভাৰ

বাজেট অধিবেশন

কাৰ্যবিৰৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ২৯/০৭/২০২৬ বুধবাৰ

পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচী মতে আজি ইংৰাজী ২৯-০৭-২০২৬ তাৰিখে অসম বিধান সভাৰ বাজেট অধিৰেশনৰ কাৰ্য্যসূচী ৰাতিপুৱা ৯:৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ :** প্ৰশ্ন নং -২৬১, শ্ৰীমতী বেবী বেগম।

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় ইত্যাদি পৰিক্ৰমা ) :** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীমতী বেবী বেগম (ধুবুৰী) :** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী বিধান সভা সমষ্টিত গৰাখহনীয়া এটা গুৰুত্বপূৰ্ণ সমস্যা। মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে বিষয়টোৰ ক্ষেত্ৰত কিছু গুৰুত্ব দিছে, তাৰবাবে তেখেতক বিশেষভাৱে ধন্যবাদ জনাইছো। কিন্তু ধুবুৰী সমষ্টিৰ ভাসানিচৰ, হাওৰাপাৰ, কাট্‌লামাৰি ৪ৰ্থ খণ্ড, ২৯ৰ ১ম খণ্ড, ২৯ৰ ২য় খণ্ড, ১১ নং ৰিভাৰ ব্ল'ক, NC কাট্‌লামাৰি, বেৰভাংগী আদি অঞ্চলসমূহ ভয়াবহ গৰাখহনীয়াৰ সন্মুখীন হৈ আছে, গতিকে তাক বিশেষভাৱে প্ৰতিৰোধৰ ব্যৱস্থা কৰাতো প্ৰয়োজন। মাননীয় মন্ত্ৰী মহোদয়ে উক্ত স্থানবোৰ বিভাগীয়ভাৱে পৰিদৰ্শন কৰি উক্ত খহনীয়া প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশনা জাৰি কৰিবনে?

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা) :** সন্মানীয় অধ্যক্ষ মহোদয়, ধুবুৰী বিধান সভা সমষ্টিত যোৱা ৫টা বছৰত আমি যথেষ্ট কাম কৰিবলৈ সক্ষম হৈছিলো। কিন্তু কিছু কিছু অঞ্চলত এতিয়াও গৰাখহনীয়া হৈ থকাটো সত্য। তাৰবাবে আমি temporary measures ৰ কাম হাতত লৈছো। পাৰ্কুপাইন, চেণ্ড বেগ, জিঅ' বেগ, ছি বেগ আদিবোৰৰ ব্যৱস্থা আমি সেই ঠাইত কৰিছো। এইখিনি

সময়ত আমি এই temporary কামখিনি পূৰ্ণগতিত কৰিম। ইতিমধ্যে ধুবুৰী বিধান সভা সমষ্টিৰ বাবে 15th Finance ত ৪৩.৬১ কোটি টকা sanction হৈছে, টেণ্ডাৰ হৈছে, গতিকে এইখিনি কাম সম্পূৰ্ণ হ'লে সমষ্টিটোৰ গৰাখহনীয়াৰ সমস্যা যথেষ্টখিনি সমাধান কৰিবলৈ সক্ষম হ'ম।

**মাননীয় অধ্যক্ষ :** Next Supplementary.

**শ্ৰীমতী বেবী বেগম (ধুবুৰী) :** মাননীয় অধ্যক্ষ মহোদয়, সদনত দাখিল কৰা উত্তৰত আৰু এটা কথা কৈছে যে প্ৰয়োজন সাপেক্ষে কাম কৰা হ'ব। পৰিস্থিতি সাপেক্ষে গৰাখহনীয়া ৰোধৰ বাবে বিভাগৰ ফালৰ পৰা ক'ৰবাত ১০০-২০০ কৈ বাঁহ দিয়া হৈছে, তাত মই অস্বীকাৰ কৰা নাই। কিন্তু এইখিনিয়ে যথেষ্ট নহয়, মন্ত্ৰী মহোদয়ে এইক্ষেত্ৰত যাতে ভালদৰে গুৰুত্ব দিয়ে। মোৰ ২য় Supplementary Question টো হৈছে ভাৰত-বাংলাদেশ সীমান্তৰ পাটামাৰী ভোগধৰ অঞ্চলটো ভাৰতৰ আভ্যন্তৰীণ নিৰাপত্তাৰ বাবে অতি গুৰুত্বপূৰ্ণ। উক্ত অঞ্চলটো ব্ৰহ্মপুত্ৰৰ বুকুত যাহ গ'লে ভাৰতীয় সীমান্তৰক্ষী বাহিনীয়ে ব্ৰহ্মপুত্ৰ নদী-পথৰ মুক্ত অঞ্চলত পহৰাদাৰী কৰাত ভীষণ সমস্যাৰ সন্মুখীন হ'ব। সেয়েহে ভাৰতৰ আভ্যন্তৰীণ নিৰাপত্তাৰ বাবে গুৰুত্বপূৰ্ণ পাটামাৰি ভোগধৰ অঞ্চলত খহনীয়া প্ৰতিৰোধৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব নে?

**মাননীয় অধ্যক্ষ :** Minister, please.

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** সন্মানীয় অধ্যক্ষ মহোদয়, আমি সীমান্ত অঞ্চলত BSF ৰ কাৰণে যিখিনি জৰুৰী সেইখিনিক সদায় first priority দিওঁ, য'ত BSF ৰ কেম্প থাকে বা border protection, যাতে কোনো বাংলাদেশী অসমত প্ৰৱেশ কৰিব নোৱাৰে, তাত আমি সদায় specific consideration কৰো to priority ত ৰাখো আৰু যদি কিবা কৰিবলগীয়া থাকে মাননীয় বিধায়িকা ডাঙৰীয়ানীয়ে যিকেইটা কথা কৈছে সেইখিনি মোক লিখিত ৰূপত দিলে মই নিশ্চয়কৈ মন্ত্ৰী ডাঙৰীয়াক কৈ কৰোৱাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ :** এতিয়া, শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, ( বিৰোধী দলৰ দলপতি ) :** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো একেবাৰে ধুবুৰীৰ লগতে লাগি আছে। বেবী বেগম ডাঙৰীয়ানীয়ে যি গৰাখহনীয়াৰ কথা কৈছে সেই অঞ্চলৰ লগতে লাগি থকা মোৰ অঞ্চলৰ পদ্মেৰআলগা, নিলখীয়া, মোটাখোৱা, ফুলকাকাটা, বহৰিৰচৰ, পোৰাৰচৰ, মাচ্ছিপাৰা, বইজাৰআলগা আদিবোৰ চৰ অঞ্চল, উত্তৰপাৰে অৱস্থিত। আমি সেইদিনা দক্ষিণ পাৰৰ বিষয়ে প্ৰশ্ন কৰিছিলো, তাৰ ৰিপ্লাই পাইছো। কিন্তু এতিয়া যিখিনি অঞ্চলৰ কথা ক'লো সেইখিনি ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ। ইয়াৰ প্ৰত্যেকটো অঞ্চলতে গৰাখহনীয়া সমভাৱে চলি আছে। বিভাগৰ হাতত যথেষ্ট পৰিমাণৰ টকা-পইচা নাই যে তেওঁলোকে সুৰক্ষা দিব পাৰিব। তথাপিও চৰকাৰৰ ফালৰ পৰা যদি কোনো initiative লয় তেনেহ'লে হয়তো কিবা কাম হ'ব পাৰে, সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ :** Minister, please.

**শ্ৰী পীযুষ হাজৰিকা ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** সন্মানীয় অধ্যক্ষ মহোদয়, আমি যোৱাবাৰ সন্মানীয় বিধায়ক গৰাকীৰ সমষ্টিত প্ৰায় ৯৫ কোটি টকাৰ কাম কৰিছো, ADB ৰ আৰু সৰু-সৰু কাম বহুত কৰা হৈছে। গতিকে মই ভাবো যে যোৱা ৫ বছৰত মাননীয় বিধায়ক গৰাকীৰ সমষ্টিত প্ৰায় ১২০ কোটি টকা মানৰ কাম কৰিছোৱেই, পৰ্য্যায়ক্ৰমে আমি বাকী কামখিনিও কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ :** পৰৱৰ্তী প্ৰশ্ন নং- ২৬২, শ্ৰী কিশোৰ নাথ।

**শ্ৰী অতুল বৰা, ( মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কিশোৰ নাথ, ( বৰখোলা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১১৭ নম্বৰ বৰখোলা সমষ্টি ডিলিমিটেশনের ফলে ভৌগোলিক এলাকা অনেক বড় হয়েছে। যার জন্য

সেখানে একটা ব্লক অফিসের খুবই দরকার আছে । ডিলিমিটেশনের পরে আলগাপুর থেকে ৮ টা জি.পি. এবং সোনাই থেকে ৬ টা জি.পি বরখোলার সঙ্গে সংযুক্ত হয়েছে। বর্তমানে যে ব্লক অফিসটা রয়েছে সেটা একেবারে নর্থ সাইডে রয়েছে। আর সাউথ সাইডে যারা রয়েছেন ৬ টা সমষ্টির জনগণ উনাদের জন্য এই ব্লক অফিসে আসতে খুবই অসুবিধা হয়। বিশেষ করে মা এবং বোনরা যারা রয়েছেন, বা গ্রামের প্রবীণ নাগরিকরা যারা রয়েছেন উনাদের জন্য ব্লক অফিসে আসতে অনেক অসুবিধা হয় । বিশেষ করে এই বরখোলা সমষ্টিতে communication এর কোনো ভালো ব্যবস্থা নাই। সি.টি বাস বা অন্য কোন গাড়ীর ব্যবস্থা নেই। ঐ এলাকার জনগণের যদি ব্লক অফিসে যেতে হয় তাহলে নিজস্ব গাড়ী বা অটো করে যেতে হয়। আর সেই ব্লক অফিসে যেতে হলে ক্রমেও নাহলে ১ থেকে ২ ঘণ্টা সময় লাগে।

**মাননীয় অধ্যক্ষঃ** আপনার প্রশ্নটা বলুন।

**শ্রী কিশোর নাথ ( বরখোলা)ঃ** সেটা বলছি আমি। মাননীয় অধ্যক্ষ মহোদয়, ভৌগোলিক এলাকাটা অনেক বড় হওয়ায় সেখানে একটা ব্লক অফিস হওয়া খুবই দরকার । সেই অঞ্চলের জনগণের একটাই দাবী মায়েরা এবং প্রবীণ নাগরিকরা প্রত্যেক দিন এসে এটাই বলেন একটা ব্লক অফিস আমাদের খুবই দরকার। আমি মনে করি সেখানে একটা ব্লক অফিস করে দিলে জনগণ খুবই উপকৃত হবে।

**মাননীয় অধ্যক্ষঃ** মন্ত্রী মহোদয় তো বললেনই আপনাকে যে আপাতত এখন কোন স্কীম নেই। আগামী দিনে দেখা যাক করা যাবে।

**মাননীয় অধ্যক্ষ :** Minister, please. নতুন ব্ল'ক অফিচ।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য কিশোৰ নাথ ডাঙৰীয়াৰ কথাখিনি শুনিছো, প্ৰশ্নখিনিও আমি আগতে পাইছিলো। প্ৰশ্ন পোৱাৰ পিছত আমি কাছাৰ জিলা পৰিষদত

যেতিয়া খবৰ লৈছিলো পূৰ্বতে এনে কোনো অভিযোগ পোৱা নাই বুলি তেওঁলোকে আমাক জনাইছিল। এতিয়া delimitation ৰ লগে লগে সমষ্টিবোৰৰ ভৌগলিক অৱস্থান বেলেগ হোৱাৰ কাৰণে কিছু পঞ্চায়ত এলেকা কোনোবা এটা সমষ্টিত সোমাইছে, আৰু কোনোবা সমষ্টিৰ পৰা আঁতৰি গৈছে। কিন্তু ৰাজ্যখনত ২২১ টা ব্লক আৰু ১২৬ টা সমষ্টি আছে। এতিয়া মোৰ সমষ্টিত এটা সমষ্টি আৰু এটা ব্লক আছে। তথাপিও বহু সন্মানীয় সদস্যই জনসংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বা সমষ্টিবোৰৰ ভৌগলিক অৱস্থান বেলেগ বেলেগ হোৱাৰ বাবে বহুতে দাবী জনাইছে কিন্তু এতিয়ালৈ চৰকাৰে নতুন ব্লক সৃষ্টি কৰাৰ কথাটো বিবেচনা কৰা নাই। ভৱিষ্যতে যদি পুঁজি সাপেক্ষে তেনেকুৱা প্ৰস্তাৱ চৰকাৰে আনিব বিচাৰে তেন্তে আমি সেই ধৰণে ব্যৱস্থা গ্ৰহণ কৰিম। কিন্তু বৰ্তমান কোনো পৰিকল্পনা চৰকাৰৰ হাতত নাই। ২ টা ব্লক যিহেতু আছেই, ৩ টা ব্লক সাধাৰণতে নাথাকে। দুই-এটা সমষ্টি, বি টি এ ডি ত থকা বুলি মই শুনিবলৈ পাইছো। কিন্তু তথ্য মোৰ হাতত নাই। প্ৰায়ভাগ সমষ্টিতে এটা বা দুটা ব্লক থাকে।

**শ্ৰী কিশোর নাথ, ( বরখোলা)ঃ** মাননীয় মন্ত্রী মহোদয়ের কাছে অনুরোধ রাখছি যে এই অঞ্চলের জনগণ যারা রয়েছেন অনেক দূর থেকে আসতে হয় ৬ থেকে ৭ টা জি পির জনগণ প্রায় ৬০-৭০ হাজার জনগণ রয়েছেন এসব অঞ্চলে,বৃষ্টির দিনে রাস্তাঘাটের অবস্থা এমন একটা ভালো নয়, যার জন্য সেজায়গা থেকে আসতে অনেক কষ্ট হয়। আমরা বিশেষ করে মা-দের জন্য বা বিপিএল লেভেলের জনগণের জন্য কাজ করছি তাই উনাদের সুবিধার জন্য মাননীয় মন্ত্রী মহোদয়ের কাছে অনুরোধ রাখছি খুব তাড়াতাড়ি যাতে সেখানে একটা ব্লক অফিস করে দেওয়া হয় তাহলে আমাদের বরখোলা সমষ্টির জনগণ খুব উপকৃত হবেন।

**মাননীয় অধ্যক্ষঃ** মন্ত্রী মহোদয় তো বললেনই আপনাকে যে আপাতত এখন কোন স্কীম নেই। আগামী দিনে দেখা যাক করা যাবে।

মাননীয় কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কিবা ক’ব নেকি ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কাটিগড়া) :** মাননীয় অধ্যক্ষ মহোদয়, বৰখলা সমষ্টিৰ  কিছু ঠাই মোৰ সমষ্টিত সোমাইছে। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে এই ঠাইসমূহ মোৰ সমষ্টিত সোমাইছে যদিও GP Office টো মোৰ সমষ্টিত সোমোৱা নাই। মোৰ এটা প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে কিছুমান টকা চেংশ্যন হৈছে। যেতিয়া সেই টকাখিনি বিতৰণ কৰা হ'ব তেতিয়া মোৰ অঞ্চলত এটা GP Office কৰাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়া, নতুন GP Office ৰ পুঁজি কেতিয়া মুকলি কৰি দিব ?

**শ্ৰী অতুল বৰা, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, বহুত ঠাইত নতুন GP Office নিৰ্মাণ কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। কিমানটা নিৰ্মাণ কৰা হ'ব তাৰ সঠিক তথ্য বৰ্তমান মোৰ হাতত নাই। কিন্তু অতি সোনকালে এইখিনি কৰাৰ ব্যৱস্থা কৰিম। মই জানো যে বৰখলাৰ পৰা এটা অংশ আহি কাটিগড়া সমষ্টিত সোমাইছে। মই কৈছো যে সমষ্টিৰ ভৌগলিক অৱস্থান সমূহ হৈ আছে  আৰু arrangement কৰি থকা হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিছুদিন আগতে চাৰ্কোলৰ কথা ঘোষণা কৰিলে। হয়তো ব্লকবোৰো এদিন হৈ উঠিব।

**মাননীয় অধ্যক্ষ :** যিমানবোৰ নতুন পঞ্চায়ত হৈছে প্ৰত্যেক পঞ্চায়তৰ বাবে RGS এ ইতিমধ্যে ২০ লাখ টকাকৈ চেংশ্যন কৰিছে। টকাখিনি ভাৰত চৰকাৰৰ পৰা অহাৰ পিছত ১৫৩ টা পঞ্চায়তত নতুন বিল্ডিং হ'ব। এতিয়া প্ৰশ্ন নং-২৬৩। মাননীয় সদস্য মহিবুৰ ৰহমান।

**শ্ৰী পীযুষ হাজৰিকা, ( কৃষি, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী মহিবুৰ ৰহমান, ( মানকাচৰ ) :** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰখিনি পাইছো। আমি কেতিয়া MSP implement কৰিব পাৰিম তাৰ উত্তৰত কোৱা হৈছে যে নিম্নতম সমৰ্থিত মূল্য ক্ৰয় কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত কাৰ্য্যালয় আৰু

উপযুক্ত গোদাম ঘৰৰ আন্ত:গাঁথনি উপলব্ধ হ'লে চৰকাৰে এই বিষয়টো বিবেচনা কৰিব। আমাৰ তাত যথেষ্টখিনি মাকৈ খেতি হৈ আছে আৰু দিনে দিনে এই খেতি বৃদ্ধি হৈছে। কিন্তু দেখা গৈছে যে যোৱাবছৰ য'ত প্ৰতি কুইণ্টলত ২৪১০ টকা MSP আছিল আমাৰ তাত মাত্ৰ ১৫০০ টকা বজাৰ মূল্য পাইছে। যোৱাবছৰ যি হ'ল হ'ল। অহা বছৰ ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহৰ পৰা বিক্ৰী আৰম্ভ হ'ব। সেয়েহে তাৰ আগতে MSP implement কৰাৰ বাবে যিখিনি সুবিধা লাগে তাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে যাতে ব্যৱস্থা গ্ৰহণ কৰে। ঠিক একেদৰে সৰিয়ঁহ খেতিৰ বাবে ৬২০০ টকা MSP মূল্য আৰু আমাৰ বজাৰ মূল্য হৈছে ৪৮০০ ৰ পৰা ৫০০০ টকা। এই ক্ষেত্ৰত খেতিয়কসকলে যথেষ্ট অসুবিধা ভোগ কৰি আছে।

**শ্ৰী পীযুষ হাজৰিকা, ( কৃষি, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, আচলতে সন্মানীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে সৰিয়ঁহৰ MSP মূল্য ৬২০০ টকা সেইটো হয় আৰু সেইটো ভাৰত চৰকাৰে দিয়ে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসম চৰকাৰৰ পৰা top up MSP ৩০০ টকাকৈ সৰিয়ঁহত দিয়ে। অৰ্থাৎ সৰিয়ঁহত মুঠ MSP ৬৫০০ টকা। মাকৈত ভাৰত চৰকাৰে MSP দিয়ে ২৪০০ টকা আৰু অসম চৰকাৰৰ পৰা top up MSP ২৫০ টকা দিয়ে। মাননীয় সদস্য গৰাকী যিহেতু নতুন বিধায়ক, সেয়েহে মই মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰে যিমান দিয়ে তাত ৩০০ টকা সৰিয়ঁহত আৰু মাকৈত ২৫০ টকা অতিৰিক্তকৈ অসম চৰকাৰৰ পৰা দিওঁ। তেখেতৰ সমষ্টিত ধান যথেষ্ট পৰিমাণে হয়। যোৱা বছৰ দক্ষিণ শালমাৰা আৰু মানকাচাৰ জিলাত ধান ৭৮১৯৬ মেট্ৰিকটন উৎপাদন হৈছিল। সেয়েহে তাত আমাৰ Paddy Procurement Centre নিশ্চয় আছে। এইটো হয় যে তাত মাকৈৰ উৎপাদন বাঢ়িছে। যোৱা বছৰ দক্ষিণ শালমাৰা আৰু মানকাচৰ জিলাত সৰিয়ঁহ খেতি ২৩২৯ মেট্ৰিকটন আৰু মাকৈ খেতি ৫৩৭১ মেট্ৰিকটন উৎপাদন হৈছিল। মই বিধান সভাত আগতেও কৈছিলো আৰু আজি সুবিধা পোৱাৰ বাবে পুনৰ কৈছো যে আমাৰ ইথানল উদ্যোগত মাকৈৰ প্ৰয়োজনীয়তা অতি বেছি। মানুহে

ষড়যন্ত্ৰ কৰি ইথানল উদ্যোগৰ বিষয়ে অপ-প্ৰচাৰ কৰিছে। ইথানলে আমাৰ কৃষকলৈ ডাঙৰ সম্ভাৱনা কঢ়িয়াই আনিছে। আগতে য'ত মাকৈৰ দামেই নাছিল, এতিয়া মাকৈৰ দাম বহু বাঢ়ি গৈছে। আমি মাকৈ আৰু সৰিয়হঁ খেতি কৰিব লাগে। ইয়াত এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা আছে। আমি তেল, পেট্ৰ'ল, ডিজেল বাহিৰৰ পৰা আনিব লাগে। আমি যদি ইথানল ইয়াত উৎপাদন কৰো তেন্তে আমি বাহিৰৰ পৰা অলপ কমকৈ তেল আনিব লাগিব আৰু ইয়াৰ লগতে পোনপটীয়াকৈ কৃষকসকলৰ লাভ হ'ব। মাকৈৰ দাম খুব বেছি। ১ বিঘা মাটিত যদি কোনোবাই ধানৰ খেতি কৰে তেওঁৰ খুব বেছি ১২ ৰ পৰা ১৩ হাজাৰ টকা লাভ হ'ব। কিন্তু ১ বিঘা মাটিত যদি কোনোবাই মাকৈৰ খেতি কৰে তেওঁ অতি কমেও ৩৫ হাজাৰ টকা লাভ হ'ব। মানে তিনি গুণ বেছি লাভ হ'ব। মাননীয় অধ্যক্ষ মহোদয়, মই ধান খেতিৰ বিৰোধিতা কৰা নাই। মই কৃষিমন্ত্ৰী হোৱাৰ আগৰ পৰাই কৈ এই বিষয়ে কৈ আছো কাৰণ মোৰ সমষ্টিৰ মথাউৰি বন্ধ কৰাৰ ফলত বানপানী নোহোৱাৰ বাবে অতি বেছি মাকৈৰ খেতি হয়। যাৰ ফলত খেতিয়কসকলৰ অৱস্থাৰ ব্যাপক পৰিৱৰ্তন হ'ল। সেয়েহে মই ক'ব বিচাৰিছো যে ধান খেতি কৰিব লাগে কিন্তু ধানতকৈ বেছি মনোযোগ সৰিয়হঁ আৰু মাকৈ খেতিত দিব লাগে। ভাৰতবৰ্ষই edible oil ৰ ক্ষেত্ৰত ২০ বিলিয়ন ডলাৰ অৰ্থাৎ প্ৰায় ২ লাখ কোটি টকা বাহিৰলৈ পঠিয়াব লাগে। যিটো আমাৰ কাৰণে অত্যন্ত কষ্টকৰ। দুবিধ তেলে ভাৰতবৰ্ষক কষ্ট দিয়ে, তাৰে এবিধ হৈছে পেট্ৰ'ল, ডিজেল আৰু আনবিধ হৈছে- edible oil. সেয়েহ সৰিয়হঁ খেতি কৰাৰ বাবে আমি মানুহক উৎসাহিত কৰিব লাগে। মাকৈ খেতি ইথানলৰ কাৰণে অত্যন্ত জৰুৰী। সেয়েহে এইবোৰ খেতি কৰাৰ বাবে আমি খেতিয়কসকলক যথেষ্ট উৎসাহিত কৰিব লাগে। আৰু এটা কথা যে যিহেতু মাকৈ আৰু সৰিয়হঁৰ মাৰ্কেট আছে আৰু মাকৈ আৰু সৰিয়হঁ বিক্ৰী কৰি ধানতকৈ দাম বেছি পায়, সেয়েহে সকলো কৃষকক মাকৈ আৰু সৰিয়হঁ খেতি কৰাৰ বাবে মই আহ্বান জনাইছো। মাননীয় সদস্য গৰাকীয়ে যিটো গোদাম ঘৰৰ কথা কৈছে ইয়াৰ বাবে আৰু অলপ উৎপাদন বাঢ়িব লাগিব। বৰ্তমান মাকৈৰ উৎপাদন বাঢ়ি আছে। সৰিয়হঁৰ

উৎপাদন ও যাতে বাঢ়ে তাৰ বাবে আপুনি অলপ ব্যৱস্থা গ্ৰহণ কৰিব। আমাক এটা গোদাম, প্ৰশাসনীয় ভৱন, বাউণ্ডাৰি ওৱাল, চিমেণ্টৰ মজিয়া, হেল্প ডেস্ক আৰু weigh bridge লাগে। তাত নিশ্চয় চাগৈ weigh bridge আছে। আমি ধানৰ ক্ষেত্ৰত Paddy Procurement Centre কৰিছো। আমাৰ কিছুমান criteria আছে। এই criteria সমূহ যদি পূৰণ কৰিব পাৰো আৰু তাত ভালকৈ গোদাম পালে আমি নিশ্চয়কৈ সৰিয়ঁহ আৰু মাকৈৰ ক্ষেত্ৰতো Paddy Procurement Centre কৰিবলৈ যত্ন কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** মাকৈ আৰু সৰিয়ঁহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৰা আঢ়ৈ শ নে তিনি শ টকা দি আছে ?

**শ্ৰী পীযুষ হাজৰিকা, (কৃষি, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, আমি ৰাজ্যচৰকাৰৰ পৰা ধানত ২০০ টকা, সৰিয়ঁহত ৩০০ টকা আৰু মাকৈত ২৫০ টকাকৈ দিওঁ।

**শ্ৰী মহিবুৰ ৰহমান, (মানকাচৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰখিনি পাই ভাল লাগিল। অসম চৰকাৰে অতিৰিক্তভাৱে যিখিনি দি আছে, সেইখিনি নিশ্চয় আমাৰ কৃষকসকলৰ সুবিধা হ'ব। আমি নিশ্চয় উৎপাদন বঢ়োৱাৰ চেষ্টা কৰিম। আমাৰ মানুহখিনিয়ে যথেষ্ট কষ্ট কৰে। কিন্তু যদি আমি MSP দিব নোৱাৰো তেন্তে তেওঁলোকে ভয়তে কামখিনি বাদ দিব। মাননীয় মন্ত্ৰী মহোদয়ে উৎপাদন বঢ়োৱাৰ কথা কৈছে। কিন্তু যোৱাবাৰৰ নিচিনাকৈ যদি দাম পাব নে নাই তাৰ বাবে ভয় খাই থাকে তেন্তে উৎপাদন বৃদ্ধি হোৱাতকৈ আৰু কমিহে যাব। সেয়েহে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে ফেব্ৰুৱাৰী, মাৰ্চ মাহলৈ আমাক যাতে চিষ্টেমটো বনাই দিয়ে। তেতিয়া ৰাইজক মই উৎসাহিত কৰিব পাৰিম যে যিহেতু চৰকাৰে আমাক চাপোৰ্ট কৰি আছে সেয়েহে আপোনালোকে সৰিয়ঁহ আৰু মাকৈৰ উৎপাদন বৃদ্ধি কৰক। ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, First and Foremost Characteristics is Godown I গুদামটো যদি ভালকৈ পাওঁ বাকীখিনি কৰি ল'ব পাৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি মন্ত্ৰী ডাঙৰীয়াই দেখিছো যোৱা দিনকেইটাত কৃষি বিভাগৰ বেমাৰ ভাল কৰাৰ কাৰণে চেষ্টা কৰি আছে। আমাৰো Support থাকিব। এতিয়া আপোনাৰ জৰিয়তে কৃষি মন্ত্ৰী ডাঙৰীয়ালৈ মোৰ প্ৰশ্ন যে নিম্নতম সমৰ্থিত যি মূল্য ক্ৰয় কেন্দ্ৰ থাকে, ধান ক্ৰয় কেন্দ্ৰ, তাতে খেতিয়কসকলে Direct ধান বিক্ৰী কৰিব পাৰে আৰু খেতিয়কসকলক ADO সকলে এটা Certificate দিয়ে, সেই Certificate লৈ গ'লে তেওঁলোকে ধানটো ৰাখে। কিন্তু দেখা যায় বহু কেন্দ্ৰই Direct খেতিয়কসকলক কেতিয়াবা কৈ দিয়ে আমাৰ Quota Fill-up হৈ গৈছে, আমি আৰু ল'ব নোৱাৰোঁ। কিন্তু একেই কেন্দ্ৰত কিছুমান দালাল থাকে, যিসকলে খেতিয়কৰ পৰা কম মূল্যত কিনি আনি তাতে ল'ব পাৰে। এটা ডাঙৰ Syndicate চলি আছে। Direct খেতিয়কসকলৰ পৰা নলয়, কিন্তু দালাল শ্ৰেণীৰ কিছুমান বেপাৰী আছে, তেওঁলোকৰ পৰা লয়। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ এই বিষয়ে আগতেও দৃষ্টিগোচৰ হৈছে, কেইবাটাও বক্তব্যত দেখা পাইছো। গতিকে এই বিষয়ে তেখেতে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে? আহি থকা দিনত যাতে এনেকুৱা Direct খেতিয়ক সকলক বঞ্চিত কৰিব নোৱাৰে, তাৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিব। মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰোঁ।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, মই কথাটো অস্বীকাৰ কৰা নাই। এই Paddy procurement centre ত অলপ দালাল সোমাইছে। কৌশিক ৰয় ডাঙৰীয়া কেইদিনমানৰ আগত Meeting ও কৰিছে। Meeting কৰি Strictly কৈছেও I মুখ্যমন্ত্ৰী ডাঙৰীয়া এই বিষয়ে

অৰগত। এটা কথা মই ক'ব পাৰোঁ, যেনেকৈ মাটিৰ দালালক ধৰিছো, যেনেকৈ আমি বহু বিবাহ কৰা মানুহক ধৰিছো, এইবাৰ আমি এই Paddy procurement centre ৰ দালাল সকলকো ধৰিম। FIR ও কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া, মোৰ সমষ্টিতে হৈছে কেইদিনমানৰ আগত, Centre টো আছে মৰিগাঁও সমষ্টিত, মোৰ সমষ্টিৰ বোৰ্ডাৰত। মোৰ সমষ্টিৰ মানুহে ধান দিবলৈ গৈছে, লোৱা নাই। যেতিয়া মোৰ PA জনে গৈ পেলাই তাতে হুলস্থূল কৰিছে, লগে লগে লৈ লৈছে। আজিৰ সদনত ক'ব খুজিছো, এই দালালৰ বিৰুদ্ধে Strict হ'ম। কোনোবাই যদি Information দিয়ে, লগে লগে FIR কৰিম। দালালক ধৰি আনিম, খেতিয়কক সহায় কৰিম। Last এটা খেতিয়কৰ কথা কওঁ, মই আৰু ক'বলৈ সুবিধা পাম। আমাৰ Farmer registration ৰ কাম চলি আছে। মই আগতেও কৈছো Farmer registration কি কি কাৰণে জৰুৰী। Farmer registration নহ'লে, পৰৱৰ্তী সময়ত একোৱেই নহ'ব। প্ৰতিকূল পৰিৱেশতো এইকেইদিন ৮,০০০ Average ত সমগ্ৰ অসমত Farmer registration চলি আছে। মই বিধানসভাৰ সকলো সতীৰ্থ সদস্যক কওঁ, এই কথাটো যাতে আপোনালোকে অলপ গুৰুত্ব দিয়ে, আপোনালোকৰ সমষ্টিত যাতে অলপ Sensitized কৰে, আপোনালোকৰ কাৰ্যকৰ্তা সকলকো, সকলোৰে, Irrespective of all parties, অলপ যাতে আপোনালোকে লগায়, আপোনালোকে আমাৰ ADO সকলে শনিবাৰ, Second Saturday ও কাম কৰিছে, দেওবাৰেও কাম কৰিছে, বন্ধৰ দিনতো কাম কৰিছে, বানপানীতো কৰিছে। আপোনালোকে যাতে অলপ আৰু গুৰুত্ব দিয়ে, তাৰ কাৰণে মই আহ্বান জনালোঁ, অনুৰোধ জনালোঁ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অতি গুৰুত্বপূৰ্ণ কথা এটা কৈছে। এই বিষয়ে ৩১ তাৰিখত আমাৰ সংকল্প প্ৰস্তাৱ আছিল, বিতংকৈ পাতিব বিচাৰিছিলো। অত্যন্ত গুৰুত্বপূৰ্ণ, এইটো হৈছে আমি সদায় বিচাৰিছিলো Registration কৰিব লাগে, আৰম্ভ কৰিছে। এটা অসুবিধা হৈছে যে ম্যাদীপাট্টা মাটিৰ ক্ষেত্ৰত Registration প্ৰযোজ্য হৈছে, কিন্তু বহু ক্ষেত্ৰত দেখা যায় বহু খেতিয়কসকলে বেলেগৰ মাটি লিজত লৈ খেতি কৰে,

বহুতৰ একচনীয়া মাটি আছে, তেওঁলোকে এই Registration টো কৰিব পৰা নাই, যাৰ কাৰণে বীজ ভাণ্ডাৰৰ পৰা সুবিধাখিনি পোৱা নাই। গতিকে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে কৃষকসকলৰ ক্ষেত্ৰত এই নিয়মটোৰ কিছু শিথিলতা কৰাৰ কাৰণে মই অনুৰোধ জনাইছো, মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰোঁ।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, আমি কেইটামান কাম কৰি আছো। ইতিমধ্যে আমাৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ Farmer registration টো ভাৰত চৰকাৰে Allow কৰিছে। অধ্যক্ষ ডাঙৰীয়া, আজি খেতি কৰা মানুহৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰক কৈছো Tenant certificate যদি হয়, তাৰমানে মই জাকিৰ হুছেইনৰ মাটিত খেতি কৰিলো, জাকিৰ হুছেইন ডাঙৰীয়াই যদি লিখি দিয়ে, মোৰ মাটিত পীযুষ হাজৰিকাই খেতি কৰিছে। কিন্তু মই এটা লগাই দিছো শব্দ, যে অকল খেতিহে কৰিব দিছো, নহ'লে মাটিৰ মালিকে লিখি দিবলৈ ভয় খাব। সেইটো আধি খেতি মানে। সেইটোও হয়তো হৈ যাব। আমি FRA ৰ পট্টা যিহেতু দিওঁৰেই, কিন্তু সেইটোতো কৃষকৰ আকৌ ব্যৱস্থাটো নাই। FRA ত আমি পট্টা দিওঁ, কিন্তু খেতিয়কৰ মৰ্যাদা দিয়া নাই। সেইটোৰ কাৰণেও আমি ভাৰত চৰকাৰৰ লগত কথা পাতি আছো। সেইকেইটা নিশ্চয়কৈ হৈ যাব। একচনীয়া মাটিত আমি নোৱাৰোঁ। গতিকে আৰু এটা কথা Mutation কৰিব লাগে। বিধায়ক সকলে আৰু এটা কথা গুৰুত্ব দিব লাগে, সকলো বিধায়কে কৈছো । ৩০ বছৰ আগতে দেউতাক ঢুকালে, ককাক ঢুকালে, এতিয়াও মানুহজনৰ নামত মাটি অহা নাই। মাটি কিয় অহা নাই, অধ্যক্ষ ডাঙৰীয়া? এই মানুহজনে হাকিমৰ ওচৰত যাবই নোৱাৰে, মণ্ডলতে ৰৈ যায়। মানে, Circle Officer ক আমি হাকিম বুলি কওঁ, হাকিমৰ ওচৰলৈ বহুত দূৰ, মণ্ডলৰ ওচৰতেই যাব নোৱাৰে। গতিকে মানুহে ভাবিছে তাত আছেই মোৰটো দখলত আছেই আৰু ককা-নাতিৰ নামত আছেই, মোৰ দেউতাৰ নামত আছেই চলাই আছোঁ। গতিকে তেওঁ অধ্যক্ষ ডাঙৰীয়া registration পোৱা নাই। গতিকে সকলোকে এইটো অনুৰোধ কৰোঁ আপোনালোকৰ নিজৰ নিজৰ সমষ্টিত অলপ mutation টো যাতে আগবঢ়ায়।

এই তিনিটা কাম কৰিলে বহুত আমাৰ খেতিয়কৰ সংখ্যা বাঢ়ি যাব, registration ৰ সংখ্যা বাঢ়ি যাব, আমাৰ খেতিয়ক লাভান্বিত হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন ২৬৪ । মাননীয় সদস্য শ্ৰী আফতাব উদ্দিন মোল্লা।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আফতাব উদ্দিন মোল্লা, জলেশ্বৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল এনেকুৱা, জলেশ্বৰ সমষ্টিত MGNREGA ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত জলেশ্বৰ উন্নয়ন খণ্ড আৰু কামাখ্যাবাৰী উন্নয়ন খণ্ড দুখনত কিমান টকাৰ material বাবদ payment কৰা হৈছে? এতিয়ালৈকে কিমান টকাৰ payment কৰিবলৈ বাকী আছে, তথ্য সহকাৰে জনাব। উত্তৰত আহিল যে উল্লেখযোগ্য যে জলেশ্বৰ আৰু কামাখ্যাবাৰী খণ্ড দুটালৈ সময়ে সময়ে MGNREGA সামগ্ৰী শিতানত পুঁজি মুকলি কৰি থকা হৈছে। কিন্তু কিমান টকা বাকী আছে এই কথাটো ইয়াত নিদিলে। যিয়েই নহওক, মই এই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি ক'ব বিচাৰিছোঁ যে আমাৰ কিছুমান scheme এনেকুৱা আছে Construction of Boundary Wall and Earth Filling at Narangabari Kali Mandir, Construction of Boundary Wall and Earth Filling at Narangabari Smasan at Narangabari Part 2, Earth Filling at Kamakhyabari Mandir Field with Plantation. এনেকুৱা কিছুমান কাম যে Construction of Ring Bund Ghagoa River at Mohibur Rahman House to Rejakali House. এনেকুৱা আমাৰ কামাখ্যাবাৰী ব্লকত আছে ৪১টা scheme আৰু জলেশ্বৰ ব্লকত আছে আপোনাৰ MGNREGA ত ইয়াত আছে আপোনাৰ ২১টা scheme। এই গোটেইখিনি scheme ৰ টকাটো এতিয়া মোকলাই দিয়া নাই আৰু এই MGNREGA ৰ যিটো wages, যিটো আমাৰ labour charge, সেইটো কিন্তু লগে লগে মোকলাই দিছে। কিন্তু মূল যিটো materials ৰ টকাটো, সেই

টকাটো অহা নাই। মই যেতিয়া BDO বা অন্যান্য বিষয়া সকলক সুধিলো, তেতিয়া কৈছে এইটো non-permissible work। এই non-permissible work খিনি সেই সময়ত sanction কোনে কৰিলে? সেই সময়খিনিত গোৱালপাৰাৰ DC আছিলে খনীন্দ্ৰনাথ চৌধুৰী । আমাৰ ধ্ৰুৱনাথ তেখেত Engineer আছিল, নৰেন দাস তেখেত CEO আছিল গোৱালপাৰা জিলাৰ। এইসকল ব্যক্তিয়ে এই কামখিনি sanction কৰি থৈ গৈছে। এতিয়া যে non-permissible বুলি কৈছে, এইটো যিখিনি কাম কৰা হৈছে, এই কামখিনি কোন মানুহে কৰিছে? অসমৰ নিবনুৱা যুৱকসকলে MGNREGA ৰ কাম কৰিছে, তেওঁলোক কোনো contractor নহয়। জীয়াই থকাৰ কাৰণে কিবা এটা কৰিছে এই নিৱনুৱা যুৱকসকলে। এই নিবনুৱা সকলৰ যেতিয়া ৪১টা আৰু ইফালে হ'ল ২১টা, মোটামোটি প্ৰায় 62 scheme, তাত টকাৰ পৰিমাণ বেছি নহয়। গোটেইখিনি মিলি ৮০ লাখ মান হ'ব, সৰু-সৰু কাম। এই টকাখিনি যদি আজি non-permissible কৈ এই দুখীয়া যুৱকসকলক যদি বঞ্চিত কৰা হয়, তেতিয়া হ'লে মহোদয় কেনেকৈ হ'ব? সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিব খুজিছোঁ। অন্তত এই টকাখিনি মোকলাই দি এই দুখীয়া নিবনুৱা সকলৰ চলাৰ এটা সু-ব্যৱস্থা কৰি দিয়ক, এইখিনিয়েই মোৰ অনুৰোধ।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী আফতাব উদ্দিন মোল্লাক মই ধন্যবাদ জনাইছো প্ৰশ্নটোৰ বাবে । তেখেতে কৈছে যে, তেখেতৰ সমষ্টিত দুটা উন্নয়ন খণ্ড আছে। এটা হ'ল জলেশ্বৰ উন্নয়ন খণ্ড আৰু আনটো হ'ল কামাখ্যাবাৰী উন্নয়ন খণ্ড । তেখেতৰ প্ৰশ্নটোৰ পাছত আমি গোটেইখিনি কথা জানিব বিচাৰিছিলো। ইয়াত আমি স্পষ্টভাৱে উল্লেখ কৰিছিলো যদিও তেখেতে কৈছে যে, জলেশ্বৰ উন্নয়ন খণ্ড আৰু কামাখ্যাবাৰী উন্নয়ন খণ্ড দুটালৈ সময়ে সময়ে MG-NREGA শিতানত পুঁজি মুকলি কৰি থকা হৈছে । অকল সেইটোৱে নহয় আমি কৈছো যে, জলেশ্বৰ উন্নয়ন খণ্ডত ২০২৩-২৪ বৰ্ষত ৬১.২৮ লাখ টকা আৰু ২০২৪-২৫ বৰ্ষত ৩১ লাখ টকা MG-NREGA ৰ

অধীনত Materials payment ৰ বাবে মোকলাই দিয়া হৈছিল। আনহাতে এই দুটা বৰ্ষত সামগ্ৰী যোগানৰ বিপৰীতে যিখিনি দিবলগীয়া টকাৰ পৰিমান ২৫.৮৪ লাখ টকা আছিল ২০২৩-২৪ আৰু ২০২৪-২৫ বৰ্ষত ২৫.৮৬ লাখ টকা। ঠিক তেনেকৈ জলেশ্বৰ সমষ্টিৰ যি কামাখ্যাবাৰী উন্নয়ন খণ্ড আছে সেই উন্নয়ন খণ্ডত ২০২৩-২৪ বৰ্ষত ১৫৪.২৫ লাখ টকা আৰু ২০২৪-২৫ বৰ্ষত ৫৫৬.৭৫ লাখ টকা MG-NREGA ৰ অধীনত Materials payment ৰ বাবে মোকলাই দিয়া হৈছে। আনহাতে দুইটা বৰ্ষত সামগ্ৰী যোগানৰ বিপৰীতে দিবলগীয়া টকাৰ পৰিমান ২০২৩-২৪ বৰ্ষত আছিল ১৯.১৩ লাখ টকা আৰু ২০২৪-২৫ বৰ্ষত ২১.১৯ লাখ টকা আৰু সেই টকাও সময়ে সময়ে MG-NREGA সামগ্ৰীৰ শিতানত এইখিনি মুকলি কৰি থকা হৈছে। আমি details খিনি দিছো। তেখেতে এটা কথা কৈছে যে, non-permissible work বোৰত ধন ৰাশি মুকলি কৰি নিদিয়াৰ কথা কৈছে। এটা নিয়ম আছে যিটো এইবোৰ পৰিশোধ কৰোতে সদায় মানি চলে আৰু সেইটো হৈছে যে, পুৰণিৰ পৰা নতুনলৈ ক্ৰম অনুসাৰে বিভাগৰ পৰা দিবলৈ নিৰ্দেশ দিয়া হয় আৰু জলেশ্বৰ উন্নয়ন খণ্ডত ১২ টা আৰু কামাখ্যাবাৰী উন্নয়ন খণ্ডত ৫ টা কামৰ ওপৰত কিছু অভিযোগ আহিছে। সেই কামৰ বিপৰীতে ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰিবৰ কাৰণে জিলাক কোৱা হৈছিল আৰু তাৰ পৰা বিচৰা হৈছিল। জিলাই বিচাৰিছিল, ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰিছিল আৰু পৰিদৰ্শনৰ যেতিয়া প্ৰতিবেদন পোৱা যাব তেতিয়া বিধি অনুসৰি সামগ্ৰী শিতান materials ৰ ধনৰাশি মুকলি কৰি দিয়া হ'ব। তেখেতে non-permissible work ৰ কথা কৈছে যে, MG-NREGA ৰ ক্ষেত্ৰত গ্ৰহণ যোগ্য নোহোৱা আৰু যিবোৰ non-permissible work আছে আৰু সেই কামবোৰ যদি ৰূপায়ণ কৰে, কোনোবা বিধায়কে ঠিকে কৈছে যে, ৰূপায়ণৰ লগত জড়িত যিবোৰ বিষয়া বা কৰ্মচাৰী থাকে , আৰু ইতিমধ্যে যিখিনি ব্যয় কৰিছে বা ব্যয় কৰে সেই ব্যয়ৰ যথা সময়ত আদায়ৰ recovery তেখেত সকলৰ ফালৰ পৰা নিশ্চিতভাৱে কৰিব লাগে ইয়াৰ নিয়ম মতে। আদায় কৰা ধনৰাশি কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰণালয়ৰ পৰা যি অধিসূচনা জাৰি কৰিছে, সেই অধিসূচনাৰ অধিনত ৰাজ্যিক

নিযোগ নিশ্চয়তা পুঁজি, SEGF ৰ account ত জমা দিব লাগে। তদুপৰি এনে কাৰ্য্যকলাপ পুনৰাবৃত্তি নহ'বলৈ উপযুক্ত ব্যৱস্থাও গ্ৰহণ কৰিব লাগে। সেই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ যি নিৰ্দেশনা আছে, সেই নিৰ্দেশনাৰ কথা ইতিমধ্যে আমি সংশ্লিষ্টসকলক অৱগত কৰিছো।

**মাননীয় অধ্যক্ষঃ** নহয়, তেখেতে কৈছে যে, চৰকাৰী অফিচাৰে আৰু জিলা আয়ুক্তয়ে permissible বুলি কৈ ইতিমধ্যে কাম কৰালে। Wage ৰ পইচাটো পালে। এতিয়া কিবা কাৰণত তাত যদি feasibility নাই, সেইটোৰ কাৰণে মেটেৰিয়েলছৰ পেমেণ্ট নিদিলে বেলেগ কথা। কিন্তু চৰকাৰৰ এজন বিষয়া বা দুজন বিষয়াই permissible কৰি দিলে, পৰৱৰ্তী সময়ত আকৌ non-permissible, এইটো sort-out কৰিব লাগে। প্ৰয়োজন সাপেক্ষে আপোনালোকে তালৈ গৈ feasibility চাই লওক, কাৰণ এবাৰ কাম কৰাৰ পিছত, আকৌ যদি non-permissible হ'ব, তেতিয়া হ'লে approved কমিছনাৰ অফিচৰ পৰাই কৰে। ডি.চি অফিচে যেতিয়া দিয়ে, ultimately তেওঁলোকে মেটেৰিয়েলছৰ কাম কৰাৰ পিছত যদি পেমেণ্টটো নাপায়, তেতিয়া injustice কৰা হ'ব। গতিকে এই permissible non-permissible ৰ যিটো problem এই problemটো যাতে solve কৰে, এইটোৱেই বিষয় আছিল। ঠিক আছে।

**শ্ৰী আফতাব উদ্দিন মোল্লা, জলেশ্বৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে, ইতিমধ্যে মই বিভাগৰ পৰা এই গোটেইখিনি কাগজ আনিছো। ইয়াত physically complete হোৱা বুলি দেখুৱাইছে। গতিকে যিসকল দুখীয়া যুবক, শিক্ষিত যুবক, নিবনুৱা, তেওঁলোকৰ কি অৱস্থা হ'ব এতিয়া? সেইকাৰণে মই আকৌ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, যদিও non-permissible বুলি উল্লেখ কৰিছে কথাটো কোনেও written ভাৱে দিয়া নাই। মোক এজন JE য়ে ক'লে non-permissible বুলি। গতিকে আপুনি যাতে এই কথাখিনি অলপ চালি-জাৰি চায় আৰু এই কাগজখিনি আপোনাক মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে দিব বিচাৰিছো।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য জনক অনুৰোধ জনাম যাতে তেখেতৰ হাতত যিখিনি তথ্য পাতি বা কাগজ আছে, সেইখিনি আপোনাৰ জৰিয়তে আমাক দিয়ে।

**শ্ৰী আবুল কালাম ৰশিদ আলম, পূব গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, মইও অলপ ক'ব বিচাৰিছো, এই কামাখ্যা উন্নয়ন খণ্ডটোৰ ওপৰত। যিখিনি payment কৰা হৈছে তাৰে বহুখিনি genuine বাদ পৰিছে, কামাখ্যাবৰী উন্নয়ন খণ্ডৰ আগত খৰমূজা উন্নয়ন খণ্ড আছিল। তাতে বহুত কেলেংকাৰী হৈ আছে।

**মাননীয় অধ্যক্ষঃ** হ'ব। মাননীয় মন্ত্ৰী ডাঙৰীয়া, শ্ৰী আফতাব উদ্দিন মোল্লা, কাগজখিনি অকণমান চাই দিব।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, কাগজখিনি আমি ইতিমধ্যে পাইছো।

**মাননীয় অধ্যক্ষঃ** হ'ব। এতিয়া প্ৰশ্ন নং ২৬৫, শ্ৰী অখিল গগৈ। বানপানীৰ কাৰণে মাননীয় সদস্য শ্ৰী অখিল গগৈ সদনত অনুপস্থিত।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দাখিল কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ২৬৬, শ্ৰী অৰূপ কুমাৰ দে।

**শ্ৰী অৰূপ কুমাৰ দে, বিজনীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো পাইছো। মোৰ প্ৰশ্নটো আছিলে যে, বিজনী সমষ্টিত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ বিজনী সমষ্টিৰ অন্তৰ্গত কেইখন গাঁও আছে বা এলেকা আছে ? আৰু সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ জৰিয়তে কেইখন আঁচনি লোৱা হৈছে আৰু আগন্তুক দিনত কি আঁচনিৰ কাম আৰম্ভ কৰিব ? মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে জনাব খোজো যে, বিজনী সমষ্টিৰ প্ৰায় তিনিটা বা চাৰিটা GP আছে আৰু আমাৰ BTC ত VCDC বুলি কোৱা হয়, Village Development and Construction Council বা কমিটি বুলি। বিজনী সমষ্টিৰ তিনিটা-চাৰিটা GP ভূটান বৰ্ডাৰৰ লগত সংলগ্ন। যেনেকুৱা বিষ্ণুপুৰ,

আনন্দবাজাৰ, পানবাৰী, এনেকুৱা বহু কেইটা GP পৰে। আমি আগতে BADP মানে Border Area Development Programme বুলি জানিছিলো আৰু আজিকালি Village Vibrant বুলি আমি জানো। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে, আপুনি এবাৰ গৈ তাত ভিজিট কৰি আহিলে গম পাব যে, তাত কিমান under developed আৰু deprived হৈ আছে। বিশেষকৈ বিশুদ্ধ খোৱাপানী, মানুহ-হাতীৰ সংঘাত, ৰাস্তাৰ ব্যৱস্থা, যাতায়াত আদি বহুত বেয়া। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে এবাৰ গৈ তাত চাই আহিলে ভাল হয় আৰু আগন্তুক দিনত কাম কৰিব লগা যিবোৰ Village Vibrant ৰ Under ত আছে এইবিলাকো হ'ব লাগে আৰু কি কি আঁচনি ইতিমধ্যে লোৱা হৈছে, মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এইটো বিজনীৰ প্ৰশ্ন। কোনোবাই সুধিলে বিজনীক লৈ ক'ব পাৰিব। এতিয়া মাননীয় মন্ত্ৰী please reply.

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য অৰূপ কুমাৰ দে ক মই ধন্যবাদ জনাইছো তেখেতৰ প্ৰশ্নৰ বাবে। তেখেতৰ প্ৰথম প্ৰশ্নটো আছিল যে বিজনী সমষ্টিৰ অন্তৰ্গত এই বিভাগৰ অধীনত কিমান গাঁও আছে ? প্ৰশ্নটো হয়টো প্ৰিন্টিং মিষ্টেকো হ'ব পাৰে বা সুধোতেও ভুল হ'ব পাৰে। আমাৰ বিভাগৰ অধীনত কোনো গাঁও নাই। মই বুজি পাইছিলো যে, spirit টো আছিল যে আন্তঃৰাষ্ট্ৰীয় সীমান্তত সেই বিজনী সমষ্টিৰ সেই ব’ৰো বজাৰ উন্নয়নখণ্ডৰ কিমান গাঁও আছে? সেইকাৰণে আমি উত্তৰত কৈছিলো যে ২২৭ খন গাঁও আছে। তেখেতে কৈছে যে তাত কেইখনমান  VCDC আছে আৰু ভূটান বৰ্ডাৰৰ লগত লগ লাগি আছে। সেই অঞ্চলবিলাকত যথেষ্টখিনি কৰিবলগীয়া আছে। মাননীয় অধ্যক্ষ মহোদয়, মই আগতেও এই সন্মানীয় সদনত কৈছো যে, এইবাৰ যিবোৰ সীমান্তৱৰ্তী অঞ্চল আছে, সেই সীমান্তৱৰ্তী অঞ্চলসমূহৰ মূল যি আন্তঃগাঁথনি, সেই আন্তঃগাঁথনি আৰু স্থানীয় ৰাইজৰ সুৰক্ষা নিশ্চিত কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে Vibrant Village-II নামৰ এখন আঁচনি গ্ৰহণ কৰিছে।

মাননীয় কেন্দ্রীয় গৃহমন্ত্ৰীগৰাকী নিজেও বৰাক ভেলীলৈকে গৈছে অসম-বাংলাদেশ সীমান্তলৈ। হয় আমি জানো, সেই অঞ্চলবিলাকত তেখেতে যিখিনি উল্লেখ কৰিছে, আজি পানবাৰীকে ধৰি বহুখিনি অঞ্চলত যথেষ্টখিনি কৰিবলগীয়া কাম আছে। আমি ভিজিট কৰিম আৰু মই অনুৰোধ জনাম সন্মানীয় সদস্যগৰাকীক, যিহেতু selection ভাৰত চৰকাৰে কৰিছে গাঁওবিলাক identify কৰি, গতিকে অন্তত জিলা উপায়ুক্তৰ লগত যোগাযোগ কৰি সেই অঞ্চলবিলাকত কেনেকুৱা ধৰণৰ infrastructure ৰ প্ৰয়োজন আছে বা কামৰ প্ৰয়োজন আছে, সেইখিনি যাতে তেখেতে অলপ নিজেও নজৰ ৰাখে আৰু ভৱিষ্যতৰ দিনত মই নিশ্চিতভাৱে তালৈ যাম।

**শ্ৰী তুলিৰাম ৰংহাং, ৰংখাং :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কাৰ্বি আংলং ইন্টাৰ-ষ্টেট বৰ্ডাৰৰ সমস্যা বহুত আছে। মই দুই মিনিটৰ কাৰণে ক'ব খুজিছো।

**মাননীয় অধ্যক্ষঃ** এইটো বিজনী সংক্ৰান্তত ক'ব লাগিব। মাননীয় মন্ত্ৰীয়ে আপুনি ক'লে উত্তৰ দিব নোৱাৰিব কাৰণ তেওঁ prepare হৈ আহিছে বিজনীক লৈ ।

**শ্ৰী তুলিৰাম ৰংহাং, ৰংখাং :** মাননীয় অধ্যক্ষ মহোদয়, কাৰ্বি আংলঙত ইন্টাৰ-ষ্টেট বৰ্ডাৰৰ সমস্যাটো সদায় হৈ থাকে। এক মাহমান আগতে ব্লক ১, ব্লক ২, সেই সম্পৰ্কে আপোনালোকে জানেই যে, মেঘালয় আৰু কাৰ্বি আংলঙৰ দুটা পাৰ্টিৰ clash হৈ আছে। অধ্যক্ষ মহোদয় **,** এডিশ্যনেল চীফ চেক্ৰেটাৰী **–** অজয় তিৱাৰী আৰু মই নিজে গৈ মেঘালয়ৰ ডেপুটি চীফ মিনিষ্টাৰ আৰু তেওৰ টীমটোৰ লগত আলাপ আলোচনা কৰি টেম্প'ৰাৰী ভাৱে সমস্যাটো সমাধান কৰা হৈছে । গতিকে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে তাত **CRPF Commando Training Institute** যদি দিয়ে তেনেহ'লে তাৰ পাৰ্মানেন্ট চলিউশ্যন হ'ব। অধ্যক্ষ মহোদয় **Inter State Border Nagaland** তো তেনে সীমা সমস্যা আছে। তেতিয়া অসমৰ **DGP- G.P. Sing** ডাঙৰীয়াই মোক পৰামৰ্শ দিছে যে অনাৰেৱল চীফ মিনিষ্টাৰৰ লগত আলাপ আলোচনা কৰি তাত যদি **CRPF Commando Training Institute** দিয়ে তেনেহ'লে পাৰ্মানেন্ট

চলিউশ্যন হ'ব। নগালেণ্ডত অলৰেডী **Commando Training Institute** কৰা হৈ গ'ল। তাত এতিয়া পাৰ্মানেন্ট চলিউশ্যন দেখা পোৱা গৈছে। গতিকে **Block-1, Block-2** ত যদি **Commando Training Institute** দিয়ে তেনেহ'লে পাৰ্মানেন্ট চলিউশ্যন হ'ব। অধ্যক্ষ মহোদয় মই আপোনাক এটা কথাত ধন্যবাদ দিম যে, সেই দিনা **Article-220 as per constitution of India** অনুসৰি নিজৰ মাতৃভাষা জীয়াই ৰখাৰ স্বাৰ্থত অসম বিধান সভাত কাৰ্ব্বি লেংগুৱেজৰ **Translator** দিয়াৰ বাবে লোৱাৰ সিদ্ধান্তৰ বাবে কাৰ্ব্বি আংলঙৰ ৰাইজৰ হৈ আপোনাক ধন্যবাদ জনাইছো। ধন্যবাদ

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, পঞ্চায়ত ও গ্ৰাম উন্নয়ণ বিভাগ ইত্যাদি** ঃ সন্মানীয় সদস্য গৰাকীক মই ধন্যবাদ দিছো, তেখেতে অসম – মেঘালয় সীমান্তত ঘটা ঘটনাবিলাকক লৈ বহু উদ্বিগ্ন। বিভিন্ন সময়ত আমাৰ লগত কথা বতৰা পাতিছে। মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় মুখ্যমন্ত্ৰী –ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই পুৰনি আৰু দীৰ্ঘদিনীয়া সমস্যাটো দূৰ কৰিবলৈ যোৱা কাৰ্য্যকালত মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিচতে উত্তৰ পূৰ্ব্বাঞ্চলৰ মাননীয় মূখ্য মন্ত্ৰীসকলৰ মেঘালয়ত হোৱা এখন সন্মিলনত মুখ্যমন্ত্ৰীসকলক অনুৰোধ কৰিছিল যে, আমি আলাপ আলোচনাৰ মাজেৰে এই দীৰ্ঘদিনীয়া সমস্যাটো সমাধান কৰো। নহ'লে কি হৈছে , সৰু সৰু ঘটনাক লৈ মানুহ মৃত্যুক আঁকোৱলী ল'ব লগা হয়। আৰু সেই সীমামূৰীয়া এলেকাবিলাকত ডেভ'লপমেন্টৰ কাম নহয় । মেঘালয়ে আপত্তি কৰে যে এইটো ৰাস্তা হ'বলৈ নিদিওঁ বা পানী যোগান আঁচনি হ'বলৈ নিদিওঁ , স্কুল হ'বলৈ নিদিওঁ। মেঘালয় বা আন চুবুৰীয়া ৰাজ্য কেইখনৰ লগত আমাৰ যিটো সীমা সমস্যা আছে – ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীৰ উদ্যোগত Regional Committee Form হৈছে। ৰিজনেল কমিটিয়ে jointly verify কৰিছে। তাত কেইটামান criteria ঠিক কৰি লৈছে l Administrative convenience ৰ কথাটোও আছে, Peoples will ৰ কথাটো আছে গতিকে ৰিজিওনেল কমিটি বিলাক গৈ যিকেইটা ক্ৰাইটেৰীয়াৰ ওপৰত আমি ঠিক কৰিব বিচাৰিছো তেওঁলোকৰ opinion টোক বিশেষভাৱে গুৰুত্ব দি কামখিনি কৰিবলৈ লৈছে।

১২ টা disputed point আছিল , তেখেতে কোৱা সেইটো এটা disputed point হয়, সেইটো এতিয়ালৈকে resolved হোৱা নাই। কিন্তু আমি আশা কৰিছো ৬ টা যিহেতু ইতিমধ্যে হৈ গৈছে – বাকী যি ৬ টা আছে সেইখিনিও নিশ্চয় আমি আলাপ আলোচনাৰ মাজেৰে সমাধান কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ নেক্সট কোৱেশ্যন – ২৬৭ জুবেইৰ আনাম মজুমদাৰ

**শ্ৰীজুবেইৰ আনাম মজুমদাৰ, আলগাপুৰ- কাটলিচেড়া** ঃ অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰ পালো। মোৰ চাপ্লিমেন্টৰী নাই।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং -২৬৮ জাকিৰ হুছেইন শিক্দাৰ।

**শ্ৰীজাকিৰ হুছেইন সিক্দাৰ, পাকা বেতবাৰী** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া,মন্ত্ৰী ডাঙৰীয়াই মোৰ প্ৰশ্নৰ উত্তৰ দিছে । ২০২৬-২৭ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা **VB-G RAM G** আঁচনিত ১৯২৯.৭০ কোটি টকা অসমত পুঁজি দিছে , কিন্তু সেই পুঁজিৰ এতিয়ালৈকে ৬৩৬.৮০ কোটি টকাহে ৰাজ্য চৰকাৰে লাভ কৰিছে , বাকী টকাখিনি এতিয়ালৈকে পোৱা নাই । যিহেতু **disaster** ৰ ওপৰতো আমি এই টকা খৰচ কৰিব পাৰো । বৰ্তমান উজনি অসমত মহা দুৰ্যোগ হৈছে এই ক্ষেত্ৰত এই পুঁজিৰ দৰকাৰ হৈ পৰিছে। গতিকে অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে, ইতিমধ্যে ৬৩৬.৮০ কোটি টকা আহিছে , গতিকে বাকী টকাখিনি অনাৰ ক্ষেত্ৰত অসম চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে। দেখা যায় যে এম জি এন ৰেগাৰ নামত বহু কোটি কোটি টকা দিবলৈ বাকী আছে। প্ৰতিখন জিলা , প্ৰতিটো ব্লʻক , প্ৰতিটো পঞ্চায়তে টকা পাবলৈ আছে । এই টকাসমূহ কেতিয়াকৈ সম্পূৰ্ণৰূপে আদায় দিয়া হʼব ? আৰু ২০২৬-২৭ ৰ বাবে অৰ্ন্তৱৰ্তীকালীন পুঁজি দিছিল এই পুঁজি আমি কেতিয়া লাভ কৰিম । মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, পঞ্চায়ত ও গ্ৰাম উন্নয়ন বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া মাননীয় সদস্য জাকিৰ হুছেইন সিক্‌দাৰ ডাঙৰীয়াক মই ধন্যবাদ জনাইছো। তেখেতে এটা অতি গুৰুত্বপূৰ্ণ কথা কৈছে যে, বৰ্তমান সময়ত উজনি অসমত যি মহা প্ৰলয় হৈছে – তাত কেইবাখনো জিলা – শিৱসাগৰ- চৰাইদেউ, যোৰহাট- গোলাঘাট বিশেষকৈ শিৱসাগৰ- চৰাইদেউ, জিলাত অধিক ক্ষতিসাধন হৈছে। মাননীয় অধ্যক্ষ মহোদয় যোৱাকালি মাননীয় মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে আমাক এই ক্ষেত্ৰত নিৰ্দেশ দিছে আৰু তেখেতেও কেন্দ্ৰীয় মন্ত্ৰী গৰাকীৰ লগত আঁচনিত টকা বৃদ্ধি কৰিবলৈ অনুৰোধ জনাম বুলি কৈছে। ইতিমধ্যে আমাৰ যিটো ১৯২৯.৭০ কোটি টকা এলোকেশ্যন আছিল আৰু ৰাজ্য চৰকাৰে দিবলগীয়া পুঁজিখিনিও ইয়াতে যোগ হ'ব। তৎসত্বেও আজি যি পৰিবেশ আৰু পৰিস্থিতিৰে মোকাবিলা কৰিবলৈ হ'লে মই ভাবো যে, VB-G RAM G এটা আমাৰ কাৰণে এটা ভাল আঁচনি হ'ব। এই আঁচনিৰ জৰিয়তে সেই দুৰ্যোগত বিধ্বস্ত হোৱা অঞ্চলবোৰত আমি বহুখিনি কাম কৰাৰ অৱকাশ আছে। যিহেতু ৩১৮ ধৰণৰ কাম আমি কৰিব পাৰো গতিকে ফাৰ্ষ্ট ফেজত আমাক ৬৩৬.৮০ কোটি টকা মোকলাই দিয়া হৈছে আৰু ইয়াৰ কাম ১ জুলাইৰ পৰা আৰম্ভ হৈছে। তাৰ উপৰিও মাননীয় মুখ্যমন্ত্ৰীয়ে এখন চাব কমিটি গঠন কৰি দিছে , গতিকে এইবাৰ আমি কেনেদৰে কাম আৰম্ভ কৰিছো সেইখিনিও মুখ্য মন্ত্ৰীক জনাইছো। গতিকে নিশ্চিতভাৱে এই ধনৰাশি মোকলাই দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ সৈতে আমি বিভাগীয় মন্ত্ৰী হিচাপে যোগাযোগ কৰিম আৰু কামখিনি যাতে ক্ষিপ্ৰতাৰে হয় তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম। মাননীয় সদস্যগৰাকীয়ে এম জি এন ৰেগাৰ অন্য এটা দিশৰ কথাও উ ল্লেখ কৰিছে যে, এই আঁচনিৰ – Tied –বা Untied Fund বহু জিলাত পাবলৈ বাকী আছে সেই বিষয়টো আমি গুৰুত্ব সহকাৰে সভাবিলাকত পৰ্য্যালোচনা কৰিছো। যি সকল এই কামৰ লগত জড়িত তেওঁলোকে যাতে এই কামখিনি ক্ষিপ্ৰতাৰে কৰে তাৰ বাবেও আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছো।

**শ্ৰীজাকিৰ হুছেইন সিক্দাৰ, পাকা বেতবাৰী** ঃ অধ্যক্ষ ডাঙৰীয়া মন্ত্ৰী ডাঙৰীয়াই উজনি অসমৰ দুৰ্যোগৰ কথা কৈছে, এই ক্ষেত্ৰত মই এটা কথাই কওঁ যে, মই ডিজেষ্টাৰ মেনেজমেন্টৰ জৰিয়তে VB-G RAM G ত আমি ৩৪ আঁচনি আমি ল'ব পাৰো গতিকে এই সুবিধা কেন্দ্ৰীয় চৰাকাৰৰ পৰা আমাৰ ৰাজ্যৰ চৰকাৰী বিভাগে গ্ৰহণ কৰিব লাগে। উজনি অসমত দুৰ্যোগত আক্ৰান্ত এলেকাসমূহৰ বাবে ডিজেষ্টাৰ মেনেজমেন্টৰ জৰিয়তে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ধন পাব পাৰো। এই ক্ষেত্ৰত বিভাগে গুৰুত্ব দিব লাগে। অধ্যক্ষ ডাঙৰীয়া মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল ১৩ জুন ২০২৬ তাৰিখে অসম চৰকাৰে কেবিনেট পাতি এটা সিদ্ধান্ত লৈছিল যে, VB-G RAM G ৰ টকা কিধৰণে ভাগ কৰিব। মই আগতে এই বিধান সভাতে কৈছিলো যে এম জি এন ৰেগা আঁচনি লেবাৰ বাজেটৰ ওপৰত আৰু জব কাৰ্ডৰ ওপৰত বিতৰণ কৰা হয়। কোন জিলা আৰু কোন ব্ল'কে কিমান পাব এই বিষয়ে এই টকা ভাগ কৰিবৰ কাৰণে ABC তিনিটা কেটেগৰীৰ ব্যৱস্থা কৰিছে। কোন কোনটো পঞ্চায়ত A ত কোনটো পঞ্চায় Bত পৰিব আৰু কোনটো পঞ্চায়ত C ত পৰিব এই মৰ্মে কেবিনেটে চাব কমিটি এটা গঠন কৰিছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই চাব কমিটিয়ে কিমান দূৰ অগ্ৰগতি লাভ কৰিছে ? অসমৰ পঞ্চায়তসমূহ কেতিয়া ABC কেটেগৰী হিচাপে স্বীকৃতি পাব আৰু এই বিষয়ে বিভাগে কি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিছে ? গতিকে ABC কেটেগৰী ভাগ কৰোতে বিধায়কসকলকো জড়িত কৰিব লাগে। কোনটো পঞ্চায়তত কি সুবিধা কি অসুবিধা কেৱল বিষয়াসকলক দিলে ক'ৰবাত ভুল সিদ্ধান্ত হ'ব পাৰে। গতিকে মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, ( মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, মই পোনপ্ৰথমে তেখেতক আকৌ ধন্যবাদ দিম যে VB-G RAM G ৰ জৰিয়তে বান অধ্যুষিত এলেকাত তেখেতে কাম কৰাৰ ওপৰত বিশেষভাৱে জোৰ দিছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশমৰ্মে আমি এটা আমাৰ

বিভাগৰ চৰকাৰী additional cs , commissioner, MD এই সকলোকে লৈ এটা টীম এই উজনিৰ জিলাবিলাকলৈ যোৱাৰো এটা সিদ্ধান্ত হৈছে, সেইখিনি আমি কৰিম। তেখেতে লগতে এটা কথা কৈছে যে, পুঁজি আবন্টনৰ ক্ষেত্ৰত কথাটো কৈছে এইটো যথেষ্ট আগবাঢ়িছে। VB-G RAM G cabinet sub committee ৰ report ৰ গোটেই কথাখিনি আমি ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি আগবঢ়াই লৈ যাবলৈ আমি যাৱতীয় ব্যৱস্থা আমি গ্ৰহণ কৰিছো। কিন্তু এই পুঁজি আবন্টনৰ ক্ষেত্ৰত যিটো মান্যতামূলক পুঁজি normative allocation ৰ ক্ষেত্ৰত VB-G RAM G ৰ আইন অনুসৰি পঞ্চায়ত সমূহে পঞ্চায়তলৈ মান্যতামূলক পুঁজি আবন্টনৰ normative allocation ওপৰত ভিত্তি কৰি আঁচনি গ্ৰহণ কৰিব পাৰিব আৰু VB-G RAM G ৰ ন্যায়সংগত প্ৰয়োজনভিত্তিক আৰু সংক্ষিপ্ত ৰূপত ৰূপায়ন নিশ্চিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰালয়ে পঞ্চায়ত সমূহৰ PIA (Panchayat Advancement Index) aspirational district study ৰ ওপৰত ভিত্তি কৰি গাওঁ পঞ্চায়ত সমূহক A ,B আৰু C শ্ৰেণীত বিভাজন কৰিবলৈ নিৰ্দেশ দিছে। তেখেতে আমাৰ সন্মানীয় সদস্যসকলৰ মতামতৰ কথাও উল্লেখ কৰিছে। Definitely মতামতকো গুৰুত্ব দিব , কিন্তু এই criteria ৰ ভিতৰত পৰিব লাগিব কেন্দ্ৰীয় চৰকাৰৰ যি নিৰ্দেশ আছে allocation ৰ ওপৰত। অৱশ্যে এই ক্ষেত্ৰ প্ৰত্যেক ৰাজ্যৰ বাবে প্ৰযোজ্য হোৱা নিজ নিজ চৰ্ত মাপকাঠি সংযোজন কৰাৰ কতৃত্ব ৰাজ্যে চৰকাৰক প্ৰদান কৰিছে। সেই মৰ্মে অসম চৰকাৰৰ মই এইটো উল্লেখ কৰি গলো যে, সন্মানীয় কেবিনেট বৈঠক এখনত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এখন কেবিনেট চাব কমিটি কৰি দিছিলে আৰু এই কমিটিৰ যি পৰামৰ্শ হ'ব মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ guidance ত আমি তেনেধৰণেৰে এক মান্যতামূলক পুঁজি আবন্টনৰ ব্যৱস্থা আমি কৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় বিধায়ক মোঃ নুৰুল হুদা।

**মোঃ নুৰুল হুদা, (ৰূপহীহাট):** মাননীয় অধ্যক্ষ মহোদয়, ৩০ জুন ২০২৬ ত উপলব্ধ সকলো চলিত আঁচনি ১ জুলাই তাৰিখৰ পৰা VB-G RAM G ৰ পৰ্টেলত

স্থানান্তৰ কৰা হৈছিল। তাৰে মুঠ ৩ লাখ ৮৪ হাজাৰ ৪৭৯ খন আঁচনিৰ তাৰে ৩ লাখ ৩৩ হাজাৰ ৮৯৫ খন আঁচনি PMAY-G আঁচনি আৰু ৫০ হাজাৰ ৫৮৪ খন আঁচনি MGNREGA ৰ আছে। এই গোটেইখিনি VB-G RAM G ৰ পৰ্টেললৈ স্থানান্তৰ কৰা হৈছিল আৰু কামবিলাক আৰম্ভ কৰা হৈছিল। কিছুমান কাম ৫০ শতাংশ কৰিছে, কিছুমান কাম ৪০ শতাংশ কৰিছে আৰু কিছুমান ১০ শতাংশ কৰিছে। কিন্তু এই কাম বিলাক চলি থকা অৱস্থাত হঠাতে এই কামখিনি বন্ধ কৰা বুলি আমি শুনা পাইছো । এইখিনি বন্ধ কৰা হৈছে নেকি ? মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই কামখিনি বন্ধ কৰিছে নেকি ? যদি কৰিছে কিয় কৰিছে আৰু পুনৰ এই কামখিনি যদি আৰম্ভ নকৰে ৰাইজক শলথেকত পোলোৱা হ'ব গতিকে এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব ?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, ( মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে জানে যে এই সম্পৰ্কত এখন চাব কমিটি কৰি দিছিল। মোৰ কথাখিনিতে উল্লেখ আছে এইখিনি categorise কৰাৰ কথা কৈছিল, হয় এইটো জুনত শেষ হৈছে MGNREGA. তেখেতৰ পৰিকল্পনাটো ঠিকেই আছে কিন্তু কামখিনি স্পীড আপ কৰিবলৈ আমি পোৱা নাই যিহেতু এতিয়াও আমাৰ এই সম্পৰ্কত সম্পূৰ্ণৰূপে বিভাগীয় নীতি নিৰ্দেশনা দিবলৈ বাকী আছে। গতিকে এই নীতি নিৰ্দেশনাৰ পিছতে এই কামখিনি যথাযথভাৱে নিশ্চয় আৰম্ভ কৰিব পাৰিব৷

**মোঃ নুৰুল হুদা,** ( **ৰূপহীহাট):** ছাৰ বিভাগৰ নিৰ্দেশমতে কামখিনি আৰম্ভ কৰা হৈছিলে এতিয়া যে আধৰুৱা হৈ আছে, কামখিনি বন্ধ কৰি দিছে কি হ'ব সেইটো?

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী প্ৰশান্ত ফুকন। ডাইৰেক্ট প্ৰশ্ন কৰিব।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড়ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, এতিয়া যে

আমাৰ উজনিৰ তিনিখন জিলাত যি অৱস্থা হ'ল সেইখিনিৰ কাৰণে আমি VB-G RAM G ৰ জৰিয়তে desilting কৰাৰ ব্যৱস্থাটোক আমি কৰিব পাৰো নেকি ? কাৰণ যাৰ জৰিয়তে কৰিলে আমাৰ পথাৰবিলাকৰ পৰা desilting কৰা আৰু ঘৰবিলাকৰ পৰা desilting কৰাৰ ক্ষেত্ৰত আমাৰ যথেষ্টখিনি সুবিধা হ'ব আৰু তাত জব ক্ৰিয়েটো হ'ব আৰু বহুতে চাকৰি পোৱাৰো এটা ব্যৱস্থা হ'ব। সেইকাৰণে এই VB-G RAM G ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে desilting কৰাৰ ব্যৱস্থা বৰ্তমান তাৎক্ষণিকভাৱে এইয়া কৰাৰ ব্যৱস্থা কৰিব নেকি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো।

**মাননীয় অধ্যক্ষঃ** এক মিনিট, এটা আৰু লগতে আছে দি দিছো। মাননীয় বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰ। একেলগে দুটা আপুনি ৰিপ্লাই দিব।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰৰীঘাট):** মাননীয় অধ্যক্ষ মহোদয়, VB-G RAM G আৰম্ভ হোৱাৰ আগতে MGNREGA ৰ Scheme আছিলে। তাতে land development, earth filling, agril bandh ৰ কাম বহুতে কৰিব পাৰিছিলে যাৰ কাৰণে land development ৰ জৰিয়তে যিবোৰ ফিল্ডত কাঠ আছিলে বা বহুত ঠাইত যিবোৰ মাটিত নামনিত আছিলে সেইবোৰ সমতল কৰিবলৈ সেই মাটি পেলাব পাৰিছিলে বা agril bandh ৰ জৰিয়তে আমি ৰাস্তাত আপোনাৰ মাটি পেলাব পাৰিছিলো-বোকা ৰাস্তাত বা গাত থকা ৰাস্তাত। গতিকে মই আপোনাৰ জৰিয়তে সুধিব বিচাৰিছো যে এই VB-G RAM G ৰ অধীনত সেই land development যিটো আমি earth filling বুলি কও আৰু agri bandh ৰ কামবোৰ হ'বনে আৰু ইয়াৰ লগতে MGNREGA ৰ যেতিয়া আঁচনি চলি আছিলে তেতিয়া যিসকলে এই land development ৰ কাম কৰিছিলে বহুতৰে কাম আধাতে বন্ধ কৰি দিয়া হ'ল আৰু তেখেতসকলে এতিয়ালৈকে যিখিনি কাম কৰিলে তাৰ কোনো পইছা পোৱা নাই আৰু যদি feasibility আছে এইখিনি মুকলি কৰি দিব লাগে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া ৰিপ্লাই প্লিজ।

**শ্ৰী অতুল বৰা, ( মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমি কোনো কাম এতিয়ালৈকে বন্ধ কৰিবলৈ কোৱা নাই। যিবিলাক চলি থকা কাম আছিলে সেইখিনি সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছিলে। যদি MGNREGA,আধৰুৱা হৈছে VB-G RAM G জৰিয়তে সেইখিনি নিশ্চয়কৈ কৰিব পাৰিব আৰু কাম বন্ধ নহ'ব। বাকী MGNREGA ত মই আকৌ কৈছো, যিবিলাক ফান্ড পাবলৈ এতিয়াও বাকী আছে যদি সঁচাকৈ কাম হৈছে inspection ৰ পিছত সেইখিনি দিয়াৰ কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা যাব আৰু সন্মানীয় সদস্য শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই এটা গুৰুত্বপুৰ্ণ কথা কৈছে সেই বিষয়টো গুৰুত্ব সহকাৰে লৈছো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও সেই বিষয়টো গুৰুত্ব সহকাৰে লৈছে। কালিলৈ আমাৰ বিভাগৰ ১৫ জনীয়া দল আৰু আমিও যাম গৈ কি কি আঁচিনত আজি PNRD ত কি কি আঁচনিৰ জৰিয়তে সেই বন্যাৰ্তক আমাৰ তৰফৰ পৰা সহায় কৰিব পৰা যায়। হয় তেখেতে, siltation হৈছে, পৰি গৈছে, সেইবিলাক কাম আমি নিশ্চয়কৈ এনেকুৱা বিলাক আঁচনিৰ জৰিয়তে আমি কৰিব পাৰো। ঠিক তেনেকৈ  ASRLM ৰ জৰিয়তেও আমি কেতবোৰ পৰিকল্পনা আমি আমাৰ মাজতে কৰি লৈছো, কোন কোন আঁচনিৰ জৰিয়তে আমি সেইবোৰ অঞ্চলৰ ৰাইজক সকাহ দিব পাৰিম, কাৰণ বহুতে যিবিলাক আত্ম সহায়ক গোট আছিল সেই আত্ম সহায়ক গোটবিলাকে কোনোবা হাঁহ, গৰু, ছাগলী, মুৰ্গী পুহিবলৈ পইচা লৈছিলে,  সেইবিলাক উটি গ'ল। গতিকে এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশত ভৱিষ্যতৰ দিনত আগবাঢ়িম, ভৱিষ্যতে আমি কেনেকৈ সেইখিনিক আকৌ আমি সকাহ দিব পাৰিম এই কামখিনি তেওঁলোকৰ জৰিয়তে আমি আৰম্ভ কৰিব পাৰো।

**ডাঃ আচিফ মহম্মদ নাজাৰ, লাহৰিঘাটঃ** ছাৰ land development ৰ কথা সুধিছিলো।

**মাননীয় অধ্যক্ষঃ** এক মিনিট। মন্ত্ৰী ডাঙৰীয়া, মই এতিয়া আহ্বান জনাব বিচাৰিছো VB-G RAM G ৰ বিষয়টো লৈ আচলতে আমাৰ বহু মাননীয় সদস্যই

বিভিন্ন confusion আছে বা বিভিন্ন বিষয়টো নাজানে । মই সেইকাৰণে আপোনাক আহ্বান জনাম যে পৰৱৰ্তী যিখন আমাৰ অধিবেশন হ'ব, অধিবেশনৰ সময়ত আপুনি ২ ঘন্টা আপোনাৰ বিভাগৰ মানুহৰ জৰিয়তে আমাৰ সন্মানীয় বিধায়ক সকলক মাতি ২ ঘন্টাৰ যদি এটা orientation programme কৰাই দিয়ে তেতিয়া বহুতৰে confusion টো ক্লিয়াৰ হ'ব । মই এইটো চৰকাৰক আহ্বান জনাইছো আৰু বিধায়কসকলক আহ্বান জনাইছো।

**শ্ৰী অতুল বৰা, ( মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, কেতিয়া কৰিব লাগিব ?

**মাননীয় অধ্যক্ষঃ** এক মিনিট, মই কৈ আছো আৰু দ্বিতীয় হৈছে যে মই সন্মানীয় বিধায়কসকলক আহ্বান জনাইছো যে আপোনালোকে এইটো starred question ৰ জৰিয়তে ইমানখিনি কথা ক্লিয়াৰ হোৱাটো সম্ভৱ নহয় । গতিকে আপোনালোকে rule 50 ৰ under ত যিহেতু আমি তাতে সৰ্বোচ্চ আঢ়ৈ ঘন্টা পৰ্য্যন্ত পাম , তাতে সকলো মাননীয় বিধায়কে কব পাৰিব। আগন্তুক rule 50 ৰ under ত আপোনালোকে এই VB-G RAM G ৰ বিষয়টোৰ ওপৰত আনক তেতিয়াহলে আমি চৰকাৰৰ পৰা বুজি লম। বুজি লোৱাৰ পিছত আমি rule 50 ৰ জৰিয়তে এদিন আমি আকৌ সময় লম আৰু নেক্স অধিবেশন যেতিয়া হ'ব তেতিয়া এই বিষয়টো লৈ ল'ব।

**শ্ৰী অতুল বৰা, ( মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি ):** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ পৰামৰ্শ আমি গ্ৰহণ কৰিছো আৰু আমি 15th Finance.......

**মাননীয় অধ্যক্ষঃ** মোৰ আৰু এটা প্ৰশ্ন আছে,

**শ্ৰী অতুল বৰা, ( মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি ):** ঠিক আছে হ'ব।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ২৬৯, শ্ৰী অমিয় কান্তি দাস । ডাইৰেক্ট প্ৰশ্নটো কৰক।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্রী অমিয় কান্তি দাস, (ধলাই সমষ্টি) :-** মাননীয় অধ্যক্ষ মহোদয়, আমার প্রশ্নের লিখিত উত্তর আমি পেয়েছি। কিন্তু আপনারা জানেন আমার ধলাই সমষ্টিতে দুটি নদী আছে সোনাই এবং রুকনী নদী, এই দুটি নদীতে প্রায় ১১ টি স্থানে নদী ভাঙ্গন ভয়াবহ রূপ ধারণ করেছে। ইতিমধ্যে আমরাঘাট কলেজের পাশে কল্যানপুর ,গজালঘাট , পালংঘাট এইসমস্ত এলাকায় কিছু প্রস্তাব আমরা পেয়েছি যেগুলি কাজ হবে। কিন্তু আরও দু-চারটি জায়গা আছে সেগুলো ভয়াবহ রূপ ধারণ করেছে। এরমধ্যে একটি জায়গা আছে বেকিরপার। বেকিরপারে একটি বস্তী আছে সেই বিষয়ে আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি।

**মাননীয় অধ্যক্ষঃ-** প্রশ্নটি কি ছিল আপনার ? বলুন।

**শ্রী অমিয় কান্তি দাসঃ-** প্রশ্নটি হল এই যেগুলো কাজের প্রস্তাব আছে সগুলো কাজ কবে আরম্ভ হবে ?

**মাননীয় অধ্যক্ষঃ** মন্ত্রী ডাঙৰীয়া।

**শ্রী পীযুষ হাজৰিকা, (মন্ত্রী, জলসিঞ্চন ইত্যাদি) :** অধ্যক্ষ মহোদয়, আমি এই মূহুৰ্তত temporary কাম কৰো। যিখিনি permanent কাম সেইখিনি বাৰিষাৰ পাছত আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া Point of Order.

**শ্রী ৰূপম চন্দ্র ৰয়, (বাওঁখুংগ্রী)ঃ** অধ্যক্ষ মহোদয় মোৰ Point of Order এটা আছে।

**শ্রী মৃণাল শইকীয়া, (খুমটাই)ঃ** অধ্যক্ষ মহোদয়, মোৰো Point of Order এটা আছে।

**মাননীয় অধ্যক্ষঃ** মৃণাল শইকীয়া, আপুনি কওঁক।

**শ্রী মৃণাল শইকীয়া, (খুমটাই)ঃ** অধ্যক্ষ মহোদয়, মোৰ Unstarred Question No. 661 ত operational Seed Farm ৰ কথা সুধিছিলো। সৌ সিদিনা Veterinary

Department য়ে যেনেকৈ মোক ভুল উত্তৰ দিছিল আজিও এটা ইমান ডাঙৰ জীয়া ভুল তথ্য দিছে। মোৰ সমষ্টিৰ ফলঙনি Seed Farm ৰ কথা সুধিছিলো। তাৰ উত্তৰত লিখিছে যে the farm is operational through contract farming mode by involving local growers for one cropping season. এইটো গোকাট মিছা কথা। এই Seed Farm খন হাবি-জংঘল হৈ পৰি আছে। আমি তাত খেতি কৰিব খোজাত এইবাৰ খেতিয়ক এজন তালৈ গৈছিল। তেতিয়া ক'লে যে তেওঁলোকৰ এইটো plan নাই। মাননীয় অধ্যক্ষ মহোদয়, মিছা কথা কোৱাৰ এই পৰম্পৰাটো যদি চলি থাকে তেন্তে সদনত Question Answer ৰ যিটো device আছে সেইটোৰ কি অৰ্থ থাকিব, তেতিয়াহ'লে এইটো device উঠাই দিয়াই ভাল হ'ব।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, জলসিঞ্চন ইত্যাদি ):** অধ্যক্ষ মহোদয়, মই এইটো খুব seriously তদন্ত কৰিম। যিজনে এইটো কৰিছে তেওঁক মই প্ৰয়োজন হ'লে suspension ও কৰিম।

**মাননীয় অধ্যক্ষঃ** Next Point of Order.

**শ্ৰী ৰূপম চন্দ্ৰ ৰয়, (বাওঁখুংগ্ৰী)ঃ** অধ্যক্ষ মহোদয়, মই তৰাবিহীন প্ৰশ্ন নং ৬৫৭ ত বাওঁখুংগ্ৰী সমষ্টিত কৃষিভূমিত নিশ্চিত জলসিঞ্চনৰ সুবিধা সম্প্ৰসাৰণৰ উদ্দেশ্যে চলি থকা Irrigation project সমূহৰ কথাক লৈ এটা প্ৰশ্ন কৰিছিলো। তাৰ উত্তৰত পালো যে বাওঁখুংগ্ৰী সমষ্টিত ২৩ খন জলসিঞ্চনৰ আঁচনি আছে। এই ২৩ খন জলসিঞ্চনৰ আঁচনিৰ ৩ আঁচনি সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম হৈ আছে, ১২ খন আঁচনি আংশিকভাৱে কাৰ্য্যক্ষম হৈ আছে আৰু ৮ খন আঁচনি অকাৰ্য্যক্ষম হৈ আছে। গতিকে মই আপোনাৰ জৰিয়তে সন্মানীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ সেই অঞ্চলসমূহ যিহেতুকে কৃষিপ্ৰধান অঞ্চল আৰু ......interruptions....

**মাননীয় অধ্যক্ষঃ** ইয়াত Point of Order কি আছে?

**শ্ৰী ৰূপম চন্দ্ৰ ৰয়, (বাওঁখুংগ্ৰী)ঃ** অধ্যক্ষ মহোদয় , Point of Order টো হ'ল যিখিনি কাৰ্য্যক্ষম হৈ থকা নাই ..........interruptions....

**মাননীয় অধ্যক্ষঃ** সেইটো Point of Order নহয়। আপুনি মোৰ চেম্বাৰত আহি মোৰ পৰা বুজি ল'ব।

**শ্ৰী আফতাব উদ্দিন মোল্লা, (জলেশ্বৰ)ঃ** অধ্যক্ষ মহোদয়, মোৰ Point of Order টো Unstarred Question No. 674 সম্পৰ্কত। মোৰ জলেশ্বৰ সমষ্টিত শতকৰা ৯০ জন মানুহ কৃষিজীৱি। তাত কৃষকসকলৰ সুবিধাৰ বাবে প্ৰকল্প ল'ব লাগে। উত্তৰত পাইছিলো যে জলেশ্বৰত ৫০০ মেট্ৰিকটন বহন ক্ষমতাসম্পন্ন গ্ৰামীণ ভঁৰাল এটা নিৰ্মাণ হৈছে। এইটো সত্য কথা। কিন্তু সেইটো ২০০১ চনত মই যেতিয়া বিধায়ক আছিলো তেতিয়াৰে। বহুত পুৰণি, ২৫ বছৰ আগৰে। এতিয়া একো নাই ..........interruptions....

**মাননীয় অধ্যক্ষঃ** আপোনাৰ Point of Order টো কি?

**শ্ৰী আফতাব উদ্দিন মোল্লা, (জলেশ্বৰ)ঃ** অধ্যক্ষ মহোদয়,মই ক'ব বিচাৰিছো যে দুটামান ভঁৰাল মোৰ সমষ্টিত দিব লাগে।

**মাননীয় অধ্যক্ষঃ** সেইটো Point of Order হ'ব নোৱাৰে। Point of Order মানে হ'ল চৰকাৰে যদি বিধায়কসকলে সোধা প্ৰশ্নৰ ভুল বা অসম্পূৰ্ণ উত্তৰ দিয়ে বা তাত যদি কিবা বিসংগতি থাকে তেতিয়া সেই বিষয়টোত আপোনালোকে Point of Order আনিব পাৰে। সেইকাৰণে অলপ আগতে মন্ত্ৰী ডাঙৰীয়াই লগে লগে admit কৰিছে যে যিজনে ভুল উত্তৰ দিছে, প্ৰয়োজন সাপেক্ষে তেওঁক suspension কৰিব। মইও এইটো আহ্বান জনাইছো যে আমাৰ জিলাসমূহৰ পৰা যিবোৰ উত্তৰ আহে সেইবোৰৰ সম্পৰ্কত ওপৰ পৰ্যায়ত যি মন্ত্ৰী, Commissioner, Principal Secretary থাকে তেওঁলোকে জিলাখনত গৈ খবৰ কৰিব নোৱাৰে, গতিকে তলৰ পৰ্যায়ৰ পৰাই যাতে শুদ্ধ উত্তৰ আহে তাৰ বাবে নিশ্চিত ৰূপত প্ৰত্যেকটো বিভাগে ব্যৱস্থা কৰিব। নহ'লে অনাহকতে suspension ত যাবলগীয়া হয়।

এতিয়া শূন্যকালীন ঘণ্টা। আজি আমাৰ ৫ টা বিষয় আছে। মই ৫ টা বিষয়েই উত্থাপন কৰাৰ বাবে সুযোগ দিব বিচাৰিছো। আজি সদস্যসকলে ৫ মিনিটকৈ ক'ব। যোৱাকালি সংখ্যা বেছি আছিল কাৰণে ৩ মিনিটকৈ দিছিলো সেয়েহে আজি ৫ মিনিটকৈ ক'ব আৰু ৫ মিনিটকৈ মন্ত্ৰীয়ে reply দিব তেতিয়া ২৫ মিনিটকৈ মুঠ ৫০ মিনিটত আমাৰ হৈ যাব। এতিয়া মাননীয় সদস্য শ্ৰী ৰূপম চন্দ্ৰ ৰয়ক অসমৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণ, ST মৰ্যাদা প্ৰদান

সম্পৰ্কে আলোচনা শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰূপম চন্দ্ৰ ৰয়, (বাওঁখুংগ্ৰী)**ঃ অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে কোঁচ-ৰাজবংশীকে ধৰি যি ৬ জনগোষ্ঠী অসমত আছে এই ৬ জনগোষ্ঠীয়ে আজি বহুত দিনৰ পৰাই নিজৰ সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক বিকাশৰ বাবে অসমত আন্দোলন কৰি আছে । ঠিক তেনেধৰণে কোঁচ-ৰাজবংশী জনগোষ্ঠীয়েও আজি বহু দিনৰ পৰা অসমত সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক সকলো দিশত বিকাশৰ বাবে বা নিজৰ জাতিটোৰ উত্তৰণৰ বাবে কাম কৰি আছে আৰু আজি অসমখনত আন্দোলন কৰি থকা আপোনালোকে দেখিবলৈ পাইছে । আমি সকলোৱে জানো ভাৰতৰ শ্ৰদ্ধাৰ যশস্বী প্ৰধান মন্ত্ৰীনৰেন্দ্ৰ মোডী আৰু অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসম তথা ভাৰতবৰ্ষত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীক সমিলমিলৰে আগবঢ়াই নিব বিচাৰিছে। এই কথাটো বৰ্তমান সময়ত অতিকৈ গুৰুত্বপূৰ্ণ। আমি যদি অসমখনক আগবঢ়াই নিব লাগে তেন্তে আমি প্ৰতিটো জাতি-জনগোষ্ঠীকে আগবঢ়াই নিব লাগিব। আমি দেখিবলৈ পাইছো সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াত বসবাস কৰা প্ৰতিটো ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি, জনগোষ্ঠীৰ সংস্কৃতি, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে কাম কৰি আছে। আমি অতিকৈ আনন্দিত। আমি এইবেলিও দেখিবলৈ পাইছো যে এইখন বিধান সভাতে কোঁচ-ৰাজবংশীৰ ভাষাটো যদিও স্বীকৃতিপ্ৰাপ্ত হোৱা নাছিল, তথাপিও আমাৰ জনগোষ্ঠীটোক সন্মান জনাই তেখেতে আমাক নিজৰ ভাষাতে এইবেলি শপত বাক্য পাঠ কৰিবলৈ সুযোগ দিছিল। গতিকে আমি আনন্দ আৰু

গৌৰৱ অনুভৱ কৰিছো যে আমি এইখন অসমৰ সন্তান। বৰ্তমানৰ যশস্বী মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ যথেষ্ট কাম কৰি আছে। আমাৰ জনগোষ্ঠীটোৰ উত্তৰণৰ বাবে কোঁচ-ৰাজবংশী ছাত্ৰ সন্থাকে ধৰি আন আন বিভিন্ন ৬ জনগোষ্ঠীয় সংগঠনসমূহে আন্দোলন কৰি আছে। আজি আপোনালোকে দেখিছে অসমত বসবাস কৰা কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ লগতে যি ৬ টা জনগোষ্ঠী আছে, তেওঁলোকে যি জনজাতিকৰণৰ কথা কৈ আছে, সেইটো তেওঁলোকে যিমান সোনকালে পাব লাগিছিল এই জনজাতিকৰণটো পোৱা নাই। আমি দেখিবলৈ পাইছো ইয়াত থকা আমাৰ যিসমূহ ট্ৰাইবেল জনগোষ্ঠী আছে, তেওঁলোকে বিভিন্ন সময়ত এই আঁসোৱাহসমূহৰ কথা কৈ আহিছে আৰু কোৱাটো দৰকাৰ আছে কাৰণ নিজৰ জনগোষ্ঠীৰ অধিকাৰ ৰক্ষা কৰিবলৈ সকলো জাতি-জনগোষ্ঠীয়েই চিন্তা কৰে। এই ক্ষেত্ৰত আমিও তেওঁলোকক সন্মান জনাব বিচাৰিছো। ইয়াত থকা বড়ো জনগোষ্ঠীয়েই হওঁক বা ৰাভা জনগোষ্ঠীয়েই হওঁক, সকলো জাতি-জনগোষ্ঠীৰে অধিকাৰ সুৰক্ষিত থাকিব লাগিব। সুৰক্ষিত ৰখাৰ স্বাৰ্থতে আপোনালোকে দেখিছে যে অসম চৰকাৰে কোনো জাতি-জনগোষ্ঠীৰে অধিকাৰ খৰ্ব নোহোৱাকৈ এখন প্ৰতিবেদন তৈয়াৰ কৰিছে যাতে সেই প্ৰতিবেদনখনৰ জৰিয়তে আগতে ইয়াত থকা ট্ৰাইবেলসকলৰ অধিকাৰ খৰ্ব নোহোৱাকৈ কোঁচ-ৰাজবংশীকে ধৰি আন আন যি ৫ টা জনগোষ্ঠী আছে, তেওঁলোকক যাতে জনজাতিকৰণৰ মৰ্যাদা দিব পাৰে সেই কথাটো অসম চৰকাৰে চিন্তা-চৰ্চা কৰি আছে। প্ৰতিবেদন তৈয়াৰ কৰিছে, যাতে সেই প্ৰতিবেদনখনৰ জৰিয়তে আগতে ইয়াত থকা existing tribal সকলৰ অধিকাৰ খৰ্ব নোহোৱাকৈ কোচ ৰাজবংশীকে ধৰি আন আন যি ৫ টা জনগোষ্ঠী আছে তেওঁলোকক যাতে জনজাতিকৰণৰ মৰ্য্যদা দিব পাৰে, সেই কথাটো অসম চৰকাৰে চিন্তা-চৰ্চা কৰি আছে মাননীয় অধ্যক্ষ মহোদয়। আজি আমি এটা কথা দুখেৰে ক'ব বিচাৰিছো অধ্যক্ষ মহোদয়, এই প্ৰতিবেদনখনৰ কথা যেতিয়াই আহে, সদায়েই আমি দেখিবলৈ পাও যে প্ৰতিবেদনখনৰ কথা পিছুৱাই গৈ থাকে। আজি অসমত বসবাস কৰা এই ৬ টা জনগোষ্ঠীয়ে এইখন চৰকাৰৰ ওপৰত বহু

আশাৰে ৰৈ আছে যে এইখন চৰকাৰে যিহেতু ইয়াত বসবাস কৰা প্ৰতিটো খিলঞ্জীয়া জাতি-জনগোষ্ঠীক গুৰুত্ব দি আহিছে, গতিকে আমাকো তেওঁলোকে সঠিক এইখন চৰকাৰে মৰ্য্যদা দিব আৰু এইক্ষেত্ৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আছে এইখন চৰকাৰৰ ওপৰত। কাৰণ আমি দেখি আহিছো এইখন চৰকাৰে যথেষ্ট কাম কৰি আছে। যিবিলাক আগৰ চৰকাৰে কৰিব পৰা নাছিল, সেই কামখিনি বৰ্তমানৰ চৰকাৰে কৰি আহিছে। কিন্তু আমি ভাবো মাননীয় অধ্যক্ষ মহোদয়, যে কোচ ৰাজবংশীকে ধৰি আন আন যি ৫ টা জাতি-জনগোষ্ঠী আছে, এই জাতি সমূহক existing tribal সকলৰ ক্ষতি নোহোৱাকৈ সোনকালে জনজাতিকৰণৰ মৰ্য্যদা দিব লাগে। আপুনি এটা কথা জানে, ইতিমধ্যে ১৯৬৬ চনত কোচ-ৰাজবংশীসকলক ৰাষ্ট্ৰপতিৰ অধ্যাদেশ জাৰিৰ জৰিয়তে আগতে জনজাতিকৰণ দিয়া হৈছিল। কিন্তু দুখৰ বিষয় ৬ মাহ পিছতে সেই জনজাতিকৰণৰ মৰ্য্যদাটো আমাৰ পৰা কাঢ়ি লৈ যোৱা হ'ল। আপুনি ভালকৈয়ে জানে, যদি এটা জনগোষ্ঠীৰ criteria নাথাকে, তেতিয়াহ'লে সেই জনগোষ্ঠীটোক কেনেকৈ জনজাতিকৰণ দিব পাৰে ? আমাৰ criteria থকাৰ কাৰণে আমাক সেই সময়ত জনজাতিকৰণ দিছিল। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আমাৰ চৰকাৰখনক আকৌ এবাৰ অনুৰোধ জনাব বিচাৰিছো, লাঞ্ছিত-বঞ্চিত হৈ থকা এই জনগোষ্ঠী সকলৰ উত্তৰণৰ কাৰণে যিসকল চৰকাৰে কাম কৰি আছে, এই চৰকাৰখনক আকৌ অনুৰোধ জনাব বিচাৰিছো যে, existing tribal সকলৰ আমাৰ বড়ো ভাই সকলেই হওঁক, ৰাভা সকলেই হওঁক, কাৰ্বি সকলেই হওঁক, যিসকল ট্ৰাইবেল মানুহ আমাৰ অসমত বসবাস কৰি আছে, আমাৰ existing tribal ভাইসকলৰ ক্ষতি নোহোৱাকৈ কোচ-ৰাজবংশীকে ধৰি আন যি ৫ টা জনগোষ্ঠী আছে, অনতিপলমে জনজাতিকৰণৰ মৰ্য্যদা দিয়াৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** এইখিনি অকনমান ৰাজবংশী ভাষাতো কৈ দিয়ক। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এতিয়া শপত গ্ৰহণ কৰাৰ সুবিধা দিলে। আপোনালোকে ৰাজবংশী ভাষাটো নকয়।

**শ্ৰী ৰূপম চন্দ্ৰ ৰয়, বাওঁখুংগ্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ জনাব খুজিছো, যে আমাৰ বিভাগীয় যি মন্ত্ৰী আছে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিবা খুজিচুং যে আমাৰ যি এই জনজাতিকৰণৰ যি প্ৰতিবেদনখান দাখিল কৰা হৈছিল কত দিনৰ ভিতৰত হ'ব তাকে মই অনুৰোধ জানাইয়া কুচিয়া কৰিচুং যে জনজাতিকৰণতা সোনকালে হয় আৰু লগতে আমাৰ যি এই কোচ ৰাজবংশীকে ধৰি আন আন যি ৫ টা জনগোষ্ঠী আছে, অমি যাতে জনজাতিকৰণৰ মৰ্য্যদা সোনকালে পায় তাকে মই অনুৰোধ জানাবা খুজিচুং।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় জনজাতি পৰিক্ৰমা আৰু ভৈয়াম বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ প্ৰদান কৰিব।

**ডাঃ ৰণোজ পেগু, জনজাতি পৰিক্ৰমা আৰু ভৈয়াম বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত সদনত মই কেইবাবাৰো ইয়াৰ আগতেও পৱিত্ৰ সদনত জনাইছো যে, কোনো এটা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিষয় । ভাৰতীয় সংবিধানৰ Article-342 ৰ অধীনত এটা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাভুক্ত কৰা হয় আৰু ইয়াৰ কাৰণে যি প্ৰক্ৰিয়া আছে, সেই প্ৰক্ৰিয়াত ৰাজ্য চৰকাৰে পালন কৰিবলগীয়া দায়িত্ব আমি একাধিকবাৰ অসমৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছো আৰু কেন্দ্ৰীয় চৰকাৰৰ তাত Register General of India যিটো Home Ministry ৰ অধীনত থাকে, তেওঁলোকে পৰীক্ষা-নিৰীক্ষা কৰি যেতিয়ালৈকে Parliament ত ইয়াৰ বিল নানে, তেতিয়ালৈকে এই জনজাতিকৰণৰ প্ৰক্ৰিয়াটো নহয়। Parliament ত বিল অহাৰ প্ৰাকমুহূৰ্তত আমালৈকে প্ৰস্তাৱটো পুনৰ ঘূৰাই পঠাইছিল আৰু কৈছিল যে existing বৰ্তমান থকা জনজাতিসকলৰ ক্ষতি নোহোৱাকৈ কেনেধৰণে এই ৬ জনগোষ্ঠীক জনজাতি কৰিব পৰা যায়, তাৰ এটা Modality আমাক

দিবলৈ কৈছিল। যিহেতু এতিয়া OBC  সকলৰ তেওঁলোকে ২৭ শতাংশ সংৰক্ষণ লাভ কৰে আৰু এই OBC সকলৰ ভিতৰত ৬ জনগোষ্ঠীও সোমাই আছে, এতিয়া ইয়াৰে ৬ জনগোষ্ঠী যেতিয়া Schedule Tribe ৰ list ত আহিব, তেতিয়া OBC সকলৰ কাৰণে কিমান শতাংশ সংৰক্ষণ থাকিব, সেই সম্পৰ্কেও আমাক মতামত দিবৰ কাৰণে কৈছিল আৰু আমি আমাৰ প্ৰতিবেদন ইতিমধ্যে পৱিত্ৰ বিধান সভাত দিছো। কোনো বিধায়কে যদি সেই প্ৰতিবেদনৰ কপি পোৱা নাই, মই পুনৰবাৰ বিশেষকৈ নতুন বিধায়ক সকলকো তাৰ কপি মই দিম। মাননীয় বিধায়ক শ্ৰীৰূপম ৰয় ডাঙৰীয়াকো মই জনাইছো যে তেখেতেও মোৰ পৰা এই প্ৰতিবেদনৰ কপি লাভ কৰিব। এতিয়া কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন আৰু ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰক অৱগতও কৰা হৈছে গতিকে কেন্দ্ৰীয় চৰকাৰে উপযুক্ত সময়ত সঠিক সিদ্ধান্ত ল'ব। বহু বিষয় জনজাতিকৰণ সম্পৰ্কীয় বিষয় আমাৰ কেৱল ৬ জনগোষ্ঠী নহয় আৰু বহুত আমাৰ প্ৰতিবেদন আমি পঠাইছো, যেনে আমাৰ বৰাক উপত্যকাত বসবাস কৰা বহু জনজাতি লোক আছে, তেওঁলোক  Schedule Tribe নহয়। যেনেকৈ হমাৰ সকল আছে, চৰৈ সকল আছে, ৰংখাম আছে, ৰংমে আছে, তেওঁলোক অনুসূচিত জনজাতিৰ তালিকাৰ অন্তৰ্ভুক্ত নহয়। কিন্তু তেওঁলোক জনজাতি হয়। এতিয়া তেওঁলোকৰ ক্ষেত্ৰতো আমি ভাৰত চৰকাৰলৈ প্ৰতিবেদন পঠাইছো। অসমৰ ভৈয়ামত বসবাস কৰা কাৰ্বি সকল, তেওঁলোক জনজাতি নহয়। যেনেকৈ কামৰূপ, নগাওঁ, মৰিগাওঁ, এই অঞ্চলত বসবাস কৰা কাৰ্বিসকল জনজাতিৰ তালিকাভুক্ত নহয়। তাৰ কাৰণেও আমি প্ৰতিবেদন পঠাইছো। কাৰ্বি-আংলঙত বসবাস কৰা বড়ো সকল, আজি বড়ো সকল BTC বা অসমৰ ভৈয়ামত তেওঁলোক অনুসূচিত জনজাতি। কিন্তু ডবকা পাৰ হৈ কাৰ্বি-আংলঙত সোমালে তেওঁলোক জনজাতি নহয়। ঠিক তেনেকৈ মাননীয় অধ্যক্ষ মহোদয়, আজি ৰণোজ পেগুক এজন মিচিং মানুহ বুলি জানে যে আমাৰ ট্ৰাইবটো কি মিচিং। কিন্তু আমি যেতিয়া  certificate খন

লওঁ, আমি certificate খন মিচিং হিচাপে ল'ব নোৱাৰো । কাৰণ সাংবিধানিক অৰ্ডাৰটোত আমাক মিৰি বুলি উল্লেখ কৰা আছে। গতিকে আমি certificate খন মিৰি হিচাপে ল'ব লাগে আৰু এইটোৰ সংশোধনীৰ কাৰণেও আমি বহুতবাৰ প্ৰস্তাৱ পঠাইছো, কিন্তু এইখিনি সংশোধনীতো হোৱা নাই কাৰণে আমি মিৰি হিচাপে এতিয়াও certificate লৈ আছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়া অসমৰ মুখ্যমন্ত্ৰী আছিল । তেখেত জনজাতি সম্প্ৰদায়ৰ, তেখেত সোনোৱাল সম্প্ৰদায়ৰ। কিন্তু সাংবিধানিক হুকুমটোত Sonowal ৰ ঠাইত Sonwal লিখা আছে। অৰ্থাৎ Sono কিন্তু এটা o তাতে missing. এটা o missing, Sonwal হৈ আছে। সেইটো শুধৰণিৰ কাৰণেও আমি প্ৰস্তাৱ পঠাইছো। কিন্তু সেই সংশোধনীখিনিও হ'বলৈ বাকী আছে। গতিকে ৰাজ্য চৰকাৰে কৰিবলগীয়া কাম আমি গোটেইখিনি কৰিছো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন । দ্বিতীয় এটা কথা, এতিয়া জনজাতিকৰণ নহ'লেও তেওঁলোক অসমৰ এটা খিলঞ্জীয়া জাতি জনগোষ্ঠী হিচাপে কি কি সা-সুবিধা পাব পাৰে, সেইখিনিৰ কাৰণে within OBC ৰ ২৭ শতাংশ কোটাৰ ভিতৰতে আমি ৬ জনগোষ্ঠীৰ প্ৰতিটো জনগোষ্ঠীৰ কাৰণে মেডিকেল কলেজ, ইঞ্জিনীয়েৰিং কলেজ, বিশ্ববিদ্যালয় সমূহত আছুতীয়া আসন সংৰক্ষণ কৰিছো। ইতিমধ্যে এখন কেবিনেট চাব-কমিটি গঠন হৈছে যে আমাৰ পঞ্চায়তীৰাজ ব্যৱস্থাত SC/ST ৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা আছে। OBC ৰ কাৰণে ইয়াত সংৰক্ষণৰ ব্যৱস্থা আমি কৰিব পাৰো নেকি ? আমি OBC ৰ কাৰণে শিক্ষাৰ ক্ষেত্ৰত, নিযুক্তিৰ ক্ষেত্ৰত সংৰক্ষণ আছে। কিন্তু ৰাজনৈতিক সংৰক্ষণ পঞ্চায়তীৰাজ ব্যৱস্থাত, বিধান সভা, লোক সভাত আমি নোৱাৰো। কাৰণ সেইটো Parliament ৰ, সেইটো ভাৰত চৰকাৰৰ তেওঁলোকৰ কৰ্তৃত্বৰ অধীনত। কিন্তু পঞ্চায়তীৰাজ ব্যৱস্থা যিহেতু ৰাজ্য চৰকাৰৰ অধীনত, এতেকে পঞ্চায়তীৰাজ ব্যৱস্থাৰ অধীনতে OBC ৰ কাৰণে ৰাজনৈতিক reservation কৰিব পৰা যায় নেকি? ইয়াৰ কাৰণে

এখন কেবিনেট উপসমিতিও গঠন হৈছে, উপসমিতিখনে বিচাৰ বিবেচনা কৰিব। অৰ্থাৎ কোচ-ৰাজবংশী সকলে অসমৰ ভিতৰত ৰাজ্য চৰকাৰৰ অধীনত তেওঁলোকে পাবলগীয়া শৈক্ষিক, সাংস্কৃতিক আনকি পঞ্চায়তত ৰাজনৈতিক সা-সুবিধাৰ ক্ষেত্ৰতো চৰকাৰখনে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া মই মাননীয় সদস্য শ্ৰী সঞ্জয় কিষানক অসমৰ বিভিন্ন চাহ বাগিছা সমূহৰ লগতে মাকুম সমষ্টিৰ ৩০ খনৰো অধিক চাহ বাগিছাত অসাধু চুলাই ব্যৱসায়ীয়ে চাহ বাগিছাৰ লাইন সমূহত অবৈধভাবে চুলাই বিক্ৰী কৰি থকাৰ ফলত সেই চুলাই সেৱন কৰি উঠি অহা নতুন প্ৰজন্মৰ বহুত যুৱক মৃত্যুক আকোৱালি ল'বলগীয়া হৈছে। যাৰ ফলত বহুতো মহিলা বিধৱা হ'বলগীয়া হৈছে। যাৰ ফলত চাহ বাগিছা সমূহত পুৰুষ শ্ৰমিকৰ সংখ্যা কমি যোৱা পৰিলক্ষিত হৈছে।'' এই শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী সঞ্জয় কিষান, মাকুমঃ** ধন্যবাদ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আচলতে আজি মই যিটো বিষয় ক'বলৈ গৈছো, বিষয়টো বৰ্তমান অসমত ড্ৰাগ্ছে যি ভয়াবহ ৰূপ ধাৰণ কৰিছে, তাতকৈ মই ভাবো যে চুলাই মদে চাহ বাগিছা সমূহত বেছি ভয়াবহ প্ৰভাৱ পেলাইছে। চাহ বাগিছাৰ লগতে গাওঁ সমূহতো যিবিলাক আচলতে অবৈধ চুলাই মদ প্ৰচলন হৈছে আৰু এই চুলাই মদ সেৱন কৰাৰ ফলত তেওঁলোক বিভিন্ন ৰোগত আক্ৰান্ত হৈছে। শেহতীয়াকৈ আমি যদি চাওঁ দেখিম যে কম বয়সতে সেই যুৱকসকলৰ মৃত্যু হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আজিৰ তাৰিখত আমি কোনেও নাজানো যে আচলতে এই চুলাই মদ তৈয়াৰ কৰোতে কি দ্ৰব্য ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ পৰা কিমান ক্ষতি হয়। এইবিষয়ত আজিলৈকে কোনোধৰণৰ তথ্য নাই আৰু যাৰকাৰণে তেওঁলোকে অজানিতে এই চুলাই মদ সেৱন কৰিছে। এই এই কথাটো নিশ্চিত যে চুলাই মদ যদি বেছি পৰিমাণে সেৱন কৰে তেতিয়াহ'লে তেওঁৰ মৃত্যু অনিবাৰ্য্য। তথাপিও এই চাহ বাগিচা সমূহত বা গাঁৱতে হওঁক এই চুলাই মদৰ সম্পূৰ্ণ প্ৰচলন হৈ আছে।

এনেকুৱা নহয় যে চুলাই মদৰ কাৰণে কেৱল সেই পৰিয়ালটোৰে ক্ষতি হৈছে, আচলতে সেই পৰিয়ালটোৰ লগতে সেই অঞ্চলটোৰ যিসকল ল'ৰা-ছোৱালী শিক্ষাৰ লগত জড়িত তেওঁলোকো প্ৰভাম্বিত হৈছে। সেই পৰিয়ালটোৰ লগতে সেই অঞ্চলটো সম্পূৰ্ণৰূপে প্ৰভাম্বিত হৈছে। যাৰকাৰণে বিভিন্ন অপৰাধমূলক কাম-কাজ বিলাক গঢ়ি উঠিছে। মাননীয় অধ্যক্ষ মহোদয়, দুখৰ কথা যে আমি যদি কোনোবা এখন লাইনলৈ যাওঁ বা মই যিখন লাইনত জন্ম গ্ৰহণ কৰিছিলো, এতিয়াও তাত মোৰ ঘৰ আছে। তাত মোৰ লগত যিবিলাক ল'ৰাই পঢ়া-শুনা কৰিছিল, খেলা-ধূলা কৰিছিল তাৰ ৯০ শতংশ ল'ৰাই ইতিমধ্যে মৃত্যুবৰণ কৰিছে। মই প্ৰায়েই মোৰ ঘৰলৈ গৈ থাকো। ইয়াৰ যদি আমি কাৰণটো চাওঁ আমি দেখো যে সেই একেই চুলাই মদৰ প্ৰচলন। যিসকলৰ মৃত্যু চুলাই মদ সেৱন কৰি হৈছে তেওঁলোকে বিয়া-বাৰু পাতিছে, দুই-তিনিটাকৈ ল'ৰা-ছোৱালী হৈছে। তেওঁলোকে কম বয়সতে বিয়া পাতিছে আৰু নিজৰ পুৰুষ গৰাকীক হেৰুওৱা কম বয়সৰ বিধৱা গৰাকীয়ে দুই-তিনিটাকৈ ল'ৰা-ছোৱালীক কেনেদৰে পঢ়া-শুনা কৰাব, কেনেদৰে তেওঁলোকক ভাল স্বাস্থ্য দিব বা কেনেদৰে তেওঁলোকক ডাঙৰ-দীঘল কৰিব এইটো এটা জটিল প্ৰশ্ন। গতিকে আজিৰ তাৰিখত যিকোনো বাগানলৈ যদি আপুনি যায় তেতিয়াহ'লে এনেধৰণৰ মাক-দেউতাক নোহোৱা বা দেউতাক নোহোৱা অজস্ৰ ল'ৰা-ছোৱালী দেখিবলৈ পাব। আমি সেইসকল ল'ৰা-ছোৱালীয়ে যে এদিন ভাল শিক্ষা লৈ ভাল নাগৰিক হ'ব সেইটো আশা কৰিব নোৱাৰো। গতিকে যদি এই বিষয়টো গুৰুত্ব সহকাৰে ল'ব লাগে। ব্ৰিটিছসকলে উৰিষ্যা, বিহাৰ, ঝাৰখণ্ড, ৰাঁচী, মধ্যপ্ৰদেশ আদি ৰাজ্যৰ পৰা আজি যিসকলক আমি আমাৰ পূৰ্ব্বপুৰুষ বুলি কওঁ তেওঁলোকক লৈ অনা হৈছিল। ৰ'দে-বৰষুণে যিকোনো পৰিৱেশত কাম কৰিব পৰা তেওঁলোকৰ ক্ষমতা আছিল। সেইসকল লোকৰ নাতি-পুতিৰে আজি এনে অৱস্থা। আজিকালি আমি দেখিবলৈ পাওঁ যে কেৱল মহিলাসকলেহে বাগানখন চলাই আছে। আজি মহিলাসকলে কলম কাটিব লগীয়া, মেচিন লৈ দৰৱ চটিওৱা আদি সকলো কাম কৰিবলগীয়া হৈছে। কাৰণ পুৰুষসকল আজি কাম কৰাত অসমৰ্থ। বেছিভাগ চাহ বাগিছাতে

তেওঁলোকৰ শৰীৰ কাম কৰিব পৰা অৱস্থাত নাই। এইক্ষেত্ৰত নিশ্চিতভাৱে অসমৰ  যি শক্তিশালী চাহ উদ্যোগ, এই উদ্যোগত ডাঙৰ প্ৰভাৱ পৰিছে। আমি যেতিয়া এখন আইন আনো, সেই আইনখনৰ  উপযুক্ত ব্যৱহাৰত আমি যদি ব্যৰ্থ হওঁ তেতিয়া তাৰ ঠাইত শক্তিশালী আইন অনাৰ বাবে আমি চেষ্টা কৰিছো। এনেধৰণৰ বহু আইন এই পবিত্ৰ সদনতে আমি আনিছো। গতিকে আবকাৰী বিভাগৰ যি আইন আছে, আজিৰ তাৰিখত আমি সেই আইনৰ জৰিয়তে যিসকল অবৈধ চুলাই মদৰ ব্যৱসায়ী আছে তেওঁলোকক সঠিক শাস্তি দিব পৰা নাই। এনে আইন আছে যে যিসকলক আমি গ্ৰেপ্তাৰ কৰো, দ্বিতীয় দিনাই তেওঁলোকক এৰি দিবলগীয়া হয়। কিন্তু মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি যদি আমি চাওঁ যে আজি যি উঠি অহা যুৱকসকলৰ মৃত্যু হৈছে, হাজাৰ হাজাৰ মহিলা বিধৱা হৈছে, হাজাৰ হাজাৰ ল'ৰা-ছোৱালীয়ে নিজৰ দেউতাকক হেৰুৱাই সকলো অধিকাৰৰ পৰা বঞ্চিত হৈছে তাৰ কাৰণে একমাত্ৰ দায়ী সেই চুলাই মদ ব্যৱসায়ীসকল।  গতিকে মই ভাবো যে এখন সঠিক আইনৰ ব্যৱস্থা হ'ব লাগে, যি আইনৰ জৰিয়তে আমি সম্পূৰ্ণভাৱে নিশ্চিত হ'ব পাৰো যে এই চুলাই মদৰ ব্যৱসায় কৰাতো অসম্ভৱ। তেনেধৰণৰ যাতে এটা পৰিৱেশৰ সৃষ্টি হয় তাৰকাৰণে মই বিশেষভাৱে অনুৰোধ জনাইছো। যিটো লালীগুৰ আছে সেই লালীগুৰটো অন্য কামত ব্যৱহাৰ হ'ব লাগে।

**মাননীয় অধ্যক্ষঃ** আপুনি যিখিনি কথা ক'লে এইটো এটা যথেষ্ট গুৰুত্বপূৰ্ণ বিষয়। এই বিষয়টো কেৱল আপোনাৰ কাৰণে নহয়, সমগ্ৰ অসমৰ কাৰণেই এটা গুৰুত্বপূৰ্ণ বিষয়। আপোনাৰ কথাখিনি মই বুজি পাইছো। এতিয়া মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ প্ৰদান কৰিব।

**শ্ৰী অতুল বৰা, আবকাৰী বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই শূন্যকালীন ঘন্টাত মাননীয় সদস্য শ্ৰী সঞ্জয় কিষান ডাঙৰীয়াই সদনৰ মজিয়াত যিটো বিষয় উত্থাপন কৰিছে তাক মই ধন্যবাদ জনাইছো। সঁচাকৈয়ে এইবিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু এটা মাৰাত্মক সামাজিক ব্যাধি। এইবিষয়টো আমি অত্যন্ত গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছো আৰু ইয়াৰ ওপৰত আলোচনাও

কৰিছো। সেয়েহে ইয়াৰ ওপৰত বিভিন্ন ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰা হৈছে। মোৰ নিজা সমষ্টিটো বহুকেইখন চাহ বাগান আছে। খুব কম বয়সতে বা অকালতে বহু মহিলা বিধৱা হ'বলগীয়া হৈছে। অত্যাধিক মাত্ৰাত চুলাই সেৱন আৰু চুলাই কোনে কেনেকৈ বনাই আৰু ই কিমান বিষাক্ত বা কি দি বনাই সেইটোক কোৱাতো টান। কাৰণ কংগ্ৰেছ চৰকাৰ থাকোতে মই নিজেও গৈছিলো আৰু গোলাঘাটৰ বহুলোকে বিষাক্ত চুলাই সেৱন কৰি মৃত্যুক আকোৱালি ল'বলগীয়া হৈছিল। লালীগুৰটো আমাৰ কাৰণে এটা সমস্যা। এই সম্পৰ্কত পূৰ্বৰ চৰকাৰেও বহু চিন্তা-চৰ্চা কৰিছিল। সেয়েহে এই বিষয়টোক লৈ নিশ্চিতভাৱে এটা বিস্তৃত আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে। চৰকাৰে ইতিমধ্যে এই বিষয়টোৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু এইবিষয়টো সমাধান কৰিবৰ কাৰণে সকলোৰে সহায়-সহযোগিতা লাগিব। চাহ বাগান সমূহত CMS, BCMS, আটচা বা Civil Society ইত্যাদি আছে। তেওঁলোকৰ সহায়-সহযোগিতাৰে এই মাৰাত্মক ব্যাধিটো আঁতৰাবলৈ সক্ষম হ'ম। এই সন্দৰ্ভত আমাৰ আবকাৰী আইন ২০০০ খন সংশোধন কৰি অবৈধ চুলাই মদৰ অপৰাধত জামিন বিহীন অপৰাধ হিচাপে গণ্য কৰা হৈছে। ইয়াৰ উপৰিও এই অবৈধ চুলাই মদৰ অপৰাধ সমূহ নিয়ন্ত্ৰণ কৰিবৰ বাবে আৰক্ষী বিভাগকো ক্ষমতা অৰ্পণ কৰা হৈছে। চুলাই মদৰ প্ৰচলন আৰু প্ৰস্তুতিকৰণত সাধাৰণতে লালীগুৰ ব্যৱহাৰ কৰা হয়। এইক্ষেত্ৰটো চৰকাৰে জিলা উপায়ুক্ত সকলৰ জৰিয়তে লালীগুৰ নিয়ন্ত্ৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। এইক্ষেত্ৰত আমাৰ হাত নাই। কাৰণ cattle বোৰৰ কাৰণেও লালীগুৰ অনা হয়। বিভাগে নিজৰ নিয়ন্ত্ৰণৰ ওপৰত ভিত্তি কৰি অবৈধ চুলাই মদৰ বিৰুদ্ধে ব্যাপক অভিযান চলাই আছে। কিছুদিন আগতে মোৰ সমষ্টিটো বহুত লালীগুৰ উদ্ধাৰ কৰা হৈছে। জিলা আবকাৰী বিভাগৰ উপৰিও আবকাৰী চোৰাংচোৱা বিভাগ এটা ও আছে। এই বিভাগটোৱেও ব্যাপক ব্যৱস্থা হাতত লৈছে। তিনিচুকীয়া জিলাত চলিত বৰ্ষত মুঠ ১০৮ টা গোচৰ ৰজু হৈছে আৰু ১৩ জন মানুহক গ্ৰেপ্তাৰ কৰা হৈছে লগতে ৪৮০ লিটাৰ চুলাই মদ জব্দও কৰা হৈছে। চুলাই জব্দও কৰে, ভাঙেও কিন্তু আকৌ এই কামখিনি তেওঁলোকে হাতত

লয় । এইটো আমাৰ কাৰণে এটা ডাঙৰ সমস্যা হৈছে সেইকাৰণে আমি এইবিষয়টো গুৰুত্ব সহকাৰে আলোচনা কৰিম । আগতে আপোনালোক সকলোৱে  জানে যে মহলবিলাক আছিল, যিবিলাক country-made liquor . এইবাৰ চৰকাৰে এটা নতুন সিদ্ধান্ত গ্ৰহণ কৰিছে Assam made liquor বুলি। যিটো এই বাগানৰ মানুহৰ একেবাৰে বন্ধ কৰি দিব পৰাটো নাযায়, বাগান বুলি নহয় অন্যান্য গ্ৰামাঞ্চলবিলাকতো চুলাইৰ অবাধ প্ৰচলন আছে। যিটো চুলাইৰ দৰে ক্ষতিকাৰক নহয়, বিষাক্ত চুলাই খাই মৃত্যুক সাবটি লৈছে। এইবিষয়টো চৰকাৰে চিন্তা-চৰ্চ্চা কৰিছে। মই সদনৰ সকলো সদস্যকে অনুৰোধ কৰিম যে তেওঁলোকৰ নিজৰ নিজৰ সমষ্টিৰ যিবোৰ ঠাইত চুলাই মদৰ ঘাটি আছে, এই বিষয়ে যাতে তেখেত সকলে আমাক আগতিয়াকৈ জনাই তেতিয়াহলে আমি ইয়াৰ পৰা বিষয়া কৰ্মচাৰী পঠাই হ'লেও যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিম। ইয়াৰ লগতে আমাৰ সদস্য সঞ্জয় কিশান ডাঙৰীয়াৰো আন্তৰিক সহযোগিতা কামনা কৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া আমাৰ মাননীয় সদস্য সঞ্জয় কিশানে যিটো কথা কলে সেইটো অতি গুৰুত্বপূৰ্ণ কথা। কাৰণ তেখেতৰ লগৰ ৯০ শতাংশ লৰা বৰ্তমান নাই  আৰু এতিয়া বিধবাৰ সংখ্যাটো বাঢ়ি গৈছে, আৰু এইটো যিটো ব্যাধি নিশ্চিত ৰূপত চৰকাৰখনে বহুত কাম কৰিছে, সফলো হৈছে। গতিকে এই ব্যাধিতো ক্ষেত্ৰতটো নিশ্চিত ভাৱে আমি Social Engineering কৰি হ'লেও এই ক্ষেত্ৰত কিবা ব্যৱস্থা নললে জাতি এটা শেষ হৈ যাব। গতিকে এই বিষয়টো গুৰুত্ব সহকাৰে চাবলৈ মই অনুৰোধ কৰিছো। এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰক আমাৰ অসম বাতৰি কাককত প্ৰকাশিত জনীয়াত ই-ৰিক্সা বন্ধৰ নিৰ্দেশনা প্ৰত্যাহাৰৰ দাবী শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাত আমাৰ অসম বাতৰি কাকতত প্ৰকাশিত যোৱা ২৮ জুলাই

তাৰিখে ই-ৰিক্সা বন্ধৰ নিৰ্দেশনাৰ প্ৰত্যাহাৰৰ দাবী শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰিবহন ব্যৱস্থাত নতুনকৈ সংযোজিত হোৱা ই-ৰিক্সা যথেষ্ট জনপ্ৰিয় হৈছে। ই-ৰিক্সা ঠাই ভেদে নাম বেলেগ বেলেগ কৰবাত ট'মট'ম কৰবাত পিলপিলি বুলি জনা যায়। আজিৰ সময়ত মানুহৰ যাতায়ত ব্যৱস্থাৰ অত্যন্ত গুৰুত্বপূৰ্ণ সংগী হৈছে ই-ৰিক্সা। আজি গোটেই বিশ্বৰ লগতে ভাৰতবৰ্ষতো ইন্ধনৰ ব্যৱহাৰ কম কৰাৰ আহ্বান জনোৱাৰ সময়ত বেটাৰী চালিত ই-ৰিক্সাই যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ই-ৰিক্সাৰ প্ৰচলন যিমানে বেছি হয় ডিজেল, পেট্ৰলৰ ব্যৱহাৰ সিমানে কম হয়। এতিয়া আমাৰ বেছি ইন্ধন ব্যৱহাৰৰ ফলত জনজীৱনলৈ যি ভাবুকি আহিছে এই সময়ত ই-ৰিক্সা যিমানে প্ৰচলিত আমাৰ জীৱনলৈ আহা ভাবুকি সিমানে কম হব। এই ই-ৰিক্সা ৰ লগত লাখ লাখ মানুহ জৰিত হৈ আছে, লাখ লাখ মানুহে ই-ৰিক্সা চলাই জীৱন নিৰ্বাহ কৰি আছে , ই-ৰিক্সা কিনিবলৈ ৩লাখ ৫০ হেজাৰৰ পৰা ৫ লাখ পৰ্য্যন্ত টকা লাগে তেতিয়া Finance company ৰ পৰা Finance লৈ ই-ৰিক্সা চলাই , আৰু যিখিনি উপাৰ্জন হয় সদায় চলাই তাৰ পৰা কিস্তি দিয়ে। আজি এইদৰে গোটেই অসমতে লাখ লাখ ই-ৰিক্সা আছে আৰু ই-ৰিক্সাৰ ক্ষেত্ৰত প্ৰথম অৱস্থাত পৰিবহণ বিভাগৰ পৰা তেনেকুৱা নিয়ম নীতি নাথাকিলেও এতিয়া ই-ৰিক্সা চলাবলৈ হ'লে RC লাগে, চালকৰ অনুজ্ঞা পত্ৰ লাগে, আৰু বীমা কৰিব লাগে। আৰু এই RC ৰ কাৰণে পৰিবহণ বিভাগক ই-ৰিক্সা ৰ মালিক সকলে ধন দিব লাগে। ঠিক তেনেদৰে বীমা কোম্পানীক ধন দিয়াৰ ফলত বীমা লাভ কৰে লগতে চালকৰ অনুজ্ঞা পত্ৰ ও এটা নিৰ্দিষ্ট নিয়মৰ মাজেৰে লাভ কৰে। এতিয়া ই-ৰিক্সা বোৰক Fitness certificate লাগে আৰু ইয়াৰ বাবে পৰিবহণ বিভাগে ধন লাভ কৰে। এইদৰে ই-ৰিক্সা চালক সকলে পৰিবহণ বিভাগৰ স্বীকৃতি প্ৰাপ্ত হয়। এই ই-ৰিক্সা পৰিবহণ বিভাগত ৰাইজৰ কাৰণে এক সুবিধাৰ সৃষ্টি কৰিছে। যোৱা কিছুদিন ধৰি পৰিবহণ

বিভাগে বৰপেটা জিলাত প্ৰশাসনৰ জৰিয়তে কিছুমান ৰাস্তাত ই-ৰিক্সা চলাচল বন্ধ কৰি দিছে। ৰাষ্ট্ৰীয় ঘাইপথত বন্ধ কৰিছে, হাউলীৰ পৰা বৰপেটালৈ যোৱা ৰাস্তাত ই-ৰিক্সাৰ চলাচল বন্ধ কৰিছে। ইয়াৰ ফলত হাজাৰ হাজাৰ ই-ৰিক্সা চালক সকলৰ ক্ষতিগ্ৰষ্ট হৈছে । তেওঁলোকে ই-ৰিক্সাৰ কিস্তি দিব পৰা নাই, নিজৰ পৰিয়ালক পোহপাল দিব পৰা নাই। এই কথাবিলাক যেতিয়া আমি প্ৰশাসনৰ লগত পাতিছিলো আমি তেওঁলোকৰ পৰা কোনো উত্তৰ পোৱা নাছিলো। গতিকে মই পৰিবহণ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত ই-ৰিক্সা চলাচল বন্ধ কৰি থৈছে। যাৰ ফলত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। সেইবোৰ ঠাই হৈছে কালজাৰ, জাৰাবাৰী, মাজগাওঁ, জনীয়া, ঘিলাজাৰী মৌজা, হাউলী বৰপেটা ইত্যাদিৰ মানুহখিনিৰ কাৰণে যথেষ্ট অসুবিধা হৈছে। আজি ই-ৰিক্সাৰ চালক সকলে মুৰে কপালে হাত দি ঘৰত বহি থাকিব লগা হৈছে । তেওঁলোকে ধৰ্না, স্মাৰক পত্ৰ  পৰ্য্যন্ত দিছে প্ৰশাসনক অনুৰোধ কৰিছে কিন্তু কোনো কামত অহা নাই  । কিন্তু তেওঁলোকে পৰিবহণ বিভাগক ধন জমা দি নিয়ম-নীতিৰ মাজেৰে ই-ৰিক্সা  চলাই আছে । গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে পৰিবহণ বিভাগে বা প্ৰশাসনে যি ই-ৰিক্সা  চলাচল বন্ধ কৰিছে সেইটো সোনকালে খুলি দিব লাগে। তেওঁলোকক কোনো বাধা দিব নালাগে। এইটো কথা হয় দূৰ্ঘটনাৰ ক্ষেত্ৰত ই-ৰিক্সা ও দায়ী। কিন্তু বিমান বা অন্যান্য গাড়ী বিলাকৰো দূৰ্ঘটনা হয়। কিন্তু ই-ৰিক্সা ই দূৰ্ঘটনা কৰা বুলি সেই চালক সকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ পেটত যদি আমি হাত দিওঁ সেইটো ভাল কথা নহয়। গতিকে মই অনুৰোধ জনাওঁ যে পৰিবহণ বিভাগে বৰপেটাত ই-ৰিক্সা ৰ ক্ষেত্ৰত যি নিষেধাজ্ঞা জাৰি কৰিছে এইখিনি উঠাই দিব লাগে, দৰকাৰ হ'লে কিছুমান নতুন নিয়ম নীতি বান্ধি দিব লাগে, দৰকাৰ হ'লে চালক সকলক প্ৰশিক্ষণ দিব লাগে। কিন্তু চলাচল বন্ধ কৰি দিব নালাগে কাৰণ এইটো ই-ৰিক্সা চালক সকলৰ কাৰণেও ক্ষতিকাৰক আৰু সাধাৰণ ৰাইজৰ  কাৰণেও ক্ষতিকাৰক। গতিকে মই মননীয় মন্ত্ৰীৰ পৰা এটা ইতিবাচক উত্তৰ বিচাৰিছো।

**माननীয় অধ্যক্ষঃ** माननীয় পৰিবহণ মন্ত্ৰী।

**শ্ৰী চৰন বড়ো,মন্ত্ৰী, পৰিবহণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, শূন্যকালীন ঘন্টাত আমাৰ মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন সিকদাৰে আমাৰ অসম বাতৰি কাকতত যোৱা ২৭ জুলাই তাৰিখে প্ৰকাশিত জনীয়াত ই-ৰিক্সা চলাচল বন্ধৰ নিৰ্দেশনা প্ৰত্যাহাৰৰ দাবী। এই শীৰ্ষক প্ৰকাশিত বাতৰিটোয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে। আমি সকলোৱে জানো যে বৰ্তমান সময়ত ই-ৰিক্সা পৰিবহণ বিভাগৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হৈ পৰিছে। বিশেষকৈ গাওঁ, অৰ্ধ নগৰ, আৰু পৌৰসভাৰ অঞ্চল সমূহত যাত্ৰী সকলক মূল পৰিবহণ ব্যৱস্থাৰ সৈতে সংযোগ কৰি Last Mile connectivity প্ৰদান কৰাত ই-ৰিক্সাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইয়াৰ ওপৰিও যাত্ৰী অনা নিয়া কৰাই নহয় স্থানীয় কিছুমান সৰু সুৰা সামগ্ৰী কঢ়িওৱাৰ ক্ষেত্ৰতো E-Cart  বহুল ভাৱে ব্যৱহাৰ কৰা হৈছে। তেখেতে যিটো বিষয় উত্থাপন কৰিছে এই বিষয়ে আমি বৰপেটা জিলাৰ জিলা পৰিবহণ বিষয়াৰ তথ্য অনুসৰী আমি যিখিনি গম পাইছো, জিলাখনত পথ সুৰক্ষাৰ ব্যৱস্থা কৰা, যান-জত নিয়ন্ত্ৰনৰ ক্ষেত্ৰত জিলা দণ্ডাধীশ বৰপেটাই পৰবৰ্তী নিৰ্দেশ নিদিয়া পৰ্য্যন্ত ১২ জুলাই ২০২৬ তাৰিখে জাৰি কৰা এক আদেশৰ জৰিয়তে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু চাউলখোৱা দলংৰ পৰা হাউলী লৈকে ৰাজ্যিক ঘাইপথৰ অংশত ই-ৰিক্সা  চলাচল সম্পূৰ্ণ ভাৱে নিষিদ্ধ কৰিছে। এই ক্ষেত্ৰত মই কব বিচাৰো যে আমাৰ অসম বাতৰিকাকতত প্ৰকাশিত বাতৰিটো সম্পূৰ্ণ ভাৱে সত্য নহয় । কিয়নো বাতৰিটোত জিলা প্ৰশাসনে জিলাখনৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু সকলো ৰাজ্যিক ঘাইপথত ই-ৰিক্সা  চলাচল সম্পূৰ্ণ ভাৱে নিষিদ্ধ কৰা বুলি অভিযোগ উত্থাপন কৰা হৈছে। বাস্তৱতে জিলা প্ৰশাসনে অকল ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু চাউলখোৱা দলংৰ পৰা হাউলী লৈকে ৰাজ্যিক ঘাইপথৰ অংশত ই-ৰিক্সা ৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰিছে। এইখিনি ঠাইৰ বাহিৰে জিলা প্ৰশাসনে কোনো ৰাজ্যিক ঘাইপথতে ই-ৰিক্সা ৰ চলাচলত বাধা আৰোপ কৰা নাই। Ministry of Road Transport and Highways ২০১৬ চনৰ ৩০ আগষ্টত এক নিৰ্দেশ যোগে ই-ৰিক্সা আৰু E-Cart চলাবলৈ অনুমতিৰ প্ৰয়োজনীয়তা বাতিল কৰিছে । অৱশ্যে প্ৰয়োজন অনুসৰি নিদিষ্ট

কোনো ৰাস্তা বা অঞ্চলত ই-ৰিক্সা বন্ধ বা নিয়ন্ত্ৰণ কৰাৰ সম্পূৰ্ণ অধিকাৰ ৰাজ্য চৰকাৰ সমূহক দিয়া হৈছে। ইয়াত সম্পূৰ্ণ আমাৰ অধিকাৰ আছে। ইয়াৰ বাবে নিষেধাজ্ঞা জাৰি কৰাৰ মূল কাৰণ কেইটা হ'ল – ১) ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যিক ঘাইপথ সমুহত ই-ৰিক্সাৰ দৰে ধীৰ গতিৰ যান-বাহন চলাচল সম্পূৰ্কে পূৰ্বৰে পৰা থকা নিয়মসমূহ কাৰ্য্যকৰী কৰা। যাতে দূৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰি মানুহৰ প্ৰাণ ৰক্ষা কৰিব পৰা যায়।

২) National Highway Authority of India ই DRSC ত এখন চিঠি দিছিল যে তেওঁ হাইৱেত সুৰক্ষা দিয়াৰ ক্ষেত্ৰত এই সৰু সৰু ই-ৰিক্সাৰ দৰে কিছুমান যান-বাহন চলাচল কৰাৰ ক্ষেত্ৰত বহুতো অসুবিধাত পৰিছে । তাৰ কাৰণে তেখেতসকলে DRSC ক অনুৰোধ কৰিছিল যে ই-ৰিক্সা চলাৰ ক্ষেত্ৰত যাতে বাধা আৰোপ কৰে।

গতিকে National Highway Authority of India ৰ ফালৰ পৰাও এটা অনুৰোধ আছিল আৰু তাৰ পিছত DRSC বৰপেটাই লক্ষ্য কৰিছিল যে পথ বা অঞ্চলসমূহ অতিক্ৰম কৰি NH-27 আৰু ৰাজ্যিক ঘাইপথত চলাচল ই-ৰিক্সাবিলাকে কৰি আছে।

**মাননীয় অধ্যক্ষঃ** জনিয়াতো National Highway নাই।

**শ্ৰী চৰণ বড়ো, মন্ত্ৰী, পৰিবহণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, জনিয়াত National Highway নাই। তাত কোনো ই-ৰিক্সা চলাচলত বাধা থাকিব নালাগে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, মন্দিয়াঃ** ৰাজ্যিক হাইৱে কৰাৰকমৰ পৰা বৰপেটালৈ তাত বন্ধ কৰি থৈছে। তাত কোনো National Highway নাই।

**শ্ৰী চৰণ বড়ো, মন্ত্ৰী, পৰিবহণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, চাউলখোৱাৰ পৰা National Highway লৈকে যিখিনি ৰাজ্যিক হাইৱে, সেই

অংশটো বন্ধ কৰি ৰখা হৈছে  আৰু National Highway ত বন্ধ কৰা হৈছে। বাকী তেনেকুৱা কতো বন্ধ কৰা হোৱা নাই।

**শ্ৰী শ্বেৰমান আলি আহমেদ, মন্দিয়াঃ** জনিয়াৰ পৰা বৰপেটা এই অংশখিনি অতি গুৰুত্বপূৰ্ণ, এইখিনি বন্ধ কৰিব নালাগে।

**শ্ৰী চৰণ বড়ো,  মন্ত্ৰী, পৰিবহণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন কাৰণত DRSC য়ে সিদ্ধান্ত ল'ব পাৰে আৰু DRSC ক অধিকাৰটো দিয়া হৈছে, সেইমতে বিভিন্ন কাৰণ চাই  তেখেতসকলে এই সিদ্ধান্ত লৈছে।

এইটো কথাও বহু চিন্তা জনক, জিলাখনত পথ দূৰ্ঘটনাৰ হাৰ চিন্তাজনক ভাৱে বৃদ্ধি হৈছে। এতিয়া ৰাজ্য হিচাপে চাবলৈ গলে বৰপেটা জিলাখন ৮ নম্বৰত আছে। আপোনালোকক মই জনাব পাৰিম – বৰপেটা জিলাত জানুৱাৰী মাহত পথ দূৰ্ঘটনা হৈছিল – ৪৭ টা আৰু মৃত্যুৰ সংখ্যা আছিল – ১১। ফেব্ৰুৱাৰী মাহত পথ দূৰ্ঘটনা হৈছিল – ৩৫ টা আৰু মৃত্যুৰ সংখ্যা আছিল – ১৪। মাৰ্চ মাহত পথ দূৰ্ঘটনা হৈছিল – ৫৭ টা আৰু মৃত্যুৰ সংখ্যা আছিল – ১৫। এপ্ৰিল মাহত পথ দূৰ্ঘটনা হৈছিল – ৫০ টা আৰু মৃত্যুৰ সংখ্যা আছিল – ১৭। মে মাহত পথ দূৰ্ঘটনা হৈছিল – ৫১ টা আৰু মৃত্যুৰ সংখ্যা আছিল – ৭। জুন মাহত পথ দূৰ্ঘটনা হৈছিল – ৬৩ টা আৰু মৃত্যুৰ সংখ্যা আছিল – ১৬। মানে ৰাজ্য হিচাপে চাবলৈ গলে বৰপেটা ৮ নম্বৰত আছে। গতিকে গোটেইখিনি কথা চিন্তা কৰি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথ সমূহত দূৰ্ঘটনা ৰোধ তথা সুচল যান-বাহন ব্যৱস্থাপনা নিশ্চিত কৰাৰ উদ্যেশে এই সামুহিক পদক্ষেপ গ্ৰহণ কৰা হৈছে। অৱশ্যে গ্ৰাম্য অঞ্চল আৰু চহৰৰ ভিতৰত সৰু সৰু পথবোৰত জনসাধাৰণৰ সুচল যাতায়তৰ বাবে ই-ৰিক্সা চলাচল পূৰ্বৰ দৰে অব্যাহত আছে। বাকী বিলাকত আগৰ দৰে চলি থাকিব। মই ক'ব বিচাৰো, এই যিখিনি পথৰ কথা আজি ইয়াত কৈছো NH-27 আৰু চাউলখোৱাৰ পৰা যিখিনি ৰাজ্যিক হাইৱে, ইয়াৰ বাহিৰে যদি কৰবাত তেনেকুৱা হৈছে, আপোনালোকে জিলা পৰ্য্যায়ত RTA আছে, DRSC আছে, আপোনালোককো নিশ্চয় ইয়াত সদস্য হিচাপে লৈছে নে নাই, মই সেইটো

সম্পূৰ্ণভাৱে অৱগত নহয়। ইয়াত আপোনালোকে কথা পাতিলে সেইটো জানিব পাৰিব। কিন্তু এই সদনত মই আপোনাৰ জৰিয়তে অনুৰোধ জনাব বিচাৰিছো, আমাৰ বৰ্তমান ৰাইজৰ যি পৰিস্থিতি, পথ দুৰ্ঘটনাৰ সংখ্যাটো যোৱা বছৰতকৈ অলপ বৃদ্ধি হৈছে আৰু ইয়াৰ ফলত মৃত্যুৰ সংখ্যাও বৃদ্ধি হৈছে। তাৰ কাৰণে এই ক্ষেত্ৰত আমি সকলো বিধায়কে নিজৰ নিজৰ জিলাত কাম কৰিব লাগিব, আমাৰ Supreme Court য়ে বাৰে বাৰে নিৰ্দেশনা দিছে, তাৰ কাৰণে এই ক্ষেত্ৰত সকলোকে সহযোগ কৰিবৰ কাৰণে মই অনুৰোধ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। কিন্তু কথা হৈছে কি, চাউলখোৱাৰ পৰা NH-27 লৈ বন্ধ আছে। সেইখিনিটো জনীয়াত নপৰে। আপোনালোকৰ বিষয়টো হৈছে

...............(Interruption)

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো বৰপেটা জিলাত বুলি লিখা আছে। মোৰ কথাটো হৈছে যে চাউলখোৱাৰ পৰা হাউলীলৈ যিটো বন্ধ কৰিছে, সেইটো খুলি দিব লাগে।

**মাননীয় অধ্যক্ষঃ** ইয়াত লিখা আছে যে ''জনীয়াত ই-ৰিক্সা বন্ধৰ নিৰ্দেশনা প্ৰত্যাহাৰৰ দাবী''

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে যে চাউলখোৱাৰ পৰা হাউলীলৈ যিটো বন্ধ হৈ আছে, সেইটো বন্ধ কৰাৰ কোনো যুক্তি নাই, গতিক সেইটো খুলি দিব লাগে আৰু মন্ত্ৰী ডাঙৰীয়াই National Highway ৰ কথা কৈছে। National highway ত Service Road থাকিব লাগে। কিন্তু আমাৰ সেই এলেকাবিলাকত Service Road নাই। National Highway ৰ authority য়ে guideline ঠিকেই দিছে। কিন্তু National Highway থকাৰ লগে লগে তাত Service Road ও থাকিব লাগে। কিন্তু, Service Road নাথাকিলে মানুহ কেনেকৈ যাব।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই অনুৰোধ কৰিছো চাউলখোৱাৰ পৰা হাউলীলৈ খুলি দিব লাগে। আপোনাৰ ফালৰ পৰাও নিৰ্দেশনা দিব লাগে। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছোঁ, চাউলখোৱাৰ পৰা হাউলীলৈ এই পথটো গ্ৰাম্য অঞ্চলৰ মাজেৰে গৈছে। ইয়াক যদি বন্ধ কৰে, যথেষ্ট ক্ষতি হ'ব। সেইটো মই অনুৰোধ কৰিছোঁ ।

**মাননীয় অধ্যক্ষ :**মন্ত্ৰী ডাঙৰীয়া, পৰীক্ষামূলকভাৱে চাউলখোৱাৰ পৰা হাউলীলৈ তিনি মাহৰ বাবে খুলি দি চাওক। যদি আকৌ কিবা তেনেকুৱা ঘটনা ঘটে, DRSC য়ে আকৌ সিদ্ধান্ত লৈ ল'ব।

**শ্ৰী চৰণ বড়ো, মন্ত্ৰী, পৰিবহণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি RTA আৰু DRSC ৰ লগত পুনৰ কথা পাতিম। Highway ৰ ক্ষেত্ৰত বহুত অসুবিধা আছে। Highway ত minimum speed 100 হয়।

**মাননীয় অধ্যক্ষ :**Highway ত নালাগে। চাউলখোৱা ৰ পৰা হাউলীলৈ পৰীক্ষামূলকভাৱে তিনি মাহৰ বাবে খুলি দিয়ক।

**শ্ৰী চৰণ বড়ো, মন্ত্ৰী, পৰিবহণ বিভাগ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে।

**মাননীয় অধ্যক্ষ:** এতিয়া মই মাননীয় সদস্য শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰক ''অসমীয়া প্ৰতিদিন'' বাতৰি কাকতত প্ৰকাশিত ধুবুৰী জিলাৰ " বটেৰহাটত আৰক্ষী চকী নিৰ্মাণৰ দাবী'' অবাধে চলিছে ড্ৰাগছ,মদ, জুৱাৰ প্ৰচলন'' শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰক:** মাননীয় অধ্যক্ষ মহোদয়, আজি zero hour ৰ জৰিয়তে বটেৰহাট অঞ্চলত এখন আৰক্ষী চকী স্থাপনৰ যি ৰাইজৰ দাবী, সেইখিনি উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু বিভাগীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰোঁ যে বটেৰহাট অঞ্চলখন হ'ল আমাৰ গৌৰীপুৰ সমষ্টিৰ একেবাৰে পশ্চিম প্ৰান্তত, গংগাধৰ নৈৰ

পশ্চিমফালে অৱস্থিত এখন ভিতৰুৱা অঞ্চল। এই বটেৰহাট অঞ্চলত আজিৰ পৰা ত্ৰিশ বছৰ আগত এটা watchpost আছিল। সময় বাগৰি যোৱাৰ লগে লগে watchpost টো নোহোৱা কৰি দিয়া হৈছিল। কিন্তু আজিৰ দিনত এনেকুৱা এটা অৱস্থা হৈছে, বিশেষকৈ কৰৌমাৰী অঞ্চলবিলাকত, দীঘলতাৰি, বিদ্যাৰ্থীবাৰী, লহাজানী, মৰাজদাৰ আদি অঞ্চলত ড্ৰাগছৰ এনেকুৱা পয়োভৰ হৈছে যিটো আমি ভাষাত প্ৰকাশ কৰিব নোৱাৰো। মই নাজানো আইনীভাৱে কি ইয়াৰ সুৰুঙা আছে, ড্ৰাগছ ব্যৱসায়ীসকলক যদি আৰক্ষীয়ে কেতিয়াবা ধৰি লৈ যায়, অতি কম সময়ৰ ভিতৰতে তেওঁলোক ওলাই আহে। ইয়াৰ উপৰিও, এই অঞ্চলবিলাকত আজিৰ দিনত চোৰৰ এনেকুৱা তাণ্ডৱ হৈছে যে প্ৰতিদিনেই কোনোবা নহয় কোনোবা ঘৰত চুৰিকাণ্ড সংঘটিত হৈছে। বিশেষকৈ পশুধন চুৰিৰ ঘটনা ইমান বাঢ়িছে যে মানুহে টোপনি যাব পৰা অৱস্থাত নাই। আৰু এই অঞ্চলবিলাকত তীৰ আৰু জুৱা খেল এনেকুৱাকৈ বৃদ্ধি পাইছে যে বিশেষকৈ ছাগলী আৰক্ষী চকী আৰু হালাকুৰা আৰক্ষী চকী আছে যদিও দুয়োখন দূৰত অৱস্থিত আৰু দুয়োটাই পশ্চিমবংগ সীমান্ত সংলগ্ন হোৱাৰ কাৰণে বিশেষকৈ এই দুখন আৰক্ষী চকীৰ দৃষ্টি সকলো সময়তে পশ্চিমবংগ অঞ্চলতে আৰু ৰাষ্ট্ৰীয় ঘাইপথ centric থকাৰ বাবে ভিতৰুৱা অঞ্চলসমূহত সময় বেছি নিদিয়ে। লগতে কি হয়, আমাৰ এই বটেৰহাট অঞ্চলত কেইবাখনো শিক্ষা-প্ৰতিষ্ঠান আছে, সেই শিক্ষা-প্ৰতিষ্ঠানত যিবিলাক ছাত্ৰ –ছাত্ৰী আছে, ড্ৰাগছৰ পয়োভয়ৰ কাৰণে এনেকুৱা হৈছে, আমি এই উঠি অহা প্ৰজন্ম অৰ্থাৎ সৰু সৰু লৰা-ছোৱালী বিলাক অহা দিনত এই ড্ৰাগছত আসক্ত হৈ যায়, তেনেহলে আমাৰ সেই অঞ্চলত শিক্ষিত সমাজ, সচেতন সমাজ, আমি সকলোৱে উত্তৰ বিহীন হ'ব লাগিব আৰু এইটো control ৰ বাহিৰত গুছি যাব । সেই কাৰণে সেই অঞ্চলত সচেনত ব্যক্তিসকলৰ দাবী, ৰাইজৰ দাবী যে বিশেষকৈ বটেৰহাট অঞ্চলত এখন আৰক্ষী চকীৰ প্ৰয়োজন আৰু এখন আৰক্ষী চকী যদি হয়, সেই অঞ্চলৰ চুলাই মদৰ কাৰবাৰো বন্ধ হ'ব, চুলাই মদৰ কাৰণে এনেকুৱা হৈছে বহুতো আমাৰ বিধৱা তিৰোতা এনেকুৱা মোলৈহে খং  কৰি থাকে যে চুলাই মদৰ কাৰণে আমাৰ

সংসাৰত কাজিয়া লাগিছে। আমি সংসাৰত শান্তিত জীৱন যাপন কৰিব পৰা নাই। সেইকাৰণে মই বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিছোঁ। মানে শিক্ষাৰ যিটো আমাৰ প্ৰয়োজন, আমাৰ উঠি অহা যুৱ সমাজ, যিটো শিক্ষিত সমাজ হ'ব, সেই সকলক যাতে আমি বচাই ৰাখিব পাৰোঁ। চোৰৰ পৰা যাতে আমাৰ এই অঞ্চলৰ মানুহ শান্তিত টোপনি যাব পাৰে আৰু এই অঞ্চলৰ তীৰ-জুৱাৰ খেল যাতে বন্ধ হয়, চুলাই মদ বন্ধ হয়, এইবিলাক যাতে সামগ্ৰিকভাৱে বন্ধ যদি আমি কৰিব যাও তেনেহ'লে এটাই উপায় আছে সেই অঞ্চলত এখন আৰক্ষী চকীৰ প্ৰয়োজন। সেইকাৰণে মই বিধায়ক হিচাপে অনুৰোধ কৰিছোঁ, সেই বিস্তৃত অঞ্চলত মানুহৰ সম্পূৰ্ণ নিৰাপত্তা, শিক্ষা, গোটেইখিনি সাঙুৰী যাতে আমি অহা দিনত সুস্থভাৱে জীয়াই থাকিব পাৰোঁ, আগৰ দৰে মানুহে জীয়াই থাকিব পাৰে, তাৰ কাৰণে এখন আৰক্ষী চকীৰ প্ৰয়োজন। সেইকাৰণে মই বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিছোঁ, এই বিষয়ত যাতে দৃষ্টি আকৰ্ষণ কৰি আমাৰ বিভাগীয়ভাৱে নিৰ্দেশনা দিয়ে, যাতে খুব কম সময়ৰ ভিতৰত বাটেৰহাট অঞ্চলত এখন আৰক্ষী চকী স্থাপন কৰা হয়। এইখিনি কৈয়ে মোৰ বক্তব্য সামৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** :- ধন্যবাদ । এতিয়া গৃহ বিভাগৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** :- সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, বাটেৰহাট গাঁও বা বাটেৰহাট অঞ্চলত মাননীয় সদস্যগৰাকীয়ে উল্লেখ কৰাৰ দৰে যি যি ঘটনা ঘটি আছে, সেই ঘটনাখিনি সঁচাকৈ উদ্বেগজনক আৰু সেই ঘটনাবিলাক ৰোধ কৰিব লাগে, নহ'লে মানুহ শান্তিত থাকিব নোৱাৰে। আৰু অধ্যক্ষ ডাঙৰীয়া, এই অঞ্চলত অলপ চোৰ-ডকাইত, drug peddler আজি বহুত ধৰণে বেছি তেখেতে নিজেও স্বীকাৰ কৰিছে। কিন্তু অধ্যক্ষ মহোদয়, এই বাটেৰহাট ঠাইখন গোলকগঞ্জ থানাৰ অন্তৰ্গত আৰু হালাকুড়া outpostৰ অন্তৰ্গত। হালাকুড়া outpostৰ পৰা মাত্ৰ বাটেৰহাট অঞ্চলটো ৪ কিলোমিটাৰ দূৰত্বত অৱস্থিত। গতিকে ৪ কিলোমিটাৰতে আৰু এখন থানা বা আৰু এখন outpost বনোৱাটো

সম্ভৱ নহয়। কিন্তু অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্যগৰাকীয়ে যিহেতু কথাটো গুৰুত্ব সহকাৰে কৈছে আৰু বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণও, গতিকে মই বিভাগক নিৰ্দেশ দিম এই হালাকুড়া outpostটো যাতে আমি আৰু অলপ শক্তিশালী কৰিব পাৰোঁ। আৰু এই বাটেৰহাট গাঁৱত বা বাটেৰহাট অঞ্চলত যাতে patrolling য়ে হওক বা অন্য ব্যৱস্থা হওক, যাতে strictly, strongly ল'ব পাৰে, যাতে বাটেৰহাট অঞ্চলত এই চুলাই মদ, এই গৰু চোৰ, drug peddler, জুৱা এই সকলোবিলাক যাতে বন্ধ হয়। কিন্তু অধ্যক্ষ ডাঙৰীয়া, আকৌ কৈছোঁ, মাত্ৰ ৪ কিলোমিটাৰ।

**শ্ৰীআব্দুছ ছোবাহান আলী সৰকাৰ (গৌৰীপুৰ) :-** মন্ত্ৰী মহোদয়, মই জানিব বিচাৰিছোঁ, মানে বাটেৰহাট অঞ্চলৰ কিছুমান গাঁও আছে হালাকুড়া থানাৰ অন্তৰ্গত, কিন্তু maximum গাঁও আছে ছাগলীয়া আৰক্ষী চকীৰ অন্তৰ্গত, কিন্তু তাৰ পৰা বহুত দূৰ। কিন্তু যিখিনি service আমি সেই অঞ্চলত পাব লাগে, সেইখিনি নাপাওঁ। মই কমচেকম বিচাৰিছোঁ, যদি outpost দিয়া নহয়, কমচেকম তাত এটা watch post দিব লাগে।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** :- ঠিক আছে।

**শ্ৰীআব্দুছ ছোবাহান আলী সৰকাৰ (গৌৰীপুৰ) :-** Watch post ৰ এটা ব্যৱস্থা কৰিবলৈ আবেদন কৰিছোঁ যাতে সেই অঞ্চলখিনি সাঙুৰি লৈ patrolling থাকে আৰু আমাৰ শিক্ষিত সমাজ খন যাতে ঠিকেই থাকে।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** :- যদি patrolling ৰ ব্যৱস্থা হয়, নিশ্চয়কৈ কৰিবলৈ মই আৰক্ষী বিভাগক নিৰ্দেশ দিম।

**মাননীয় অধ্যক্ষ** :- ঠিক আছে। Thank you. এতিয়া মই, মাননীয় সদস্য ডাঃ আছিফ মহম্মদ নাজাৰক "গৰাখহনীয়াৰ ফলত মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ পৰা মানুহ গৈ উৰিয়ামঘাটত থিতাপি লৈছিল আৰু তাতে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিছিল। কিন্তু উৰিয়ামঘাটৰ পৰা উচ্ছেদিত কৰাৰ পাছত এইসকল মানুহ মৰিগাঁও জিলাৰ নিজৰ নিজৰ অঞ্চললৈ ঘূৰি অহাৰ পাছত যেতিয়া

ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিব বিচাৰিলে আৰু বিভাগে দিয়া নীতি-নিৰ্দেশ মৰ্মে প্ৰথমে ৮ নম্বৰ ফৰ্ম, পাছত ৬ নম্বৰ ফৰ্মৰ যোগেদি নাম দিছিলে যদিও বিভাগীয় কৰ্তৃপক্ষই নামখিনি অন্তৰ্ভুক্ত নকৰিলে।" শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** :- মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে কিছুদিন আগতে উৰিয়ামঘাটত উচ্ছেদ হৈছিল। মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ লগতে লাহৰীঘাট সমষ্টিৰ বহু মানুহে গৰাখহনীয়াৰ কবলত পৰি সৰ্বহাৰা হৈ গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ বাসিন্দা হৈছিল। আগতে তেওঁলোক লাহৰীঘাট সমষ্টিৰ ভোটাৰ আছিল আৰু এতিয়াও যদি আপুনি চায়, পূৰ্বৰ লাহৰীঘাটৰ ভোটাৰ তালিকাত তেওঁলোকৰ নাম আছে। তেওঁলোকৰ মাটি আৰু নথি-পত্ৰ এতিয়াও লাহৰীঘাটতে আছে। আৰু অসম চৰকাৰে যেতিয়া উচ্ছেদ কৰিলে, উচ্ছেদৰ পাছত এই মানুহবোৰ যেতিয়া লাহৰীঘাটলৈ ঘূৰি আহিলে, আহি লাহৰীঘাটৰ ভোটাৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰাৰ বাবে আবেদন কৰিলে। এই আবেদন কৰাৰ পাছত বিভাগীয় নীতি-নিয়মমতে BLO য়ে যোৱা জানুৱাৰীৰ ১০ তাৰিখে Form 8 fill up কৰিবলৈ দিলে। BLO সকলে fill up কৰাৰ পাছত Supervisor আৰু ERO সকলে গোটেই নথি-পত্ৰ চালি-জাৰি স্বাক্ষৰো কৰিলে, চহীও কৰিলে। তাৰ পিছতো বিভাগীয় কৰ্তৃপক্ষৰ, হেমাহিৰ ফলত তেখেত সকলক অন্তৰ্ভুক্ত কৰাৰ কথাটো ওলোৱা নাই। এই মানুহ বোৰৰ নাম কিন্তু ভোটাৰ তালিকাত অন্তৰ্ভুক্ত নকৰিলে। ইয়াৰ পাছত আকৌ কিছুদিন পিছত বিভাগীয় কৰ্তৃপক্ষই Form 6ৰ জৰিয়তে আবেদন কৰিবলৈ দিলে আৰু BLO সকলে আকৌ অনলাইনত Form 6ৰ জৰিয়তে আবেদন কৰিলে ২ ফেব্ৰুৱাৰীত, আকৌ সময় উকলি গ'ল। তাৰ পিছত আকৌ বিভাগীয় কৰ্তৃপক্ষই আবেদন কৰিব দিলে, BLO সকলে মে' মাহৰ ২১ তাৰিখে আকৌ এই মানুহবোৰৰ নাম আবেদন কৰিলে। তাৰ পিছত মানুহবোৰে গৈ লাহৰীঘাটৰ সম জিলাত CDPO ডাঙৰীয়ানীকো এই কথা জনালে, কিন্তু কোনো উত্তৰ নাপালে। মই নিজেও আমাৰ মৰিগাঁও জিলাৰ জিলা আয়ুক্ত ডাঙৰীয়ানীক

এই বিষয়টো জনাইছিলোঁ আৰু তেখেতে কৈছিলে যে যোৱা বিধান সভা নিৰ্বাচনৰ পিছত কামবোৰ আকৌ হ'ব। আৰু মই নিজেও অধ্যক্ষ মহোদয়, এই লেটাৰৰ যোগেদি তেখেতক জনাইছিলোঁ। কিন্তু এতিয়ালৈকে এই মানুহবোৰৰ নাম অন্তৰ্ভুক্ত কৰা নহ'ল। আৰু একে পৰ্যায়ৰ মানুহ অসমৰ বিভিন্ন জিলাত, যিসকল উৰিয়ামঘাটত আছিল উচ্ছেদ কৰাৰ পিছত সেইসকলৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হ'ল। নগাঁওকে কওঁক, হোজাইয়ে কওঁক বা বিভিন্ন জিলাৰ মানুহবোৰ অন্তৰ্ভুক্ত হ'ল। কিন্তু মোৰ লাহৰীঘাট সমষ্টিৰ প্ৰায় ১,০০০ মানুহ এতিয়ালৈকে ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা নহ'ল। উপযুক্ত নথি-পত্ৰ থকাৰ পিছতো, সকলো দিয়াৰ পিছতো তেখেতসকলক কিয় অন্তৰ্ভুক্ত কৰা হোৱা নাই? কাৰণ এই মানুহবোৰে গৰাখহনীয়াৰ কবলত পেটৰ তাগিদাত এই উৰিয়ামঘাটত গৈ কাৰোবাৰ ঘৰত কাম কৰি আছিল, শাক-পাচলি বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰিছিল। আৰু যেতিয়া উচ্ছেদ কৰিলে মানুহবোৰ ঘুৰি আহিলে লাহৰীঘাটলৈ, নিজৰ নিজৰ অঞ্চললৈ ঘুৰি আহিছে। পূৰ্বতে ভোটাৰ তালিকাত তেওঁলোকৰ নাম আছিল। Form 8 মানে কি, অধ্যক্ষ মহোদয়? Form 8 টো হ'ল আপোনাৰ বাসস্থান বদলি। যি ক'ৰবাত থাকে বা বেলেগ ঠাইত আহিলে বাসস্থান বদলিৰ কাৰণে দিয়ে। কিন্তু Form 8 টো fill up কৰিব দিয়ে যেতিয়া উৰিয়ামঘাটত সেই মানুহবোৰৰ নাম ভোটাৰ তালিকাৰ পৰা cancel কৰি দিলে, delete কৰি দিলে, তাৰ পিছত আকৌ Form 6 দিলে। Form 6 টো হৈছে নতুন ভোটাৰৰ বাবে আবেদন। মানুহবোৰক নতুন ভোটাৰ বনাই দিলে। যিহেতু, ........

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** :- ছাৰ, মই সদস্য গৰাকীক সুধিব খুজিছো মানুহখিনি বৰ্তমান ক'ত আছে? তেওঁলোকৰ নিজৰ মাটি আছেনে?

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** :- আছে। তেওঁলোক গৰাখহনীয়াগ্ৰস্ত  মানুহ। সকলো নথি-পত্ৰ আছে।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** :- বৰ্তমান ক'ত আছে?

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** :- লাহৰীঘাটত আছে।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** :- বৰ্তমান বেলেগৰ ঘৰত আছে।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** :- নহয়, নহয়, নিজৰ নিজৰ ঘৰত লাহৰিঘাটত।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** :- নিজৰ ঠাইত আছে?

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** :- আছে, হয়।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** :- নিজৰ ঠাইত আছে?

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** :- নিজৰ ঠাইত আছে, হয়।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** :- Point টো মই note কৰিলোঁ।

**মাননীয় অধ্যক্ষ** :- তাৰ পিছত।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** :- গতিকে মই ক'ব বিচাৰোঁ যে লাহৰীঘাটৰ মানুহবোৰ ঘূৰি আহি নিজৰ নিজৰ অঞ্চলত আহি আকৌ থকা আৰম্ভ কৰিছে। গতিকে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰো যাতে এই মানুহবোৰৰ নাম আকৌ অন্তৰ্ভুক্ত কৰে। কাৰণ ভোট দিয়াতো সাংবিধানিক অধিকাৰ । তেখেতসকল ভাৰতীয় নাগৰিক, আগতেও ভোট দিছে। গতিকে আপোনাৰ জৰিয়তে নিৰ্বাচন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক, আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়া তথা মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই কৰ যোৰে অনুৰোধ কৰোঁ যাতে এই মানুহবোৰৰ নাম অন্তৰ্ভুক্ত কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া। নিৰ্বাচন বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ পীযুষ হাজৰিকা ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, উৰিয়াম ঘাটৰ পৰা উচ্ছেদ হোৱা ভোটাৰসকলে form-8 ৰ জৰিয়তে নাম স্থানান্তৰ কৰাৰ কাৰণে আবেদন কৰিব পাৰিব । মই প্ৰথমে technical কথাখিনি কৈ লৈছো তাৰ পিছত তেখেতে কোৱা কথাখিনি ক'ম যে ক'ত

সমস্যাটো হৈছে। যদি উচ্ছেদিত ভোটাৰসকলে form-8 ৰ জৰিয়তে নিজৰ নাম স্থানান্তৰ কৰা নাই আৰু সেই ঠাইৰ সাধাৰণ বাসিন্দা নহয় বুলি যদি ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম বাদ পৰিছে, তেনেহ'লে তেওঁলোকে form-6 ৰ জৰিয়তে নিজৰ নাম অন্তৰ্ভুক্ত কৰাৰ কাৰণে আবেদন কৰিব পাৰিব। অধ্যক্ষ ডাঙৰীয়া, নিৰ্বাচনী পঞ্জীয়ণ বিষয়াই আবেদনখন গ্ৰহণ কৰাৰ পাছত ভোটাৰজনে উচ্ছেদৰ পূৰ্বে পঞ্জীভূত হৈ থকা বিধান সভা সমষ্টিৰ পৰা ভোটাৰজনৰ সবিশেষ পৰীক্ষা কৰাৰ পাছত আৰু নিৰ্বাচনী পঞ্জীয়ণ বিষয়া এগৰাকীয়ে সেই ঠাইৰ সাধাৰণ বাসিন্দা হয় বুলি নিশ্চিত হৈ ভোটাৰ তালিকাত তেওঁৰ নাম ভৰ্ত্তীৰ সিদ্ধান্ত ল'ব লাগিব । এনেকুৱা process এটা আছে । সেইকাৰণে ঘপককৈ কৰিব নোৱাৰিব। এইটো প্ৰথমে examine কৰিব লাগিব। এইকাৰণে হয়তো অলপ সময় লাগিছে। নিৰ্বাচনী তালিকা নিৰন্তৰ উন্নীতকৰণ বছৰজুৰি চলি থকা এক প্ৰক্ৰিয়া, যদিহে আগতে বসবাস কৰা কাৰোবাৰ নাম মুছি পেলোৱা হৈছে, প্ৰতিজন যোগ্য নাগৰিকে তেওঁৰ সাধাৰণতে বসবাস কৰা সমষ্টিৰ নিৰ্বাচনী তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰাৰ বাবে আবেদন কৰিব পাৰে। যদি কোনো ব্যক্তি নিৰ্বাচনী পঞ্জীয়ণ বিষয়াৰ সিদ্ধান্তত সন্তুষ্ট নহয়, তেওঁ যদি এইখিনিত গাফিলতি কৰিছে, যদি নিৰ্বাচনী পঞ্জীয়ন বিষয়াই এই কামখিনিত মানুহক ইচ্ছা কৰি কষ্ট দিছে, তেনেহ'লে ১৫ দিনৰ ভিতৰত প্ৰথমে জিলা দণ্ডাধীশৰ ওচৰত আবেদন কৰিব পাৰিব। এইটো এটা strong কৱচ, আইনে সেই মানুহখিনিক দি থৈছে । তাৰ পিছত মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দ্বিতীয়বাৰৰ কাৰণে আবেদন কৰিব পাৰিব । গতিকে অধ্যক্ষ ডাঙৰীয়া, এই মানুহখিনি যদি লাহৰীঘাটৰ স্থায়ী বাসিন্দা হয়, এটা সময় আছে সেইমতে জিলা দণ্ডাধীশৰ ওচৰত এটা examine লাগিব , ঘপককৈ দি দিলে নহ'ব , স্থায়ী বাসিন্দা হয় নে নহয়, তাৰ চৰজমিন তদন্ত কৰিব লাগিব। গতিকে হয়তো অলপ সময় লাগিছে কিন্তু যদি তাৰ পিছতো সন্তুষ্ট নহয়, এই মানুহখিনি জিলা দণ্ডাধীশৰ ওচৰলৈ যাব পাৰিব । তাৰপাছত দ্বিতীয়বাৰৰ কাৰণে মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰলৈ যাব পাৰিব। সেই উদ্দেশ্যে মুখ্য নিৰ্বাচনী বিষয়াক অসমৰ দ্বাৰা উচ্ছেদ

অভিযানৰ সময়ত স্থানান্তৰিত হোৱা যোগ্য নাগৰিকসকলক নিৰ্বাচনী তালিকাত অন্তৰ্ভুক্ত উন্নীতকৰণৰ বাবে ৫ ফেব্রুৱাৰী ২০২৬ তাৰিখে জাৰী কৰা হৈছিল যে এইখিনি মানুহক কৰি দিব লাগে।

অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় বিধায়ক গৰাকীয়ে এটা ডাঙৰ কথা কৈছে। প্ৰথমে ক'লে এই ব্যক্তিসকল গড়াখহনীয়াত বিধ্বস্ত  আৰু তেওঁলোক উজনি অসমলৈ ধাপলি মেলিলে  আৰু তাত গৈ হাজাৰ হাজাৰ বিঘা মাটি দখল কৰিলে। তেখেতে আকৌ ক'লে তেওঁলোক ঘূৰি আহি আকৌ নিজৰ মাটিতে বসবাস কৰিছে। মই তেখেতক শুধিছো।

**ডাঃ আছিফ মহম্মদ নাজাৰ, লাহৰীঘাটঃ** মই গড়াখহনীয়া বিধ্বস্ত বুলি কৈছিলো।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, গড়াখহনীয়া বিধ্বস্ত মানে তেওঁলোক landless নহয়, তেওঁলোকৰ মাটি আছে। মই তেখেতে কোৱামতেই কৈছো। তেওঁলোকে ঘূৰি আহি আকৌ নিজৰ মাটিতে আছে। এইসকল ব্যক্তিয়ে মাটি দখল কৰিবলৈ যায়, উজনি অসম দখল কৰিবলৈ যায়। তেওঁ য'ত আছে তাতে ভালকৈ থাকক, আমাৰ চৰকাৰে বিভিন্ন আঁচনি দি আছে। গড়াখহনীয়া প্ৰতিৰোধ কৰিবলৈ সকলোতকৈ বেছি কাম কৰিছো যদি লাহৰীঘাটতে কৰিছো। মই ক'ব বিচাৰিছো যে হয়, এই লোকসকল গড়াখহনীয়া বিধ্বস্ত কিন্তু ঘূৰি আহি তেওঁলোকে আকৌ নিজৰ মাটিতে আছে।

**ডাঃ আচিফ মহম্মদ নাজাৰ, ( লাহৰীঘাট) :** পৰিয়ালৰ মাটিত আছে।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে এতিয়া আকৌ পৰিয়ালৰ কথাটো সংযোগ কৰিছে। প্ৰথমে কোৱা নাছিল।  মোৰ দুই তিনি ঠাইত মাটি আছে, তাৰে ৫ বিঘা মাটিত গড়াখহনীয়া হ'ল  আৰু ৫ বিঘা মাটি ইয়াত আছিলেই কিন্তু তাত মই ১০০ বিঘা পাই আছো কাৰণে তালৈ গুছি গ'লো। তেখেতে প্ৰথমে ক'লে যে এই লোকসকল

গড়াখহনীয়া বিধ্বস্ত কিন্তু ঘূৰি আহি তেওঁলোকে আকৌ নিজৰ মাটিতে আছে। গতিকে অধ্যক্ষ মহোদয়, এই কথাটো অলপ চিন্তা কৰিব লাগে। যিসকল ব্যক্তি য'ত আছে তাতে থাকক আমাৰ ক'বলগা একো নাই। যিসকল ব্যক্তি ৰূপহীত আছে, তেওঁলোক তাতে থাকক। যিসকল ব্যক্তি লাহৰীঘাটত আছে তেওঁলোক তাতে থাকক, আমি তেওঁলোকক তাত চৰকাৰৰ ফালৰ পৰা সহায় কৰি আছো। মই আকৌ কৈছো, সেইদিনা আমি ৩ টা সমষ্টিত প্ৰায় ৭৫,০০০ মহিলাক মহিলা উদ্যমিতা আঁচনি মই নিজ হাতেৰে দি আহিছো। গতিকে আমি কামখিনি কৰি আছো। কিন্তু এনেকুৱা হ'ব নালাগে যে ইয়াতে আমাৰ ১০ বিঘা মাটি আছে, এইখিনিও থাকিব আৰু মই গৈ আন ঠাইত গৈ ১০০ বিঘা মাটি দখল কৰিম। তাৰ গোটেই সামাজিক আৰু ৰাজনৈতিক পৰিৱেশটো বদলাই দিম, সেইটো হ'ব নোৱাৰে। মই পুনৰ কৈছো, যোনে য'ত আছে তাতে তেওঁলোকৰ বাবে কাম কৰাৰ কাৰণে চৰকাৰ দায়বদ্ধ কিন্তু এনেকৈ গৈ মাটি দখল কৰিব, উজনিৰ পৰিকাঠামো সলনি কৰি দিব সেইটো হ'ব নোৱাৰে। মই এই কথাখিনি মাননীয় সদস্য গৰাকীৰ কথাৰ ওপৰত কৈছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, ( মন্দিয়া ) :** Hon'ble Speaker sir, I would like to move a beach of Privilege Motion.

**মাননীয় অধ্যক্ষঃ** Privilege Motion টো আপুনি প্ৰথমে Privilege committee ত দিব লাগিব। আপুনি মোক notice দিছিলেনে ?

**শ্ৰী শ্বেৰমান আলী আহমেদ, ( মন্দিয়া ) :** হয়, দিছো ছাৰ। আচলতে মই move কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** কিন্তু তাৰ আগতে আপোনাৰ লগত মই discussion কৰিব লাগিব, তাৰ পাছত মই permission দিয়াৰ পাছতহে move কৰিব। মই আপোনাক আপোনাৰ কি grievances আছিলে, লিখিত দিবলৈ কৈছিলো, তাৰ পাছততো মই আপোনাৰ লগত discussion কৰা নাই। গতিকে without discussion আপুনি motion টো আনিব নোৱাৰে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, ( মন্দিয়া ) :** ঠিক আছে।

**माननীয় অধ্যক্ষঃ** এতিয়া Agenda no.2.Calling attention under Rule-54. Shri Rupam Chandra Roy, MLA to call the attention of the Hon'ble Minister, Cultural Affairs Department under Rule -54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to –''কোচ ৰাজবংশী জনগোষ্ঠীৰ লোক-সংস্কাৰ সংৰক্ষণ, প্ৰচাৰ-প্ৰসাৰ আৰু বিশ্ব পৰ্য্যায়ত প্ৰতিষ্ঠিত কৰাৰ বাবে উদ্যোগ গ্ৰহণ।''

**শ্ৰী ৰূপম চন্দ্ৰ ৰায়, (বাওখুংগ্ৰী):** মাননীয় অধ্যক্ষ মহোদয়, কোচ ৰাজবংশী জনগোষ্ঠী অন্যতম প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠী। কোচ ৰাজবংশী জনগোষ্ঠীৰ culture অবিহনে অসম তথা ভাৰতবৰ্ষৰ যি সাংস্কৃতিক জগত আছে, সেই জগতখন সম্পূৰ্ণ নহয় আপোনালোকে সকলোৱে জানে আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ কথা ক'বলৈ যাওঁতেই ইতিমধ্যে আমাৰ অসম চৰকাৰৰ সন্মানীয় মন্ত্ৰীসকলে আমাৰ যি সকলোৰে শ্ৰদ্ধাৰ বিশ্ব মহাবীৰ গৰাকীৰ কথা কৈ আহিছে, আমাৰ মহাৰাজ নৰনাৰায়ণৰ কথা কৈ আহিছে আৰু এইবোৰ কথা ক'বলৈ যাওঁতেই আমাৰ ভাষা-সংস্কৃতি বিলাকক আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত বা অসমখনক আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত গুৰুজনাৰ কথাটো আহি পৰে, আপোনালোকে সকলোৱে জানে। গতিকে মই আপোনাৰ জৰিয়তে আমাৰ সন্মানীয় বিভাগীয় মন্ত্ৰীক জনাবলৈ পাই বিচাৰিছো যে কোঁচ- ৰাজবংশী জনগোষ্ঠীৰ সংস্কৃতি বিকাশৰ কাৰণে ইতিমধ্যে আমি যথেষ্ট কাম কৰি আছো নিজে নিজে আৰু চৰকাৰখনেও আমাক যথেষ্ট সহায় কৰি আছে এই কথাটো আমি মানিব লাগিব। মই আগতে কৈছো যে অসমত বসবাস কৰা প্ৰতিটো জাতি জনগোষ্ঠীৰ ভাষা সংস্কৃতি সমূহ এইখন চৰকাৰে আগবঢ়াই লৈ গৈ আছে। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে ইতিমধ্যে অসমৰ সন্মানীয় সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ অসমৰ সাংস্কৃতিক জগতখনৰ ইতিমধ্যে বিহু নৃত্যটো বিশ্বৰ দৰবাৰত তুলি ধৰিছে। আমি অতিকৈ গৌৰৱ অনুভৱ কৰিছো, ঠিক একেদৰে আমাৰ বাগৰুম্বা নৃত্য, ঝুমুৰ নৃত্যক

বিশ্বৰ দৰবাৰত তুলি লৈ গৈ অসমখনৰ গৌৰৱ তেখেতে উজলাই তুলিছে। আপোনালোক সকলোৱে জানে যে কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ culture বুলি ক'বলৈ গ'লে আমাৰ বাঁশ নৃত্যৰ কথা আহি পৰে। আমাৰ কুশান নৃত্যৰ কথা আহি পৰে বা আমাৰ বিভিন্ন নীতি আচাৰ আমাৰ culture সমূহ আহি পৰে। গতিকে এই ক্ষেত্ৰত আমাৰ চৰকাৰখনক বা আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে কোঁচ- ৰাজবংশী জনগোষ্ঠীৰ বাঁশ নৃত্যকে ধৰি আন আন যিবিলাক আমাৰ বাঁশ পূঁজা সংস্কৃতি সমূহ আছে, সেইবিলাক বিকাশৰ কাৰণে কাম কৰে আৰু ঠিক একেদৰে আমাৰ জনগোষ্ঠীটো যি কুশান নৃত্য সেই কুশান নৃত্যটোক যাতে বিশ্বৰ দৰবাৰত তুলি ধৰাৰ কাৰণে যেনেকৈ বাগৰুম্বা নৃত্য , ঝুমুৰ নৃত্য, বিহু নৃত্যক বিশ্বৰ দৰবাৰলৈ লৈ গৈছে , ঠিক তেনেকৈ কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ সাংস্কৃতিক বিকাশৰ কাৰণেও যাতে কুশান নৃত্যটোক বিশ্বৰ দৰবাৰত তুলি লৈ যোৱাৰ কাৰণে প্ৰচেষ্টা কৰে, তাকে মই অনুৰোধ জনাব বিচাৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী কৃষি, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা ):** সন্মানীয় অধ্যক্ষ মহোদয়, কোঁচ- ৰাজবংশী সকল অসমৰ এটা গৌৰৱী জনগোষ্ঠী । ঐতিহ্যপূৰ্ণ তেখেতসকলৰ সংস্কৃতি । বীৰ চিলাৰায় আৰু নৰনাৰায়ণক আমি আলোচনা নকৰিলে অসমৰ ইতিহাসখন আধৰুৱা হৈ ৰয়। গতিকে এই জাতি-জনগোষ্ঠীটোৰ প্ৰতি আমাৰ চৰকাৰৰ অত্যন্ত শ্ৰদ্ধা সন্মান সদায় আছে, সদায় থাকিব । সন্মানীয় অধ্যক্ষ ডাঙৰীয়া কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰচাৰৰ লক্ষ্যৰে অসম চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বিশেষকৈ কুশান নৃত্য, কুশান গানকে ধৰি লোক সংস্কৃতি, লোকগীত, লোক নৃত্য ,নাট্য ধাৰা আৰু পৰম্পৰাগত শিল্পকলাৰ সংৰক্ষণ আৰু বিকাশৰ বাবে বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচী ৰূপায়ণ কৰা হৈছে । ৰাজ্যৰ বিভিন্ন জিলাত অনুষ্ঠিত ৰাজ্যিক আৰু জিলা পৰ্য্যায়ৰ

সাংস্কৃতিক উৎসৱ সমূহত কুশান নৃত্য, কুশান গান সহ কোঁচ-ৰাজবংশীৰ লোক সাংস্কৃতিক নিয়মীয়া ভাৱে স্থান প্ৰদান কৰি শিল্পী সকলক নিজৰ প্ৰতিভা বিকাশৰ সুযোগ দিয়া হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত থকা সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত সময়ে সময়ে আয়োজিত প্ৰশিক্ষণ শিবিৰ,কৰ্মশালা আৰু সাংস্কৃতিক বিনিময় কাৰ্য্যসূচীৰ জৰিয়তে পৰম্পৰা লোক শিল্প সমূহ সংৰক্ষণ কৰাৰ লগতে নতুন প্ৰজন্মক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও যোগ্য কোচ- ৰাজবংশী শিল্পী সকলক শিল্পী পেঞ্চন, আৰ্থিক সাহাৰ্য্য, চৰকাৰী সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সুযোগ প্ৰদান কৰি তেওঁলোকৰ সামাজিক আৰু আৰ্থিক সুৰক্ষাৰ ক্ষেত্ৰটো গুৰুত্ব আৰোপ কৰা হৈছে। লগতে অসমৰ বৈচিত্ৰময় লোক সংস্কৃতিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত উপস্থাপনৰ ক্ষেত্ৰত কুশান নৃত্য আৰু কুশান গানসহ বিভিন্ন জনগোষ্ঠীয় পৰম্পৰাগত শিল্পক অন্তৰ্ভুক্ত কৰাৰ বাবে চৰকাৰে নিৰন্তৰ ব্যৱস্থা অব্যাহত ৰাখিছে। ইয়াৰ উপৰিও অসমৰ বিভিন্ন ঠাইত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত প্ৰতি বছৰে বীৰ চিলাৰায় দিৱস কেন্দ্ৰীয় ভাৱে উৎযাপন কৰি থকা হৈছে। শেহতীয়া ভাৱে ২০২৬ চনৰ ১ ফেব্ৰুৱাৰীত দৰং জিলাৰ মংগলদৈত উৎযাপন কৰা বীৰ চিলাৰায় দিৱসত ১০০ গৰাকীৰো অধিক শিল্পীয়ে একেলগে কুশান নৃত্য পৰিৱেশন কৰিছিল। অধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিহু, ঝুমুৰ, বাগৰুম্বা নৃত্যক কেনেকৈ ক'লৈকে লৈ গৈছে, অসমৰ ৰাইজে পৃথিৱীৰ ৰাইজে দেখিছে। অধ্যক্ষ ডাঙৰীয়া বাগৰুম্বা নৃত্য যিদিনাখন প্ৰদৰ্শন হৈছিল মানুহে কয়, সেইখিনি সময়ত যেতিয়া চীনত অলিম্পিক হৈছিল, চীনৰ অলিম্পিকতকৈ বোলে বাগৰুম্বা নৃত্যৰ views বেছি হৈছিল in all social media platforms. গতিকে অধ্যক্ষ ডাঙৰীয়া এই কাম আগতে কোনেও কৰা নাছিল। এই কাম আগতে কোনো চৰকাৰে কৰা নাছিল। এই কাম আগতে কোনো মুখ্যমন্ত্ৰীয়ে কৰা নাছিল। বিহুৰ সেই ১৩ হাজাৰ শিল্পীয়ে বিহুক কি পৰ্যায়ত উপস্থাপন কৰিছিল, চাৰে আঠহাজাৰ শিল্পীয়ে ঝুমুৰক কেনেকৈ উপস্থাপন কৰিছিল। ঠিক তেনেকৈ বাগৰুম্বা কেনেকৈ উপস্থাপন কৰিছিল। আগতে

এনেকুৱা কাম কেতিয়াওঁ হোৱা নাছিল অধ্যক্ষ ডাঙৰীয়া। যাৰ ফলত অসমৰ সাংস্কৃতিক যি পৰিকাথা সমূহৰ  উন্নতি হৈছিল, আৰু বিশ্বত অসমৰ এই সংস্কৃতিয়ে অতিকৈ দৃঢ় ভাৱে স্থান সুদৃঢ় কৰিছিল। অধ্যক্ষ ডাঙৰীয়া আমি চিৰিয়াচ, কুশান গান, কুশান নৃত্যৰ কাৰণে আমি ইতিমধ্যে যথেষ্ট কাম কৰিছো। মই  আকৌ প্ৰথমতে কৈছো যে এই কোঁচ-ৰাজবংশী সকল  এটা গৌৰৱী জাতি। আমাৰ কাৰণে কোঁচ-ৰাজবংশী সকল এটা গৌৰৱী জাতি, আমাৰ কাৰণে গৌৰৱৰ স্থান। আমি নৰনাৰায়ণ চিলাৰায়ক সৰুৰ পৰা কেনেকৈ পঢ়িছো, গতিকে আমি এই জাতিটোৰ নৃত্য গীতক কেতিয়াওঁ আঁওকান কৰিব নোৱাৰো। এই নৃত্য গীতক বা তেওঁলোকৰ সংস্কৃতিক সুৰক্ষিত কৰিবলৈ আৰু আমি নিশ্চয়কৈ ব্যৱস্থা গ্ৰহণ কৰিম, পদক্ষেপ গ্ৰহণ কৰিম বুলি মই তেখেতক বিশ্বাস দিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ , অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ নং দফাৰ অধীনত এতিয়া নিম্নলিখিত মাননীয় সদস্য কেইগৰাকীয়ে সংশ্লিষ্ট বিভাগৰ  মন্ত্ৰী দৃষ্টি আকৰ্ষণ   কৰিব। তাৰ ভিতৰত প্ৰথমে আছে পদ্ম হাজৰিকা ডাঙৰীয়া,  ভৰেশ কলিতা ডাঙৰীয়া,তাৰ পিছত মেহবুব মুক্তাব ডাঙৰীয়া। গতিকে এতিয়া মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই ''উচ্ছেদিত স্থানত  সংস্থাপিত হ'ব পাৰে খিলঞ্জীয়া'' শীৰ্ষক বিষয়টো মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব।

**শ্ৰী পদ্ম হাজৰিকা, নদুৱাৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আপুনি ৩০১ নং দফাত যি অসমীয়া খৱৰ বাতৰি কাকতত মুখ্যমন্ত্ৰী উচ্ছেদ অভিযান , খিলঞ্জীয়ালৈ আনিছে আশাৰ বতৰা এই বিষয়টি আলোচনা কৰিবলৈ দিয়াৰ কাৰণে মই আপোনালৈ ধন্যবাদ জ্ঞাপন কৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই খিলঞ্জীয়া সকলক সুৰক্ষিত কৰিবৰ কাৰণে বিভিন্ন পদক্ষেপ গ্ৰহণ  কৰিছে আৰু এখন সমৃদ্ধিশালী অসম গঢ়িবৰ কাৰণে আত্মনিৰ্ভৰ অসম গঢ়িবৰ কাৰণে এক কৰ্মসূচী লৈ আগবাঢ়িছে। আমি সকলোৱে জানো যে উদ্যোগীকৰণ অবিহনে, কৃষি কৰ্মৰ অবিহনে বা  farming অবিহনে আমি খিলঞ্জীয়া যুৱক-যুৱতীক

সংস্থাপিত কৰিব নোৱাৰো। আমাৰ অৰ্থনৈতিক ভেটি শক্তিশালি কৰিব নোৱাৰো আৰু তাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি পদক্ষেপ গ্ৰহণ কৰিছে , সেই পদক্ষেপত আমি সংগঠিত ৰূপত কেনেকৈ খিলঞ্জীয়া যুৱক-যুৱতীক বহি ৰাজ্যলৈ নোযোৱাকৈ  অসমৰ মাটিতে নিজৰ পৰিয়ালৰ লগত থাকি কেনেকৈ স্ব-নিৰ্ভৰশীল হ'ব পাৰে এই কথাবিলাকত এই লিখনিটোৰ জৰিয়তে গোটেই কথাখিনি প্ৰতিফলন হৈছে। আমি উদ্যোগীকৰণ কৰিবৰ বাবে  সি বৃহৎ উদ্যোগ হওঁক , মজলীয়া উদ্যোগ হওঁক বা ক্ষুদ্ৰ উদ্যোগ হওঁক, কৃষি কৰ্ম কৰিবৰ কাৰণে, farming কৰিবৰ কাৰণে প্ৰয়োজন হয় মাটিৰ। মাটিৰ অবিহণে উদ্যোগ গঢ় লৈ উঠিব নোৱাৰে, কৃষি কৰ্ম হ'ব নোৱাৰে, farming  হ'ব নোৱাৰে।  মাছ, মাংস, গাখীৰ, কণী যিয়ে নহওঁক কিয় আৰু এই মাটি  আমি উলিয়াবৰ কাৰণে আমাৰ প্ৰয়োজন আছে  উচ্ছেদৰ। কাৰণ চৰকাৰী মাটি যিখিনি আছে, প্ৰায় সিংহভাগেই বেদখলকাৰীৰ কৱলত। তাৰ কাৰণে উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ যদিওঁ পুঁজিপতি আহিছে কাৰণ বৃহৎ উদ্যোগ কৰিবলৈ আমাৰ অসমৰ বা থলুৱা মানুহৰ মাজৰ পৰা নাই । গতিকে বাহিৰৰ পৰাই আহিব লাগিব । যেনেকৈ জাগীৰোডত ছেমিকণ্ডাক্টৰ উদ্যোগ কৰিবলৈ বাহিৰৰ পৰা আহিছে, ঠিক তেনেকৈ ডাঙৰ উদ্যোগ গঢ়িবলৈ বাহিৰৰ পৰা আহিব লাগিব। তাৰ কাৰণে মাটি আমি যোগাৰ কৰি দিব লাগিব চৰকাৰে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি উচ্ছেদ অভিযান লৈছে, যে উচ্ছেদ অভিযানৰ জৰিয়তে আমি মাটি উলিয়াব লাগিব  আৰু উচ্ছেদ কৰিলে ন'হব । অধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে আহ্বান জনাম চৰকাৰলৈ, যে উচ্ছদ কৰা মাটিখিনি জৰীপ হ'ব লাগে। কিমানখিনি উচ্ছেদিত মাটি আকৌ বেদখল হৈছে বা সেই মাটিখিনি সুৰক্ষিত হৈ আছে নে নাই । গতিকে উচ্ছেদ কৰিবলৈ যাওঁতে বহু বাধাৰ সন্মুখীন হয়। উচ্ছেদিত মাটি আমি যদি তৎকালে সেই মাটিখিনি ৰক্ষা কৰাৰ ব্যৱস্থা নকৰো তেতিয়াহ'লে যিমানেই আমাৰ চৰকাৰে সপোন নেদেখক কিয়, আত্মনিৰ্ভৰ অসমৰ কথা আমি নকওঁ কিয়,  আমি আচলতে সেই সপোন বাস্তৱত ৰূপায়িত কৰাটো সম্ভৱ নহ'ব । সেইকাৰণে মই দুটা উদাহৰণ অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে দিব

বিচাৰো যে আমি ২০১৮-১৯ বৰ্ষত এই ভাৰতীয় জনতা পাৰ্টি চৰকাৰৰ দিনত চকীঘাটত উচ্ছেদ হৈছিল, ৫০০ ৰ ওপৰত মানুহক উচ্ছেদ কৰা হৈছিল, কেইবা হাজাৰ বিঘা মাটি উচ্ছেদমুক্ত হৈছিল । প্ৰথম ২০১৮-১৯ ত কৰা হ'ল আৰু তাৰপিছত দ্বিতীয়বাৰ উচ্ছেদ কৰিব লগা হ'ল কাৰণ তিনি মাহৰ পিছতে সেই বেদখলকাৰী পুনৰ সেই উচ্ছেদিত মাটিত তেওঁলোকে আকৌ বেদখল কৰিবলৈ আহিল বা বেদখল তেওঁলোকে কৰিলে। ২০২০ চনত যেতিয়া চকীঘাটত উচ্ছেদ কৰিছিল অধ্যক্ষ ডাঙৰীয়া, সেই সময়ত উচ্ছেদ কৰিবলৈ যাওঁতে তাত পুলিচ বিষয়াক, ৰাজহ চক্ৰ বিষয়াক আক্ৰমণ কৰা হৈছিল। তাৰ পিছত কেনে ধৰণে উচ্ছেদ হৈছিল আৰু সেই উচ্ছেদিত মাটি যেতিয়া উচ্ছেদ কৰাৰ পিছত সুৰক্ষিত হৈ নাথাকে সেই সময়ত মই নিজেই যিহেতু বিধায়ক, গতিকে আমি খিলঞ্জীয়া ল'ৰাক সংগঠিত কৰি ৫২ টা গোট বনাইছিলো, দহজনীয়াকৈ, ৫২০ জন ল'ৰাক লৈ আৰু আজিৰ মুখ্যমন্ত্ৰী তেতিয়াৰ বিত্ত, শিক্ষা আৰু স্বাস্থ্য মন্ত্ৰী আছিল। তেখেতক আমি তালৈ মাতিছিলো আৰু তেখেতে সেই ভূমি allotment ৰ কাগজ সেই ৫২ টা গোটৰ হাতত দিছিল। সেই ৫২ টা গোটে তাত মাটিত কৃষিকৰ্ম কৰি আজিলৈকে সেই মাটি সুৰক্ষিত আৰু সেই ৫২ টা গোটক খুব কম দিনৰ ভিতৰতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিহেতু তাত এটা Tiles Industry Nort-East ৰ ভিতৰত প্ৰথম Tiles Industry হৈছে, সেইটো উন্মোচন কৰিবলৈ যাওঁতে ম্যাদী পট্টা প্ৰদান কৰিলে। সেই মাটি সুৰক্ষিত হৈছে উচ্ছেদ কৰাৰ পিছত আৰু সেই উচ্ছেদিত মাটিত আজি ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক, এহেজাৰ বিঘা মাটিত ইণ্ডাষ্ট্ৰিয়েল পাৰ্কত আজি কাম আৰম্ভ কৰিছে । কম দিনৰ ভিতৰত এক মাহৰ ভিতৰত হয়তো সেই Tiles Industry, কাৰণ কাৰ্বি আংলঙত যিহেতু 70 % raw material পাইছে, গতিকে নৰ্থ ইষ্টৰ ভিতৰত প্ৰথম Tiles Industry চকীঘাটত উচ্ছেদিত মাটিত Tiles Industry হৈছে আৰু পেপচিকে ধৰি ৬ টা কোম্পানীয়ে তাত ইণ্ডাষ্ট্ৰি কৰিবলৈ আহিছে। উচ্ছেদিত মাটিত যিহেতু খিলঞ্জীয়া যুৱক যুৱতীক দি সেই সুৰক্ষা ব্যৱস্থাটো কৰা হৈছিল , প্ৰশাসনো তাত জড়িত হৈ সেই মাটিখিনি সুৰক্ষিত কৰিছিল সেইকাৰণে আজি তাত উদ্যোগীকৰণো হৈছে আৰু দুই

হাজাৰ বিঘা মাটি উদ্যোগ বিভাগে বিচাৰিছে যে মেগা ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক হ'বলৈ গৈছে সেই চৰ অঞ্চলত আপুনি শুনি ভাল পাব যে অলপ দিনতে তাত নিৰ্মাণ হৈ উঠা চৰকাৰী Law College তাত উন্মোচন হ'ল বা তাত ক্লাছ আৰম্ভ হ'ল। তাৰ পিছত আমি যদি চাওঁ অধ্যক্ষ ডাঙৰীয়া যে ২০২১ চনত আজিৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব লৈয়ে যেতিয়া ধলপুৰীৰ শিৱ মন্দিৰলৈ গৈছিল আৰু তাত ৰাইজে যেতিয়া বেদখলৰ কথা কৈছিল আৰু যিখিনি মাটিৰ কথা কৈছিল সেই মাটিখিনি অসম আন্দোলনৰ ১৯৮৩ চনৰ ৰক্তাক্ত ফেব্ৰুৱাৰীত ২১ জন শ্বহীদৰ কেঁচা তেজ পৰা সেই মাটি উদ্ধাৰ কৰিবৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াক যেতিয়া আবেদন জনাইছিল, সেই আবেদনৰ ভিত্তিতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই গৰুখুটি বহুমুখী কৃষি প্ৰকল্প তাতেই ঘোষণা কৰিছিল আৰু মোক তাত অধ্যক্ষৰ দায়িত্ব দিছিল। ২০২১ চনৰ উচ্ছেদৰ পিছত আমি ৬০০ খিলঞ্জীয়া ল'ৰা ছোৱালীক একত্ৰিত কৰি যিটো গৰুখুঁটি কৃষি প্ৰকল্প আৰম্ভ কৰা হ'ল, যে সেই ৬,৭০০ বিঘাৰ পৰা এতিয়া গৈ বেদখলমুক্ত হৈ ১১,০০০ বিঘাৰ ওপৰত মাটি আজিৰ দিনটোত সুৰক্ষিত হৈ আছে। গতিকে মই এই কথাটো এইকাৰণেই উদাহৰণ দুটা দাঙি ধৰিছো যে উচ্ছেদ কৰিলেই অধ্যক্ষ ডাঙৰীয়া নহ'ব, উচ্ছেদ কৰিলে সেই উচ্ছেদিত মাটি ৰক্ষা কৰিবৰ কাৰণে আমি, যি মাটিয়ে নহওঁক কিয়, বন বিভাগে বন বিভাগ, ফৰেষ্ট eviction হ'লে তেওঁলোকে ৰক্ষা কৰিব। কিন্তু আমাৰ চৰকাৰী মাটিত যিখিনি উচ্ছেদ হ'ব, উচ্ছেদ অভিযানৰ কথা কৈ আছে, উচ্ছেদ যেতিয়া হ'ব, উচ্ছেদিত মাটিত সংগঠিত ৰূপত আমি থলুৱা যুৱক-যুৱতীক লৈ কৃষি কৰ্ম কৰিব পাৰো নেকি। কৃষি বিভাগে বহু আঁচনি গ্ৰহণ কৰিছে, Agriculture Infrastructure Fund মই শুনিছো সেইদিনা অৱশ্যে মই নিজে যাব পৰা নাই, যোৱাবাৰ যি টকা পইচা দিছিল সম্পূৰ্ণ খৰচ কৰিব নোৱাৰিলে, এইবাৰ হয়তো চাৰি হাজাৰ কোটি টকা লাভ কৰিব। সংগঠিত ৰূপত যদি উচ্ছেদ কৰা মাটিত আমি থলুৱা যুৱক-যুৱতীক কৃষি কৰ্ম কৰিবলৈ, গোটেই হওক আমি তেওঁলোকক সংগঠিত ৰূপত যদি কৰিব পাৰো, তেতিয়া সেই মাটিও সুৰক্ষিত হ'ব আৰু উদ্যোগীকৰণৰ পৰা আৰম্ভ কৰি ফাৰ্মিঙৰ পৰা আৰম্ভ কৰি যি আজি উৎপাদনৰ

কথা কৈছে যে মাকৈ উৎপাদনৰ কথা কৈছে, ধান উৎপাদনৰ কথা কৈছে, সৰিয়হ উৎপাদনৰ কথা কৈছে, এই মাটিবিলাক আমাৰ মাটি আছিল, অধ্যক্ষ ডাঙৰীয়া । মই নিজৰ সমষ্টিত এই কথাবিলাক চকুৰ আগত দেখিছো । আমি চিন্তা কৰিবলৈ লৈছো মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেনেকৈ dead body আনি থাকিবলগীয়া  হৈ আছে বহিঃৰাজ্যৰ পৰা । বহিঃৰাজ্যত থকা আমাৰ লাখ লাখ যুৱক যুৱতীক আমি যদি উচ্ছেদ অভিযানৰ জৰিয়তে এই মাটি উলিয়াই আৰু এগ্ৰিকালচাৰ ডিপাৰ্টমেণ্টেও এক পৰিকল্পনা গ্ৰহণ কৰি কৃষি কৰ্মৰ জৰিয়তে উৎপাদনমুখী যাত্ৰাটো আমি যদি আগুৱাই লৈ যাব পাৰো, আৰু উদ্যোগীকৰণক যেনেকৈ চাকীঘাটত আজি এহেজাৰ বিঘা মাটিত উদ্যোগৰ ব্যৱস্থা হৈছে, য'ত নিবনুৱা  তিনি হাজাৰৰ ওপৰত ল'ৰা-ছোৱালীয়ে তাত সংস্থাপন পাবলৈ সক্ষম হ'ব । কিছুদিন আগত আমাৰ উদ্যোগমন্ত্ৰী ডাঙৰীয়াইও কৈছে যে মেগা ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক হোৱাৰ লগে লগে কিমান ল'ৰা-ছোৱালীয়ে তাত আচলতে কৰ্ম সংস্থাপন পাবলৈ সক্ষম হ'ব । কৃষি কৰ্মৰ জৰিয়তে, ফাৰ্মিঙৰ জৰিয়তে স্ব-নিৰ্ভৰশীল হোৱাৰ এই যাত্ৰাটোত যিহেতু আমাৰ চৰকাৰে আত্মনিৰ্ভৰশীল অসমৰ  জৰিয়তে এক সপোন লৈ আগবাঢ়িছে, ইয়াক বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে মই চৰকাৰলৈ আহ্বান  জনাইছো যে এই ক্ষেত্ৰত উচ্ছেদিত মাটি আমি কেনেকৈ ৰক্ষা কৰিব পাৰো, এই উচ্ছেদিত মাটিত আমি কেনেকৈ উদ্যোগীকৰণ কৰিব পাৰো, আমি কৃষি কৰ্ম কৰিব পাৰো, ফাৰ্মিং কৰিব পাৰো, এই ক্ষেত্ৰত চৰকাৰে এক দীৰ্ঘম্যাদী পৰিকল্পনা ল'বৰ কাৰণে আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ জনালো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ চৰকাৰখনে দখলদাৰীৰ পৰা মাটি কাঢ়ি লোৱাৰ যি প্ৰক্ৰিয়া চলাইছে, সেই প্ৰক্ৰিয়াক নিৰন্তৰভাৱে চলাই নিব । অধ্যক্ষ ডাঙৰীয়া মই এটা কথা ক'ব খুজো যে যিসকলৰ মাটি আছে ক'ৰবাত, তেখেতসকলে বেলেগত গৈ মাটি দখল কৰাৰ

প্ৰবণতাটো নাইকিয়া হ’ব লাগে। আজি অলপ আগত আচিফ নাজাৰ ডাঙৰীয়াই নিজেই ক'লে যে উৰিয়ামঘাটৰ ব্যক্তিসকলৰ লাহৰিঘাটত মাটি আছে, তেখেতে এতিয়া যিমানেই clarification নিদিওক, Once he has said, he has said . গতিকে এই মানুহখিনিয়ে তাত গৈ কিয় দখল কৰিব লাগে, নিজৰ ঠাইতে থাকক । গতিকে অধ্যক্ষ ডাঙৰীয়া, এই যিসকল ব্যক্তিয়ে বেদখল কৰি আছে সেই মাটিৰ পৰা আমি আকৌ কৈছো ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই, নিৰন্তৰভাৱে তেওঁলোকক বেদখলমুক্ত কৰি আছে । আৰু ফৰেষ্টত অধ্যক্ষ ডাঙৰীয়া কেনেকৈ বেলেগ মানুহ থাকিব পাৰিব ? ফৰেষ্ট মানে ফৰেষ্ট, ফৰেষ্টত আমি ৰাস্তা এটা বনাব নোৱাৰো, ফৰেষ্টত আমি এখন স্কুল বনাব নোৱাৰো, ফৰেষ্টত আমি এখন হাস্পতাল বনাব নোৱাৰো, তাত ফৰেষ্টৰ হাজাৰ হাজাৰ বিঘা মাটিৰ অধ্যক্ষ ডাঙৰীয়া, কোনোবাই গৈ দখল কৰি লৈছে । তাৰ বিৰুদ্ধে আমি ব্যৱস্থা ল'বই লাগিব । ইয়াত ছুপ্ৰীম ক'ৰ্টৰ গাইডলাইন থাকে, হাই ক'ৰ্টৰ গাইডলাইন থাকে যে ফৰেষ্টত কোনো মানুহ যাব নোৱাৰিব। অধ্যক্ষ ডাঙৰীয়া, আপুনি কেতিয়াবা ফৰেষ্টত ৰাস্তা এটা বনাব পাৰিছে নেকি ? মোৰ সমষ্টিত অধ্যক্ষ ডাঙৰীয়া, দুখন ফৰেষ্ট ভিলেজ আছে। তাত মই ৰাস্তা বনাব নোৱাৰো। ইয়াত বহুত বিধায়ক আছে , তেওঁলোকৰ সমষ্টিত ফৰেষ্ট ভিলেজ আছে। ফৰেষ্ট ভিলেজৰ মানুহখিনিয়েতো ৰাস্তা বিচাৰে, ফৰেষ্ট ভিলেজৰ মানুহখিনিয়েতো স্কুল বিচাৰে, তেওঁলোকে হাস্পতাল বিচাৰে কিন্তু আমি দিবলৈ অপাৰগ। কাৰণ নীতি-নিয়ম আছে। মাত্ৰ এটাই নিয়ম আছে যিসকল বনবাসী অৰ্থাৎ forest dweller, যিসকল ট্ৰাইবেল, আৰু যিসকল খিলঞ্জীয়া ব্যক্তিয়ে ৭৫ বছৰৰ ধৰি বনভূমিত বসবাস কৰি আহিছে তেওঁলোকে ফৰেষ্ট পট্টা পায়, আন কোনো লোকৰে পোৱাৰ যোগ্যতা নাই। কিন্তু সেই নিয়মকো অমান্য কৰি মাটি দখল কৰিছে আৰু কোনে দখল কৰি আছে যাৰ ইতিমধ্যে মাটি আছেই। এই প্ৰৱণতাটো নষ্ট হ'ব লাগে, তেতিয়াতো আমি মাটি বেদখল কৰাৰ প্ৰশ্নই নাহে। আৰু এটা কথা, মই সন্মান সহকাৰে কৈছো- লাহৰিঘাটৰ পৰা উৰিয়ামঘাটলৈ ২০০ কিল’মিটাৰ। মই definitely ক’ম যে, নিশ্চয়কৈ লাহৰিঘাটৰ অইন ঠাইত সেই মানুহখিনি

প্ৰতিস্থাপিত হ'ব পাৰিলে হেঁতেন ! যদি কাৰোবাৰ গৰাখহনীয়া হৈছিল, তাত VGR, PGR আছে, VGR তেই নোৱাৰি, ফৰেষ্ট এলেকাত কেনেকৈ পাৰিলে ! ইয়াত VGR তো নাথাকে তেওঁলোক কিন্তু তাত গৈ ফৰেষ্টত থাকে, এইটো কেনেধৰণৰ কথা? মানে ইয়াতো মাটি লাগিব, তাতো মাটি লাগিব, প্ৰৱণতাটো হ'ল সেইটো। মই লাহৰিঘাট, ৰূপহীহাটৰ মানুহখিনিক পুনৰ সন্মান সহকাৰে কৈছো যে তেওঁলোকৰ যদি ক'ৰবাত গৰাখহনীয়া হৈছে, তেওঁলোক আহি য'ত মাটি আছে সেই ঠাইত গৈ থাকক, উজনি অসমলৈ গৈ কিয় social changing কৰিব লাগে ? সেইকাৰণে বনভূমি বা ফৰেষ্টত যদি মানুহ থাকে তাৰ বিৰুদ্ধে আমি ব্যৱস্থা ল'বলৈ বাধ্য হৈছো। জ্যেষ্ঠ সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই কৈছে যে এই অঞ্চলসমূহত খিলঞ্জীয়া ব্যক্তিক প্ৰতিস্থাপিত কৰিব লাগে। খিলঞ্জীয়া ব্যক্তিক আমি Mission Bhumiputra ৰ যোগেদি মাটি দিয়াৰ ব্যৱস্থা কৰি আছো। এইক্ষেত্ৰত আমাৰ মাটিৰ অভাৱ হোৱা নাই। যদি মাটিৰ অভাৱ হয় নিশ্চয়কৈ কেতিয়াবা তেওঁলোকক তাত মাটি দিম। কিন্তু তেখেতে ইতিমধ্যে কৈছে যে তেখেতৰ সমষ্টিৰ চকীঘাটত আমি বেদখলমুক্ত কৰি industrial estate স্থাপন কৰিছো। গতিকে এই কামসমূহ আমি কৰিব লাগিব। যিহেতু খিলঞ্জীয়া লোকক ভূমিৰ পট্টা দিবলৈ ভূমি আমাৰ হাতত আছে, গতিকে immediately সেই খালী কৰা মাটিখিনি কোনো লোকক দিব বিচৰা নাই, কিন্তু সেইখিনি মাটি আমি উদ্যোগ আৰু কৃষিকৰ্মৰ কাৰণে বা আন কামৰ বাবে সাঁচি ৰাখিব লাগিব। অধ্যক্ষ ডাঙৰীয়া, বুঢ়া চাপৰিতেই হওঁক বা অন্য ঠাইতেই হওঁক, ফৰেষ্টৰ কাৰণে গছপুলি ৰুইছে। আপোনালোকে দেখিবলৈ পাইছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াইয়ো দেখায় যে নতুনকৈ কিছুমান ঠাইত বাঘ বা আন নতুন নতুন জন্তু ওলাইছে, নতুন এক পৰিৱেশ সৃষ্টি হৈছে। মই আকৌ এবাৰ কৈছো যে যিসকল ব্যক্তিৰ মাটি আছে তেওঁলোকে নিজৰ স্থানলৈ ঘূৰি যোৱাতো উচিত, কিয় তেওঁলোকে বুলডোজাৰ চলোৱালৈ ৰৈ থাকিব লাগে ! কিছুমান exceptional case আছে, মই কেতিয়াও কোৱা নাই যে ১০০% লোকৰে মাটি আছে। কিন্তু যিসকলৰ নিজৰ মাটি আছে তেওঁলোকে নিজৰ ঠাইলৈ ঘূৰি যাব লাগে আৰু ফৰেষ্টৰপৰা

পৰাপক্ষত আঁতৰি থাকিব লাগে। কাৰণ ফৰেষ্টত ১২৬ জন বিধায়কৰ কোনেও ৰাস্তা এটাও বনাব নোৱাৰে, তেওঁলোকক ভোট দিয়া মানুহেও নোৱাৰে, দলং, স্কুল-কলেজ আদি বনাব নোৱাৰে, গতিকে তাত গৈ মানুহে কেনেকৈ থাকিব আৰু Forest Act খন অতি শক্তিশালী। তাত কেৱল বনবাসী, ট্ৰাইবেল, ৭৫ বছৰ ধৰি বাস কৰা খিলঞ্জীয়া, Schedule Caste ৰ উজনি অসমৰ মৰাণ, মটক, আহোম, যিসকল খিলঞ্জীয়া নেপালী, তেওঁলোকেহে ৭৫ বছৰ থাকিলে পাব। গতিকে মাননীয় সদস্য গৰাকীৰ এই উপস্থাপনটো আমি গুৰুত্ব সহকাৰে লৈছো। পৰৱৰ্তী সময়ত আমি আৰু মাটি বেদখলমুক্ত কৰিম আৰু বেদখলমুক্ত কৰি তেখেতৰ সমষ্টিত যিদৰে ইণ্ডাষ্ট্ৰিৰ কাৰণে মাটি উলিয়াইছে, আমিও তেনেদৰে ইণ্ডাষ্ট্ৰিৰ কাৰণে মাটি সংৰক্ষণ কৰিম আৰু ইণ্ডাষ্ট্ৰিৰ কাৰণে মাটি সংৰক্ষণ কৰাৰ পাছত কেতিয়াবা আমাৰ থলুৱা যুৱক-যুৱতী, কৃষকসকলক এনেকুৱা ধৰণৰ মাটিত খেতি কৰিবলৈকে ব্যৱস্থা কৰি দিম বুলি মই প্ৰতিশ্ৰুতি দিছো।

**মাননীয় অধ্যক্ষ :** এতিয়া মই মাননীয় সদস্য শ্ৰী ভৱেশ কলিতা ডাঙৰীয়াক "কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত তীৰ্থস্থানসমূহ ধৰ্মীয় পৰ্য্যটন স্থলীলৈ ৰূপান্তৰ আৰু উন্নীতকৰণ সম্পৰ্কে" শীৰ্ষক বিষয়টো পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আহ্বান জনাইছো।

**শ্ৰী ভৱেশ কলিতা (ৰঙিয়া) :** অধ্যক্ষ মহোদয়, আজি গুৰু পূৰ্ণিমা, গুৰু পূৰ্ণিমা উপলক্ষে মই সকলোকে শুভেচ্ছা জনাইছো।

গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু দেৱ মহেশ্বৰম্
গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম, তস্মৈ শ্ৰী গুৰুৱে নম:

মই আপোনাকো এই বিধান সভাৰ সন্মানীয় অধ্যক্ষ হিচাপে নমন কৰিছো। অধ্যক্ষ মহোদয় ৩০১ নং নিয়মৰ অধীনত এটি বিষয় উত্থাপন কৰিবলৈ ওলাইছো। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত কামৰূপ জিলাত অৱস্থিত তীৰ্থস্থানসমূহ ধৰ্মীয় পৰ্য্যটনস্থলী আৰু লগতে ইয়াৰ আন্ত:গাঁথনি উন্নয়নৰ কাৰণে সন্মানীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি এই পৱিত্ৰ সদনত উত্থাপন কৰিছো।

**(Hon'ble Deputy Speaker Dr. Habbey Teron in the Chair)**

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, কামৰূপ জিলাৰ ইতিহাস আছে, গৰিমা আছে, কামৰূপৰ প্ৰাচীন ৰাজধানী প্ৰাগজ্যোতিষপুৰ আছিল। জনবিশ্ৰুতি মতে ইয়াত অতি উচ্চমানৰ জ্যোতিষশাস্ত্ৰৰ চৰ্চা হৈছিল। আমি যদি ancient history বা literature ৰ লৈ চাওঁ পুৰণি সাহিত্য পুৰাণেই হওঁক বা বৌদ্ধ গ্ৰন্থই হওঁক বা আন গ্ৰন্থসমূহত উল্লেখ আছে যে খ্ৰীষ্টপূৰ্ব ৯ম, ১০ম আৰু একাদশ শতিকাত সনাতন সংস্কৃতিৰ যিসকল ইষ্ট দেৱতা তাৰ ভিতৰত অন্যতম আছিল প্ৰভূ শিৱ। শিৱ প্ৰভূ যেতিয়া ধ্যানত মগ্ন হৈ আছিল তেতিয়া কামদেৱে মহিলাৰ বেশেৰে গৈ তেওঁৰ তপস্যা ভংগ কৰিছিল আৰু তেতিয়া প্ৰভূ শিৱই কামদেৱক ভষ্ম কৰিছিল। কামদেৱৰ পত্নী ৰতিদেৱীয়ে প্ৰভূ শিৱক নমন কৰি অনুনয়-বিনয় কৰিছিল। পৰৱৰ্তী সময়ত মহা বৰদাঁতা শিৱই তেওঁক বৰদান দিছিল আৰু কামদেৱক যেতিয়া বৰদান দিলে সেই ঠাইখনৰ নাম হৈ পৰিল কামৰূপ। এই কামৰূপত ২৩খন দেৱালয় আছে। আমি সকলোৱে জানো যে এই যুগটো হৈছে বস্তুবাদী, ভোগবাদী সমাজ। ভোগবাদী সমাজত যদি আমি পৰম শান্তি, পৰম আনন্দ লাভ কৰিব লাগে আমি spiritualism বা আধ্যাত্মিক চৰ্চালৈ যাব লাগিব। এই ২৩খন তীৰ্থস্থান আধ্যাত্মিক চৰ্চাৰ অন্যতম স্থলী। সংস্কৃততো কৈছে যে ধৰ্ম ৰক্ষতি, ৰক্ষিত:, অৰ্থাৎ ধৰ্ম ৰক্ষা কৰিলে নিশ্চিতভাৱে মানৱ সমাজৰ কল্যাণ সাধন হ'ব। কামৰূপ জিলাৰ ২৩খন তীৰ্থস্থানৰ বিশেষকৈ দীপ্তেশ্বৰী দেৱালয়, আপোনালোকে শুনিলে আচৰিত হ'ব যে দীপ্তেশ্বৰী দেৱালয়ত শৰণ ল'লেহে মা কামাখ্যা মন্দিৰৰ সন্মানীয় পুৰোহিত হ'ব পাৰে। আজি কামাখ্যা মন্দিৰলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বাধীন আমাৰ চৰকাৰখনে ৫০০ কোটি টকাৰ কামাখ্যা কৰিড'ৰৰ ব্যৱস্থা কৰিছে, মই ধন্যবাদ জ্ঞাপন কৰিছো। আনহাতে আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়, আমাৰ প্ৰথমখন চৰকাৰৰ দিনত বিত্ত আৰু শিক্ষা বিভাগৰ সন্মানীয় মন্ত্ৰী আছিল, তেতিয়া আমাৰ অসমৰ গৰিমা, ৰাজ্যখনৰ ঐতিহ্যবহনকাৰী, ধ্বজাবহনকাৰী অনুষ্ঠানসমূহ জীয়াই ৰখাৰ নিমিত্তে 'অসম

দৰ্শন’ আঁচনিৰে সমাহিত কৰা হৈছে। আমি দীপ্তেশ্বৰী দেৱালয়ত প্ৰায় ১০ লাখ টকা দিবলৈ সক্ষম হৈছো। তাৰোপৰি ইয়াত আছে সোণৰ বিগ্ৰহ থকা জয়ন্তী কালি মন্দিৰ য’ত শ ৰপৰা হাজাৰ ভক্তৰ সমাগম হয়। তুলসীবাৰীৰ মাৰলী থানত ২৬ জানুৱাৰীৰ দিনাখন ১ লাখতকৈও অধিক ভক্ত সমবেত হয়। বালিসত্ৰৰ ৪০০ বছৰীয়া ইতিহাস আছে, সৎসংগ কেন্দ্ৰ। ইয়াৰ উপৰিও আছে পিংগলেশ্বৰ দেৱালয় যিখন পাল বংশৰ পিছতে স্থাপন হৈছিল, ৪০০ বছৰ গৰকা কুৰ্ম মাধৱ দেৱালয়, ৰাষ্ট্ৰীয় ঘাইপথৰ ওচৰতে অৱস্থিত গোপেশ্বৰ দেৱালয় যাক গুপ্ত ঈশ্বৰ বুলি কোৱা হয়, উত্তৰ গুৱাহাটীত আছে মহাপ্ৰভূ দৌলগোৱিন্দ মন্দিৰ, তাত সদায় হাজাৰ –হাজাৰ ভক্তৰ সমাগম হয় আৰু আছে দীৰ্ঘেশ্বৰী দেৱালয় । হাজোত আছে পঞ্চতীৰ্থ হাজো দেৱালয় মাধৱ মন্দিৰ । শুৱালকুছিত আছে, সিদ্ধেশ্বৰী দেৱালয় । আমি যদি ব্ৰহ্মপুত্ৰ পাৰ হৈ আহো ছয় গাওঁত মা চণ্ডিকা মন্দিৰ আছে। প্ৰায় ২৩ খন দেৱালয়েৰে সমৃদ্ধ কামৰূপৰ গৰিমা বহন কৰি আছে এই দেৱালয় সমূহে । এই দেৱালয় সমূহক আমি তীৰ্থ নগৰীলৈ ৰূপান্তৰিত কৰিব লাগিব। এই ক্ষেত্ৰত নিশ্চিতভাৱে এই চৰকাৰৰ দিনত টকা-পইচাৰ ব্যৱস্থা কৰা হৈছে। মই ভাৱো এখন ৰাজ্যৰ নিৰনুৱা সমস্যা এটা white collar job বা CM AAA ৰ দ্বাৰা সমাধান কৰিব নোৱাৰি। আমি সৰু সৰু অঞ্চলসমূহৰ বিকাশ কৰি সেই অঞ্চলসমূহৰ যাতায়ত ব্যৱস্থা সুগম কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে দেশ-বিদেশৰ পৰ্য্যটক আমাৰ ইয়ালৈ আহে। কাৰণ সেই অঞ্চলসমূহৰ লগত আমাৰ ইতিহাস জড়িত হৈ আছে। চীনা পৰিব্ৰাজক হিউৱেন চাং তাহানিতে আমাৰ ইয়ালৈ আহিছিল। আমি এই পৰ্য্যটন স্থলীসমূহ বিশেষভাৱে উন্নত কৰিব পাৰো। কাৰণ আমাৰ ইয়াত যথেষ্ট সম্ভাৱনা আছে। মই আপোনাৰ জৰিয়তে পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়াক ইয়াৰ বাবে আহ্বান জনাম। তেখেত আজি ইয়াত নাই। কিন্তু আমাৰ সাংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়ে নিশ্চয় ইয়াৰ উত্তৰ দিব। এই ক্ষেত্ৰত অধিক গুৰুত্ব দি এই তীৰ্থস্থান সমূহ আমি কিদৰে উন্নত কৰিব পাৰো, কিদৰে আমি উঠি অহা প্ৰজন্মক সৰু ব্যৱসায়ৰ পৰা নিয়োগৰ ব্যৱস্থা কৰি দিব পাৰো আৰু লগতে সামগ্ৰীকভাৱে এই অঞ্চলটো এক মৰ্য্যদাপূৰ্ণ তথা

গৰিমাপূৰ্ণ অঞ্চললৈ ৰূপান্তৰিত কৰিব পাৰে তাৰ বাবে মই মোৰ বক্তব্য এই পৱিত্ৰ সদনত উত্থাপন কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ :** Thank you. Hon'ble Minister please reply.

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, কৃষি, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য ভৰেশ কলিতা ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ ওচৰ-পাঁজৰৰ ধৰ্ম্মীয় স্থান, পৰ্য্যটনস্থলীসমূহ উন্নয়নৰ কাৰণে ৩০১ নং নিয়মৰ অধীনত যি প্ৰশ্ন উত্থাপন কৰিলে তাৰ বাবে মই ধন্যবাদ জনাইছো। কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত তীৰ্থস্থানসমূহ ধৰ্ম্মীয় পৰ্য্যটনস্থলীলৈ ৰূপান্তৰ আৰু উন্নীতকৰণৰ বিষয়ে সৱিশেষ তলত উল্লেখ কৰা হ'ল। পিঙ্গলেশ্বৰ দেৱালয়ত ২০১৮-১৯ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰৰ পৰ্য্যটন বিভাগৰ অনুমোদন মৰ্ম্মে ১০ লাখ টকা ব্যয় সাপেক্ষে সৌন্দৰ্য্য বৰ্দ্ধন আঁচনিৰ বাবে সন্মুখত থকা পুখুৰীটো গাৰ্ড ওৱালৰ সৈতে খটখটী আৰু পদপথৰ ব্যৱস্থা কৰা হৈছে। দীৰ্ঘেশ্বৰী দেৱালয়ত বনভোজস্থলী উন্নীত কৰণৰ বাবে বিত্তীয় বৰ্ষ ২০২২-২৩ ত ৰাজ্য চৰকাৰৰ পৰ্য্যটন বিভাগৰ অনুমোদন মৰ্ম্মে ২৫ লাখ টকা ব্যয় সাপেক্ষে পৰ্য্যটকৰ সুবিধাৰ্থে প্ৰসাধন গৃহ, গভীৰ নলী-নাদ আৰু পদপথৰ লগতে পাৰ্কিংৰ ব্যৱস্থা কৰা হৈছে। হাজোৰ মাধৱ মন্দিৰত বিত্তীয় বৰ্ষ ২০১৬-১৭ ত ৰাজ্য চৰকাৰৰ পৰ্য্যটন বিভাগৰ অনুমোদন মৰ্ম্মে ৪০ লাখ টকা ব্যয় সাপেক্ষে পৰ্য্যটকৰ সুবিধাৰ্থে মাধৱ মন্দিৰৰ পুখুৰীৰ চাৰিওফালে পদপথৰ ব্যৱস্থা আৰু দুটা জিৰণি গৃহ নিৰ্মাণ কৰা হৈছে। বিত্তীয় বৰ্ষ ২০১৯-২০ ত ৰাজ্য চৰকাৰৰ পৰ্য্যটন বিভাগৰ অনুমোদন মৰ্ম্মে ১০ লাখ টকা ব্যয় সাপেক্ষে পৰ্য্যটকৰ সুবিধাৰ্থে দুটা ড'ৰমেটৰী ৰুমৰ ব্যৱস্থা কৰা হৈছে। মদন কামদেৱৰ ধৰ্ম্মীয় পৰ্য্যটনৰ সম্ভাৱনীয়তাৰ ওপৰত লক্ষ্য ৰাখি ভাৰত চৰকাৰৰ পৰ্য্যটন মন্ত্ৰ্যালয়ৰ প্ৰসাদ আঁচনিৰ অধীনত  এখনি আঁচনি প্ৰস্তুত কৰি পৰ্য্যটন মন্ত্ৰ্যালয়লৰ অনুমোদনৰ বাবে দাখিল কৰা সিদ্ধান্ত অসম চৰকাৰৰ পৰ্য্যটন বিভাগে গ্ৰহণ কৰিছে। সেই মৰ্ম্মে অসম পৰ্য্যটন উন্নয়ন নিগমৰ অধীনত আঁচনিখনৰ বৰ্তমানৰ প্ৰস্তুতি চলি আছে। অতি সোনকালে এইখন অনুমোদনৰ বাবে  দাখিল

কৰা হ'ব। গোপেশ্বৰ দেৱালয়ৰ ধৰ্ম্মীয় পৰ্য্যটনৰ সম্ভাৱনীয়তাৰ ওপৰত লক্ষ্য ৰাখি ভাৰত চৰকাৰৰ পৰ্য্যটন মন্ত্ৰ্যালয়ৰ প্ৰসাদ আঁচনিৰ অধীনত  এখনি আঁচনি প্ৰস্তুত কৰি পৰ্য্যটন মন্ত্ৰ্যালয়লৰ অনুমোদনৰ বাবে দাখিল কৰা সিদ্ধান্ত অসম চৰকাৰৰ পৰ্য্যটন বিভাগে গ্ৰহণ কৰিছে। সেই মৰ্ম্মে অসম পৰ্য্যটন উন্নয়ন নিগমৰ অধীনত আঁচনিখনৰ বৰ্তমানৰ প্ৰস্তুতি চলি আছে। অতি সোনকালে এইখন অনুমোদনৰ বাবে দাখিল কৰা হ'ব। অশ্বক্লান্ত দেৱালয়ৰ বিত্তীয় বৰ্ষ ২০১৯-২০ ত ৰাজ্য চৰকাৰৰ পৰ্য্যটন বিভাগৰ অনুমোদন মৰ্ম্মে ২০ লাখ টকা ব্যয় সাপেক্ষে পৰ্য্যটকৰ সুবিধাৰ্থে ভোগঘৰ নিৰ্মাণ কৰা হৈছে। বিত্তীয় বৰ্ষ ২০২২-২৩ ত ৰাজ্য চৰকাৰৰ পৰ্য্যটন বিভাগৰ অনুমোদন মৰ্ম্মে ২০ লাখ টকা ব্যয় সাপেক্ষে পৰ্য্যটকৰ সুবিধাৰ্থে  এটা অতিথিশালা নিৰ্মাণ কৰা হৈছে। বিত্তীয় বৰ্ষ ২০২৪-২৫ ত ৰাজ্য চৰকাৰৰ পৰ্য্যটন বিভাগৰ অনুমোদন মৰ্ম্মে ২০ লাখ টকা ব্যয় সাপেক্ষে পৰ্য্যটকৰ সুবিধাৰ্থে এখন আদৰণি তোঁৰণ আৰু পদপথৰ ব্যৱস্থা কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনি ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু নিশ্চয়কৈ পৰৱৰ্তী সময়ত আমাৰ অসমৰ পৰ্য্যটনস্থলীসমূহ উন্নয়নৰ কাৰণে আমাৰ চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ :** Thank you. Next Hon'ble Member Mehboob Muktar to draw the attention of the Hon'ble Minister, PWD Department relating to the matter under the caption-''55 No. Dhing বিধান সভা সমষ্টিৰ পথ আৰু যোগাযোগ ব্যৱস্থাৰ শোচনীয় অৱস্থাৰ বিষয়ে।''

**শ্ৰী মেহবুব মোক্তাৰ, (ধিং) :** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৩০১ ৰ অধীনত আপোনাৰ অনুমতি সাপেক্ষে মোৰ ধিং বিধান সভা সমষ্টিৰ এক জৰুৰী পথ পৰিবহন আৰু সংযোগ ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ জনস্বাৰ্থৰ বিষয়টো সদনত উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে আপোনাক আন্তৰিক ধন্যবাদ জনাইছো। আজি মই কেৱল এজন বিধায়ক হিচাপে থিয় হোৱা নাই। মই থিয় হৈছো সেই কৃষকৰ হৈ যিয়ে নিজৰ উৎপাদিত ধান,মৰাপাট, শাক-পাচলি বজাৰলৈ নিব নোৱাৰি লোকচান

ভুগিছে। মই থিয় হৈছো সেই গৰ্ভৱতী মাতৃৰ হৈ যিয়ে নিশা চিকিৎসালয়লৈ যাব নোৱাৰি দুৰ্ভোগ ভুগিবলগীয়া হৈছে। মই থিয় হৈছো সেই ছাত্ৰ-ছাত্ৰীৰ কাৰণে যিয়ে বাৰিষা কালত প্ৰতিদিনে বোকা-পানী গছকি বিদ্যালয় নাইবা মহাবিদ্যালয়লৈ যায়। ৰাস্তা-ঘাট কেৱল ইটা-শিলৰ সমষ্টি নহয়। ৰাস্তা হৈছে উন্নয়নৰ দুৱাৰ। ৰাস্তা ভাল নাথাকিলে সকলো দাবী অৰ্থহীন। দুৰ্ভাগ্যজনক ভাৱে মোৰ ধিং বিধান সভা সমষ্টিৰ 1) কটহগুৰিৰ পৰা মাজ ৰৌমাই পথ, 2) মৈৰাবাৰীৰ পৰা তাতিকটাহে গায়নগাঁওলৈ যোৱা পথ, 3) NB Road ৰ পৰা লহকৰ পথ, 4) বেচামাৰী পৰা গেৰেকনীহে বৰভেটি যোৱা পথ, 5) ধনীয়াভেটি কালাবজাৰ পৰা ধনীয়াভেটি পথাৰ পথ, 6) মৈৰাবাৰী মৰিগাঁও পথৰ হাতীমুৰীয়া অঞ্চলৰ জনসংযোগ পথ, 7) পটীয়াচাপৰি পৰা ৰৌমাই B-Dyke পথ, 8) হাইডুবিৰ পৰা জামতলা পথ, 9) বটামাৰীৰ পৰা শান্তিজান বজাৰ, 10) NB Road পৰা চিংগীমাৰী পথ 11) আঠগাঁও শেৱালী কবি ৰত্নকান্ত বৰকাকতী পথ, 12) মৈৰাবাৰী বেচামাৰী পথ, 13) বৰদোৱা বাৰুৱাতী পথ, 14) বৰদোৱা বলিকাটিয়া পথ ,15) ডুমডুমীয়া পুৰণি বজাৰৰ পৰা জাৰামাৰী বজাৰলৈ যোৱাৰ পথ। 16) ধিং চাৰিআলিৰ পৰা ধিং ঔদ্যোগিক ক্ষেত্ৰলৈ যোৱাৰ পথ, 17) ধিং পূজাবাৰী পথ 18) এন বি পথৰ পৰা বান্দৰ চাৰিআলিলৈ যোৱা পথ, 19) বি এম ডি পথ বেচামাৰীৰ পৰা আকৰবৰীলৈ যোৱাৰ পথ, 20) ধিং সোণাৰিগাঁৱৰ পৰা পাটেকিবৰী সত্ৰলৈ যোৱাৰ পথ, 21) ধূপগুৰি গান্ধী মাৰ্কেট পশ্চিম বেৰিবেৰি PMGSY Road via বেৰবেৰি ঈদগাহ ফিল্ডলৈ যোৱা পথ, 22) মথাউৰিৰ পৰা উঠানতলা গাওঁলৈ যোৱা পথ, 23) ছালমাৰাবৰীৰ পৰা ছালকাটি পাখাৰলৈ যোৱা , 24) দক্ষিণ ছালমাৰাবৰী মুক্তাব বিদ্যালয়ৰ পৰা চহৰীয়াপামলৈ যোৱা পথ, 25) ভেলৌগুৰিৰ পৰা যোৱা বৰচাপৰিলৈ, 26) গয়নগাঁও চাৰিআলিৰ পৰা সুতাৰগাঁওলৈ লহকৰগাঁও হৈ যোৱা পথ, 27) বি এম ডি পথৰ পৰা ছালনাবড়ী পথলৈ, 28) মাটখোলা তিনিআলিৰ পৰা কান্ধুলিমাৰী নতুন বজাৰলৈ দুৱাইদপাৰা হৈ যোৱা পথ, 29) ধিং-ডুমডুমীয়া PWD পথৰ পৰা ৰৌমাৰী বান্ধলৈ পাতিয়া চাপৰি হৈ যোৱা পথ, 30) ধিং-ডুমডুমীয়া PWD পথৰ পৰা পাতিয়াচাপৰিলৈ সৰু ৰাধাআটি হৈ যোৱা পথ

31) JTB PWD পথৰ পৰা ৰৌমাৰী জানগাৰ পথলৈ, 32) কটহগুৰিৰ পৰা ৰৌমাৰী জানপাৰ জল জীৱন আঁচনিলৈ, 33) ৰৌমাৰী জানপাৰৰ পৰা ৰৌমাৰী বিললৈ যোৱা পথ, 34) বৰদোৱা বৰুৱাতী PWD পথৰ পৰা টুকটুকি পথলৈ ছালনাবৰী গাঁও হৈ যোৱা পথ, 35) JTB পথৰ পৰা ছালনাবৰীলৈ পাতিয়া পাম হৈ, 36) আহোমগাঁও ৰৌমাৰী PWD পথৰ পৰা আহোমগাঁওলৈ, 37) আমলখি গাঁওলৈ বৰভেটি তিনিআলি হৈ, টুকটুকি PWD পথৰ পৰা ছিলপুখুৰী  আদি পথৰ অৱস্থা আজি অত্যন্ত শোচনীয় । বৰষুণ আহিলেই বহু পথ পুখুৰীলৈ পৰিণত হয়। গাঁতবোৰত পানী জমা হৈ আঠুলৈকে বোকাহৈ থাকে। বহু ঠাইত ডাঙৰ ডাঙৰ গাঁতৰ সৃষ্টি হৈছে। বাৰিষাকালত ৰাজপথত মাছ পালন কৰিব পাৰি । ৰাস্তাত বাইক বাইচাইকেল চলাব নোৱাৰি, গাড়ী চলাব নোৱাৰি, এম্বুলেন্স যাব নোৱাৰে। মানুহে নিজৰ জীৱনক বিপদত পেলাই প্ৰতিদিনে সেই পথ ব্যৱহাৰ কৰে। অসমৰ ১২৬ টা বিধানসভা সমষ্টিৰ ভিতৰত বাট পথৰ দিশত মই যদি ক'বলৈ যাওঁ আটাইতকৈ পিছপৰা সমষ্টিটোৰ নাম আমাৰ ধিং সমষ্টি। আজিৰ এই যুগত আমি ডিজিটেল ভাৰত, বিকশিত ভাৰতৰ কথা কৈছো । মাননীয় অধ্যক্ষ মহোদয়, আমি ডিজিটেল ভাৰত, বিকশিত ভাৰত, স্মাৰ্ট গাওঁৰ কথা কৈছো কিন্তু বাস্তৱতা কি? ধিং সমষ্টিৰ বহু অঞ্চলত ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ যোৱাৰ সময়ত বাৰিষাকালত বোকাত পিছলি যোৱাৰ ভয়ত দুযোৰ কাপোৰ লৈ যাব লাগে এযোৰ পিন্ধি যায় আৰু এযোৰ হাতত লৈ যায় আৰু চেণ্ডেল-জোতা পৰিধান কৰি যাব নোৱাৰে। ধিং সমষ্টিৰ বহু এনেকুৱা অঞ্চল আছে, চেণ্ডেল-জোতা হাতত লৈ ছাত্ৰ-ছাত্ৰী বিদ্যালয় আৰু মহাবিদ্যালয়লৈ যাবলগীয়া হয়। এজন ৰোগীক বাঁহৰ খাটিয়াত তুলি চিকিৎসালয়লৈ নিব লাগে, এজন কৃষকে tractor বা pickup গাড়ী লৈ নিজৰ খেতিৰ উৎপাদিত ফচল বজাৰত নিব নোৱাৰে, ব্যৱসায়ীয়ে সময়মতে সামগ্ৰী আনিব নোৱাৰে, বহু ঠাইত school bus যাব নোৱাৰে, ambulance সোমাব নোৱাৰে, এই বাস্তৱতাক আমি আৰু কিমান দিন উপেক্ষা কৰিম? আমি ধিং বিধানসভা সমষ্টিৰ মানুহ এনেকুৱা এটা যুগত বাস কৰি আছো, য'ত এতিয়াও দান-বৰঙণিৰে নিৰ্মাণ কৰা বাঁহৰ সাঁকোৰেদি পাৰ হ'ব লাগে আৰু ২০ ৰ পৰা

৩০ টকা পাৰ হ'বলৈ ভাড়া তোলা হয়, যাতে আগন্তুক বছৰত আকৌ বাঁহৰ সাঁকোখন তৈয়াৰ কৰিব পাৰে। গতিকে মই এই পবিত্ৰ সদনৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক জনাওঁ যে দক্ষিণ কলাডোবা আৰু উত্তৰ কলাডোবা সংযোগী জেঙুনি Sluice Gate বজাৰত আৰু মাঠখোলা কাতিমাৰী পথৰ ১/১ নং এই দুখন দলং অতি শীঘ্ৰে নিৰ্মাণ কৰি দিবলৈ অনুৰোধ জনালোঁ। মাননীয় অধ্যক্ষ মহোদয়, ধিং সমষ্টিৰ বহু PWD পথ, PMGSY পথ আৰু গ্ৰাম্য পথ দীৰ্ঘদিন ধৰি পুনঃনিৰ্মাণৰ অপেক্ষাত আছে। কিছুমান পথ বহু বছৰ আগতেই হৈছিল, কিন্তু এই পথসমূহ সম্পূৰ্ণ ভাগি গৈছে। কিছুমান ঠাইত কেৱল নামত পথ আছে, বাস্তৱত মাটি আৰু গাতহে দেখা যায়। ধিং ৰ বহু ভিতৰুৱা অঞ্চল আছে, মই অতি দুখেৰে জনাওঁ অধ্যক্ষ মহোদয়, এনেকুৱা অঞ্চল আছে ধিং সমষ্টিত, য'ত নেকি নিজৰ কন্যা সন্তানক বিয়া দিব নোৱাৰে বাট-পথৰ বাবে। অতি দুৰ্ভাগ্যজনক বিষয়, বিয়া কৰাব নোৱাৰে, বিয়া দিব নোৱাৰে। এনেকুৱা বহু ৰাস্তা-ঘাট আছে, কাৰণ এই দুৰ্গম পথেদি কোনো দৰা এই কন্যাৰ ঘৰলৈ আহিব নোখোজে। এনেকুৱা বহু অঞ্চল আছে আমাৰ ধিং সমষ্টিত। এই কথাষাৰ বুকুখনি বিষাই যায়, যেতিয়া সেই অঞ্চলবিলাকত যাওঁ, আঁঠুলৈকে বোকা থাকে। এই কথাবিলাক যেতিয়া ৰাইজৰ মুখৰ পৰা শুনোঁ, অভিভাবকৰ মুখৰ পৰা শুনোঁ, কাতৰ অনুৰোধ জনাই এটাই কয় যে আপুনি বিধায়ক হৈছে, আমাৰ ৰাস্তাটো বনাই দিয়ক, আৰু একো নালাগে। কাৰণ আমাৰ ল'ৰা-ছোৱালীক বিয়া দিবও নোৱাৰোঁ, বিয়া কৰাবও নোৱাৰোঁ । এনেকুৱা এটা সমস্যাত আছে আমাৰ ধিং সমষ্টিৰ ৰাইজ। এখন ঠাইৰ ৰাস্তাৰ বেয়া অৱস্থাই কেৱল যাতায়তৰে অসুবিধাৰ সৃষ্টি কৰা নাই, এইটো সমাজৰ সন্মান, সামাজিক সম্পৰ্ক আৰু ভৱিষ্যতকো আঘাত কৰিছে। এই গ্ৰাম্যাঞ্চলৰ পথবিলাক বিগত দিনত MGNREGA আঁচনিৰ অধীনত কৰা হৈছিল যদিও নামফলকত যদি ২০ লাখ, ২৫ লাখ টকা লিখা আছে কিন্তু বাস্তৱত গৈ MGNREGA ৰ অধীনত কেৱল ২০ শতাংশ কামহে সম্পূৰ্ণ হৈছে। এটা কথা মই পবিত্ৰ সদনৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক অৱগত কৰিব বিচাৰিছো যে কিছুমান ঠিকাদাৰে ৰাজনৈতিক ভাৱে বলীয়ান হৈ ২০২২-২৩

বৰ্ষৰ, ২০২৩-২৪ বৰ্ষৰ PWD ৰাস্তাৰ কামবিলাক আজিলৈকে সম্পূৰ্ণ কৰা নাই। তেখেতসকলক বিভাগীয় কৰ্তৃপক্ষয়ো নামানে, যাৰ বাবে ৰাইজে হাৰাশাস্তি ভোগ কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ অন্যতম প্ৰধান যাতায়াতৰ মাধ্যম ধিং-লাহৰীঘাট-ভূৰাগাঁও সংযোগী পথ, SH-039 ৰ একাংশ বৰ্তমান অতিশয় সংকীৰ্ণ আৰু জৰ্জৰিত অৱস্থাত আছে। নগাঁও-বৰদোৱা-ধিং পথছোৱা ইতিমধ্যে অসমমালা আঁচনিৰ অধীনত উন্নত কৰা হৈছে যদিও ধিং ৰ পৰা ভূৰাগাঁও পৰ্যন্ত পথছোৱা দুৰৱস্থাই জনসাধাৰণক দীৰ্ঘদিন ধৰি যমৰ যাতনা দি আহিছে। এই পথটো কেৱল মোৰ সমষ্টিৰেই নহয়, বৰঞ্চ নগাঁও আৰু মৰিগাঁও জিলাৰ সংযোগ কৰা এক অতি গুৰুত্বপূৰ্ণ অৰ্থনৈতিক corridor। এই অঞ্চলেৰে দৈনিক হাজাৰ হাজাৰ কৃষক, উৎপাদিত সামগ্ৰী, ব্যৱসায়ী, ৰপ্তানি আৰু ছাত্ৰ-ছাত্ৰী তথা ৰোগীৰ যাতায়াত সম্পন্ন হয়। কিন্তু পথটোত থকা ডাঙৰ-ডাঙৰ গাত আৰু বজাৰ অঞ্চলসমূহত নিষ্কাশনৰ কোনো সু-ব্যৱস্থা নাই আৰু নথকাৰ বাবে প্ৰায়েই যাতায়াত ব্যাহত হয় আৰু সঘনাই দুৰ্ঘটনা সংঘটিত হৈ আহিছে। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে সম্মানীয় মুখ্যমন্ত্ৰী মহোদয় আৰু আমাৰ নগাঁও জিলাৰ সম্মানীয় অভিভাৱক মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। ধিং-লাহৰীঘাট-ভূৰাগাঁও পথছোৱা বহলীকৰণ, RCC drain নিৰ্মাণ আৰু ইয়াক সৰ্বাঙ্গীন উন্নয়নৰ বাবে অসমমালা, PM-DevINE অথবা NIDA আঁচনিৰ অধীনত এক সুকীয়া পুঁজি আৱণ্টন দিবলৈ মই চৰকাৰক অনুৰোধ জনাইছোঁ। আজি আমাৰ এই পবিত্ৰ সদনত আমাৰ নগাঁও লোকসভাৰ প্ৰাক্তন সাংসদ আছে, তেখেতো উপস্থিত আছে। তেখেতেও আমাৰ ধিং সমষ্টিৰ বাট-পথৰ কথা অৱগত। মই শ্ৰদ্ধাৰে তেখেতকো অনুৰোধ কৰিম, যাতে আমাৰ এই ধিং সমষ্টিৰ বাট-পথৰ কথা যাতে তেখেতেও বিভাগীয় মন্ত্ৰীক অনুৰোধ জনায়, তাৰ বাবে মই অনুৰোধ জনাইছোঁ। মোৰ সমষ্টিৰ চৰ অঞ্চলসমূহ হৈছে সমগ্ৰ জিলাখনৰ শাক-পাচলি উৎপাদনৰ মূল প্ৰাণকেন্দ্ৰ। ইয়াত উৎপাদিত সতেজ পাচলিৰে সমগ্ৰ নগাঁও তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰ ভৰি পৰে। কিন্তু অত্যন্ত পৰিতাপৰ বিষয় যে জৰ্জৰিত আৰু কেঁচা পথ যোগাযোগ ব্যৱস্থাৰ বাবে

চৰ অঞ্চলসমূহৰ যাতায়াত অভিশাপ সদৃশ হৈ পৰিছে। পথৰ দুৰৱস্থাৰ বাবে বাণিজ্যিক যান-বাহনসমূহে যাত্ৰীৰ পৰা দুগুণ ভাড়া আদায় কৰি আছে। ফলস্বৰূপে আমাৰ খেতিয়কসকলে কষ্টেৰে উৎপাদিত পাচলি বজাৰ আনোতে হোৱা অত্যাধিক পৰিবহন খৰচৰ বাবে উচিত লাভৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। আনহাতে সাধাৰণ ৰোগী বা জৰুৰীকালীন সেৱাৰ ক্ষেত্ৰত এই যাতায়াত ব্যৱস্থা অতি ভয়ংকৰ হৈ পৰিছে। গতিকে মই এই পৱিত্ৰ সদনৰ জৰিয়তে চৰকাৰৰ লোক নিৰ্মাণ বিভাগ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ওচৰত সজোৰে দাবী উত্থাপন কৰিছোঁ। ধিং সমষ্টিৰ চৰ অঞ্চললৈ যোৱা মুখ্য পথসমূহ অতি শীঘ্ৰে পকীকৰণ আৰু মেৰামতি কৰা হওক আৰু মুখ্য বজাৰসমূহলৈ সংযোগ সুচল কৰিবলৈ বিশেষ পথ আঁচনি গ্ৰহণ কৰা হওক। মাননীয় অধ্যক্ষ মহোদয়, এখন উন্নত ৰাজ্য গঢ়িবলৈ উন্নত পথ যোগাযোগৰ কোনো বিকল্প নাই। ধিং বাসীয়ে বিশেষ সুবিধা নিবিচাৰে, বিচাৰে কেৱল নিৰাপদ, মানসম্পন্ন আৰু সময় উপযোগী পথ যোগাযোগ। সেয়ে মই চৰকাৰক অনুৰোধ জনাইছো, ধিং সমষ্টিৰ পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে পথ, দলংসমূহ আৰু চৰ অঞ্চলৰ সংযোগ পথসমূহ অগ্ৰাধিকাৰ ভিত্তিত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰক। মই আশা কৰোঁ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আৰু আমাৰ নগাঁও জিলাৰ অভিভাবক মন্ত্ৰী মহোদয়ে ধিং বাসীৰ এই ন্যাৰ্য্য দাবীৰ প্ৰতি সহানুভূতিশীল হৈ অতি সোনকালে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Minister reply please.

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ধিং সমষ্টিৰ ৰাস্তা-পথৰ কাৰণে আমাৰ চৰকাৰৰ, PWD বিভাগে যথেষ্ট কাম হাতত লৈছে। তেখেতে নিজেও জানে, তেখেতৰ সমষ্টিৰ মথাউৰিৰ গোটেই ৰাস্তা পকীকৰণ ইতিমধ্যে আমি কৰিছোঁ। তেখেতে নিজেও কৈছে যে নগাঁৱৰ পৰা ধিং লৈকে ৰাস্তাটো সৌ সিদিনাও মই গৈছো অধ্যক্ষ ডাঙৰীয়া–অতি ধুনীয়া হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইটো নিজা উদ্যোগত কৰিছে । তেখেতৰ সমষ্টিত MMPNA, মুখ্যমন্ত্ৰীৰ

পকীপথ নিৰ্মাণ কৰা আঁচনিৰ অধীনত ২৮ কোটি ৬০ লাখ টকাৰ ৪০.৭৭ কিঃমিঃ নিৰ্মাণৰ পথৰ কাম হাতত লোৱা হৈছে। ইয়াৰে ৩৭.৬৯ কিঃমিঃ পথৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু বাকী ৩ কিঃমিঃ ৮০০ মিটাৰ পথৰ কাম চলি আছে। মুখ্যমন্ত্ৰীৰ উন্নত পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত ৭৮.৫৫ কোটি টকাৰ ৪৭ কিঃমিঃ পথ উন্নীতকৰণৰ কাম হাতত লোৱা হৈছে। ইয়াৰে ৪৪ কিঃমিঃ পথৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু ৩ কিঃমিঃ বাকী আছে। মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণ আঁচনিৰ অধীনত ১২ কোটি ৪০ লাখ টকাৰ ৪৪.৬৮ কিঃমিঃ পথ মেৰামতিৰ কাম হাতত লোৱা হৈছে। অধ্যক্ষ ডাঙৰীয়া, যথেষ্ট কাম কৰা হৈছে। মই কৰিবলগীয়া আৰু আছে, মই অস্বীকাৰ নকৰো। মুখ্যমন্ত্ৰী নগৰীয়া পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত ৫ কোটি টকাৰ ৩ কিঃমিঃ ৫০ মিটাৰ নগৰীয়া পথ নিৰ্মাণ, উন্নীতকৰণৰ কাম হাতত লোৱা হৈছিল আৰু কামখিনি সম্পূৰ্ণ হৈছে। ইয়াৰ উপৰি SOPD আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত ১৪ কিঃমিঃ ৫৬৫ মিটাৰ আৰু ২০২৫-২৬ বৰ্ষত ৯.৪০ কিঃমিঃ পথৰ কাম হাতত লোৱা হৈছিল। ইয়াৰে ২০২৪-২৫ বৰ্ষৰ অনুমোদিত কামখিনি সমাপ্ত হৈছে আৰু ২০২৫-২৬ বৰ্ষৰ অনুমোদিত কামৰ ২.৫৫ কিঃমিঃ সম্পূৰ্ণ হৈছে আৰু বাকী ৬.৮৫ কিঃমিঃ পথৰ কাম চলি আছে। PMGSY ৰো বহুত কেইটা কাম হাতত লোৱা হৈছে, চলি আছে। তেখেতক অধ্যক্ষ ডাঙৰীয়া মই দি দিম। মই যিহেতু জিলাখনৰ নিজেও প্ৰশাসনৰ Guardian Minister, যিখিনি কাম ঠিকাদাৰে মইমতালি কৰিছে, সেইখিনি কামত অতি সোনকালে নাকী লগোৱা হ'ব, মই তেখেতক বিধানসভাত প্ৰতিশ্ৰুতি দিছোঁ। অধ্যক্ষ ডাঙৰীয়া, Opposition ৰ সমষ্টি সমূহে কিছু কিছু ক্ষেত্ৰত, কিছু কিছু কামত suffer কৰে, মই অস্বীকাৰ নকৰোঁ। মই অধ্যক্ষ ডাঙৰীয়া স্বীকাৰ কৰিছোঁ। কংগ্ৰেছৰ বিধায়ক সকলে বিধানসভাৰ বাহিৰে আমাক লগ কৰাৰ ক্ষেত্ৰত অঘোষিত banned কৰা আছে, নহ'লে তেওঁলোকৰ টিকট কটা যাব। তেখেতসকলৰ দিল্লীত থকা ব্যক্তিগৰাকীয়ে অসমলৈ মাজে-মাজে আহে। মোতকৈ আৰু কোনোবাই বেছি জানে নেকি ? কংগ্ৰেছৰ ভিতৰৰ খবৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পিছতেই মই পাওঁ, সকলোৱে জানে। মাননীয়

অধ্যক্ষ ডাঙৰীয়া, কংগ্ৰেছৰ MLA সকলক কাঢ়া নিৰ্দেশ দিয়া আছে যে, তেওঁলোক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰলৈ আহিব নালাগে আৰু আমাৰ ওচৰলৈও আহিব নালাগে। গতিকে ভোক মোৰ লাগিছে নে নাই, মইটো মাক ক'ব লাগিব, তেতিয়াহে মোৰ ভাত সাজ বনাই দিব। হয় নে নহয় ? গতিকে কংগ্ৰেছৰ MLA থকা সমষ্টিসমূহত অলপ development ৰ ক্ষেত্ৰত suffer কৰিছে, মই অস্বীকাৰ নকৰো। ভুলটো আমাৰ নহয়, ভুলটো তেওঁলোকৰ। কাৰণ তেওঁলোকে দিল্লীস্থ মাজে-মাজে অসমলৈ অহা নেতাগৰাকীকটো সন্তুষ্ট কৰিবই লাগিব। নহ'লে তেওঁলোকৰ টিকটত কেঁচি লগাই দিয়ে। টিকট pending কৰাই দিয়ে। বহু কেইটা টিকট pending কৰাই দিছিলেই এইবাৰ। কিবা কিবিকৈ লৈ আহিছে আৰু যিকেইজনে তেওঁৰ পিছে পিছে ঘূৰি ফুৰিছিল, তেওঁলোকৰ টিকট কেইটা আগেয়ে announce কৰি দিছিল, গতিকে তেওঁলোক আমাৰ তালৈ নাহে। কাৰ প্ৰথমে announce হ'ল, যোন আমাৰ তালৈ একেবাৰে নহা হৈ গ'ল। যাৰ pending হয়, অলপ সমষ্টি কামৰ কাৰণে আমাৰ তালৈ আহে। গতিকে আমি যথেষ্ট কৰিছো যদিও তাত অলপ suffer কৰিছে। তাৰ পাছৰ পৰা তাত তৃণমূল কংগ্ৰেছ নাই বুলি কৈছে মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই। গতিকে তেওঁৰ লগত আমি direct কথা পাতি থাকো। তাত শ্ৰী মেহবুব মোক্তাব ডাঙৰীয়াও আছে নেকি ? মই নাজানো। এই কংগ্ৰেছৰ যিটো system আমাৰ ওচৰত কিন্তু election ৰ এবছৰ আগতো আহিব নোৱাৰে। টিকটৰ মতলবৰ বাবে আপোনালোকৰ কি হৈ থাকে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও জানে । গতিকে আপোনালোকৰ সমষ্টিবিলাকত আমি কাম কৰিব খুজিছো। আব্দুছ ছোবাহান আলী সৰকাৰ ডাঙৰীয়া আছে নহয়, তেখেতৰ সমষ্টিত গৈছিলো, তেখেত নাইকিয়া হৈ গ'ল, অন্তৰ্ধান হৈ গ'ল।

**শ্ৰী আব্দুছ ছোবাহান আলী সৰকাৰ, গৌৰীপুৰঃ** আপুনি first time গৈছিলে, মই আছিলো। আপুনি confirm মই আছিলো নে নাই ?

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** তেখেতৰ সমষ্টিত গ'লো, তেখেত নাই, অন্তৰ্ধান হৈ গ'ল। তেতিয়াৰ প্ৰাক্তন বিধায়ক আৰু বৰ্তমানৰ মন্ত্ৰী আমাৰ শ্ৰী অশ্বিনী ৰায়

সৰকাৰ ডাঙৰীয়াৰ লগত চামগুৰিলৈ গ'লো আৰু তাতে তাৰে বিধায়ক পলাই পত্ৰং দিলে।

**শ্ৰী তানজিল হুছেইন, চামগুৰিঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাক একো information য়ে দিয়া নাই। মই official notice পোৱা নাছিলো।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মই নিজে মাতিছিলো আপোনাক। মই personally বিধানসভাত নিজে মাতিছিলো বিধায়ক ডাঙৰীয়া, তাতকৈ আৰু কি লাগে ? মই ইমান incorrect কথা নকও। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ ৰূপহীৰ বিধায়ক ক'ত ফৰিং চিটিকা দিলে পাত্তা নাই। কিজানি মোৰ লগত থকা বুলি গম পালে দিল্লীস্থ গুৱাহাটীলৈ মাজে-মাজে অহা, নিজৰ সমষ্টিত এদিন থাকি দিল্লীত সংসদত ডাঙৰ ডাঙৰ ভাষণ দি থকা মানুহজনে যদি তেখেতসকলৰ ওপৰত ব্যৱস্থা লয় ? গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেওঁলোকে যদি আমাৰ লগত যোগাযোগ কৰে আৰু কাম হ'ব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁলোকৰ আৰু কাম কৰিব। মাত্ৰ তেওঁলোকৰ এই ভয়টো কেনেকৈ ভাঙিব পাৰি, তাৰ তাবিজ এটা উলিয়াব লাগিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী বিমল বড়া ডাঙৰীয়াই অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ Assam Industrial Development Corporation (AIDC) Limited ৰ ২০১৭-১৮ ৰ পৰা ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন কেইখন সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, মই সতীৰ্থ মন্ত্ৰী শ্ৰী বিমল বড়া ডাঙৰীয়াৰ হৈ Assam Industrial Development Corporation (AIDC) Limited ৰ ২০১৭-১৮ ৰ পৰা ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন কেইখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় মন্ত্ৰী বিমল বৰা ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ Assam Petro-Chemicals Limited ৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, মই মাননীয় মন্ত্ৰী শ্ৰী বিমল বড়া ডাঙৰীয়াৰ হৈ Assam Petro-Chemicals Limited ৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰীক্ষকৰ ৩১ মাৰ্চ ২০২৪ ত সমাপ্ত হোৱা সময়ছোৱাৰ বাবে অসম চৰকাৰৰ সামাজিক, অৰ্থনৈতিক আৰু সাধাৰণ খণ্ডৰ ২০২৬ বৰ্ষৰ প্ৰতিবেদন নং ৩ প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰীক্ষকৰ ৩১ মাৰ্চ ২০২৪ ত সমাপ্ত হোৱা সময়ছোৱাৰ বাবে অসম চৰকাৰৰ সামাজিক, অৰ্থনৈতিক আৰু সাধাৰণ খণ্ডৰ (২০২৬ বৰ্ষৰ প্ৰতিবেদন নং ৩) প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্যসূচী নং ৭, মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ The Assam Land and Revenue Regulation (Amendment) Bill, 2026 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া The Assam Land and Revenue Regulation (Amendment) Bill, 2026 খন বিবেচনাৰ বাবে লোৱা হওঁক। যিসকলে সপক্ষে আছে কওঁক হয়, যিসকলে বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া বিধেয়কখনৰ ওপৰত সাধাৰণ আলোচনা যদি থাকে আলোচনা কৰিব পাৰে। আলোচনা নাই চাগে ?

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ amendment আছে I Amendment to Section 2, Clause (s). In Section 2, Clause (s), the words for 'last three generations up to $1^{st}$

January 2006' may be substituted by 'prior to 25th March, 1971'. In the explanation of this Section 2, Clause (s) the sentence 'one generation means a period of 25 years of continuous living' may be substituted by the sentence as per Assam Accord vetted by Hon'ble Supreme Court. After deletion, the insertion of words in Clause (s) may be read as 'original inhabitant means a person who has been living in that area along with his family prior to 25th March, 1971', explanation, as per Assam Accord, vetted by Hon'ble Supreme Court.

**মাননীয় অধ্যক্ষঃ** এতিয়া নং ২ ত আছে, মাননীয় সদস্য শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান, দলগাঁওঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা Amendment আছে, on The Assam Land and Revenue Regulation (Amendment) Act, 2026. The Amendment is in Clause 3 in proposed Section 77 (1). The words 'unless he is an original inhabitant of the area' occurring in line nos. 5 & 6 shall be substituted by the following words, 'unless he is an Indian citizen and inhabitant of Assam'. Next, in Clause 3 in proposed Section 177(3), the words, 'indigenous, ethnic community and disadvantaged groups' occurring in line nos. 7, 8 & 9 shall be substituted by the following words, i.e., 'indigenous ethnic community and disadvantaged groups including religious minorities. Another one is, in Clause 2, sub-clause (r) 'the digit 5' occurring in line no. 3 shall be substituted by '3.' Again in Clause 2 (2), sub clause (s) the digit and words are '1st January, 2006' occurring in line no. 3 shall be substituted by '1st January, 2026'. In Clause 2 (3), sub-clause (u), in between the words 'communities' and 'as' occurring in line no. 3, the following words shall be inserted as 'including religious minorities.'

**মাননীয় অধ্যক্ষঃ** এতিয়ালৈ ৩ নম্বৰটো অহা নাই। বৰ্তমান ২ নম্বৰটোৰ ওপৰত কওঁক৷

**শ্ৰী মজিবুৰ ৰহমান, দলগাঁওঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো আহিছে।। inserted 'including minorities', Sir.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য, শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** Hon'ble Speaker Sir, I do hereby move that the digit '2006' occurring in line no 3 shall be substituted by '2026'. In explanation the words 'a period of 25 years' occurring in line nos. 4 & 5 shall be substituted by '18 years'. মোৰ ছাৰ , বক্তব্য ৰাখিবলগীয়া আছে। এতিয়াই Moving ৰ লগে লগে ৰাখিম নে তেখেতৰ পিচত ৰাখিম।

( ছাৰ আমাৰ বক্তব্য ৰাখিবলগীয়া আছিল )

**মাননীয় অধ্যক্ষ ঃ** বক্তব্য ৰাখিব পাৰে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, মন্দিয়া ঃ** ঠিক আছে ছাৰ তেখেতে কওঁক।

**মাননীয় অধ্যক্ষ ঃ** মইতো সেইটোৱে ক'বলৈ দিছিলো – বিধেয়কখনৰ ওপৰত সাধাৰণ আলোচনা - কোৱাৰ লগে লগে আপুনি ডাইৰেক্ট ক্ল'জত আহি গ'ল। বক্তব্যটো মই ৰাখিব দিছিলো – এতিয়াও ৰাখিব পাৰিব কোনো কথা নাই , ঠিক আছে আগতে তেখেতে বক্তব্য ৰাখক।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙা ঃ** অধ্যক্ষ ডাঙৰীয়া, আমাৰ Amendment to the Assam Land and revenue regulation Bill, 2026 এইটো যিটো এমেণ্ডেমেন্টৰ কাৰণে অনা হৈছে ছাৰ , মূল আইনটো 1886 - Assam Land and revenue regulation Act -1886 ছাৰ, ইয়াতে মেইন দুটামান দফা সংশোধন কৰাৰ বাবে আমি দিছো। ইয়াত LOP ডাঙৰীয়াই বক্তব্যত কৈছে যে, ১ নম্বৰ, Three Generation , one generation means 25 Years আৰু ২০০৬ ৰ

আগৰ পৰা থ্ৰি জেনেৰেশ্যন দিব দিছে original inhabitant ৰ কাৰণে। ছাৰ , আৰু দ্বিতীয়তে, ইয়াতে আমাৰ যিটো মেইন হেডলাইন হ'ব original inhabitant means a person who have been living in that area along with his family prior to 25 th March 1971 . এইটোৱে হ'ব লাগে ছাৰ, কাৰণ গোটেই কথাখিনি আমি জানো ছাৰ। ৬ বছৰীয়া অসম আন্দোলন হোৱাৰ পিচত যি অসম চুক্তি সম্পাদন হৈছিল এইটো এটা কনচেনচাচ ছাৰ সকলো অসমৰ দল সংগঠন , ৰাজনৈতিক অৰাজনৈতিক পাৰ্টী সকলোৱে মানি লৈছিলে , ১৯৭১ চনৰ ২৫ মাৰ্চ ভিত্তি বৰ্ষ বিদেশী চিনাক্তকৰণ আৰু বহিস্কাৰ কৰণৰ কাৰণে। যেতিয়া এন আৰ চিৰ কাম আৰম্ভ হৈছিল , এটা পক্ষই ভিত্তি বৰ্ষক লৈ প্ৰশ্ন উত্থাপন কৰিছিল , বিষয়টো চুপ্ৰিম কোৰ্টৰ মজিয়াত পালে আৰু এই ভিত্তি বৰ্ষক লৈ ছাৰ , চুপ্ৰিম কোৰ্টে পুংখানুপুংখভাৱে আলোচনা কৰি Constitutional Bench য়ে ৰায় দিলে ১৯৭১ চনৰ ২৫ মাৰ্চ টোৱে ভিত্তি বৰ্ষ হিচাপে থাকিব। আজি যিটো আইন অনা হ'ল ছাৰ, Land revenue ৰ কাৰণে মাটিৰ অধিকাৰৰ কথা যিটো অনা হৈছে ,ইয়াতে নাগৰিকসকলক বিভিন্ন ভাগত ভাগ কৰিছে ছাৰ। গতিকে মই ভাবো ছাৰ, এইটো কেতিয়াও যুক্তি সংগত হ'ব নোৱাৰে । এই বিষয়টো আমি সকলো ক্ষেত্ৰতে , আমি কেতিয়াও নাগৰিকক ক্লাচিফাই কৰাৰ প্ৰভিজন আমাৰ ভাৰতবৰ্ষৰ সংবিধানে দিয়া নাই ।অসমতো কো্েনা আইন প্ৰনয়ণ হোৱা নাই। আমাৰ পাৰ্লিয়ামেন্টতো কোনো আইন প্ৰনয়ণ হোৱা নাই যে আমি ভাৰতীয় নাগৰিকক ক্লাচিফাই কৰিম । কিন্তু ইয়াতে এই এমেণ্ডমেন্টৰ যোগেদি ছাৰ মই স্পষ্টভাৱে মই বিষয়টো ডিটেইলচত যাব খোজা নাই কিন্তু স্পষ্ট ভাৱে ইয়াতে ভাগ কৰা হৈছে ছাৰ। সেই কাৰণে কওঁ এই গোটেই বিষয়টো ভূমিৰ অধিকাৰ , প্ৰথম কথা হৈছে তেওঁ ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ বৈধ নথি থাকিব লাগিব । গতিকে এইটোৱে একমাত্ৰ ক্ৰাইটেৰীয়া হ'ব লাগিব । আমি দুখেৰে ক'বলৈ বাধ্য হৈছো অসম চুক্তিত স্পষ্ট ভাবে কোৱা আছে- চুক্তিখন লৈ আহিছো – লিখা আছে যে, safeguard and economic development Clause -6 ইয়াত লিখা আছে,

Constitutional, legislative, administrative safeguard as the cultural social linguistic identity and heritage of the Assamese people . ছাৰ, ইয়াত বেলেগ কোনো কেটেগৰীৰ কথা উল্লেখ কৰা নাই। অনলী আচামিছ্ পিপুলৰ কাৰণে, হেৰিটেজ- কালচাৰ গোটেই খিনিৰ কথা উল্লেখ কৰিছে আৰু দুখৰ বিষয় আজিলৈকে ছাৰ অসমীয়াৰ সংজ্ঞা নিৰূপন নহ'ল। বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদন কি পৰ্যায়ত আছে আমি নাজানো গতিকে ইয়াতে খিলঞ্জীয়া অখিলঞ্জীয়া এই কথাবোৰ অহা নাই ইয়াতে আহিছে ছাৰ অসমীয়া। গতিকে অসমীয়াৰ সংজ্ঞা নিৰূপণ হ'ব লাগে এইটো আমি এশ শতাংশ ঐক্যমতত আছো ছাৰ গতিকে গোটেই বিষয়টো হৈছে ভূমিৰ অধিকাৰ , ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ বৈধ নথিপত্ৰ গতিকে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগত বৈধ নথিপত্ৰ থকা ভাৰতীয় নাগৰিক হ'ব লাগিব সেইখিনিত আমাৰ মাটিৰ অধিকাৰ সুনিশ্চিত থাকিব লাগিব। কাৰণ এইটো কোনো প্ৰভিজন ক'ৰ পৰা আহিল বুজি নাপালো যে ২০০৬ চনৰ আগত তিনিটা প্ৰজন্ম হ'ব লাগিব আৰু এটা পুৰুষৰ সময়সীমা ২৫ বছৰ মানে ১৯৩০ চন পাব। গতিকে এইটো কোনো যুক্তিসংগত কথা হোৱা নাই । গতিকে এইটো সংবিধানে নাগৰিকৰ অধিকাৰ violate কৰাৰ কথা আহিছে। গতিকে বিষয়টো পুনৰ বিবেচনা কৰিব লাগে। আমাৰ Amendment টো গ্ৰহণ কৰিব লাগে। তেওলোকক ভূমিৰ অধিকাৰৰ পৰা কোনো পধ্যে খৰ্ব কৰিব নালাগে আৰু আমাৰ মাজত অৰ্থাৎ নাগৰিকৰ মাজত কোনো ক্লাচিফিকেশ্যনৰ কোনো ব্যৱস্থা কৰিব নালাগে। এই ভূমি আইনে স্পষ্ট ভাৱে কেইটামান ভাগত ভাগ কৰিব। আমি এমেণ্ডমেন্ট দিছো ছাৰ গতিকে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ বৈধ নথিপত্ৰ থকা প্ৰত্যেককে ভূমিৰ অধিকাৰ দিয়াটো সুনিশ্চিত কৰিব আৰু এইটো এমেণ্ডমেন্ট কৰি আমি বিচৰা ধৰণে ন্যায়সংগতভাৱে কৰিব বুলি মই আশা কৰিছো। গতিকে মই এইখিনি কথাকে ব্যক্ত কৰিলো ছাৰ ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়া ঃ** Hon`ble Speaker Sir , আমি যিটো ক্ল‘জত এমেণ্ডমেন্ট আনিছো Clause- H, section - 2 **– ইয়াত কোৱা হৈছে,** original in habitant means a person who have been living in that Area along with his family for last three generations up to first January , of 2006 . ইয়াতে 2006 , How this a particular year have been picked up, what is the rational behind picking up this particular year , 2006 যদি হে মটো টো হয় যে, three generation, then the year should be prospective. আজিৰ দিনত ২০২৬ চনৰ ১ জানুৱাৰীও হ'ব পাৰে কিন্তু ৫ বছৰ পিচত সেইটো ২০৩১ চনৰ ১ জানুৱাৰীও হ'ব পাৰে। গতিকে arbitrate selection of the year is not acceptable, গতিকে এইটো এমেণ্ডমেন্ট হ'ব লাগে। ২ নম্বৰত আছে three generation আৰু প্ৰত্যেক জেনেৰশ্যন means 25 years . how this 25 years have been calculated ? বৰ্তমান আমাৰ বিবাহৰ ক্ষেত্ৰত নিয়ম হ'ল ১৮ বছৰ আৰু ২১ বছৰ। ইয়াৰ আগতে বাল্য বিৱাহ সকলোতে হৈ আছিলে, সকলো কমিউনিটিতে হৈ আছিল । গতিকে আমি যদি ধৰো, ছোৱালী এজনী ১৮ বছৰত বিয়া হ'ল – ১৯ বছৰত এটা বাচ্চা জন্ম দিলে সেইটো আকৌ ১৮ বছৰ হ'ল গতিকে এনেকৈ যদি ৩ টা জেনেৰেশ্যন ধৰা যায় তেন্তে হ'ব ৫৪ বছৰ হ'ব। গতিকে ছাৰ , this is irrational , this selection of the particular year and 25 years period for one generation as on date is irrational, গতিকে এই দুয়োটা সংশোধনত আনিব লাগে । তৃতীয়তে কিছু জেনেৰেল কথা ক'ব লাগিব Sir, If we bring this legislation this will violate several provision of our Constitution – for example it will violate Article -14 equality before law the State shall not deny to any person equality before the law or the equal protection of the laws within the territory of India . It will also this supposed to be legislation would be legislation will also violate Article -21 of our Constitution and all this are fundamental rights protection of life and personal liberty , it will further violate Article 13

which is also a fundamental right laws in consistent with or – inderoration of the fundamental rights shall be void. All laws in consistent to it fundamental right to shall be void . So, if this legislation is made this will be void. মই আৰু দুটা মান উদাহৰণ দিব বিচাৰিছো I Universal declaration of human rights . India is a signatory to it and as per Article 21 of our constitution we are bound to upheld all the international treaty specially the declaration of human rights , Article - 51 of our constitution guarantees that the State shall endeavour to foster respect for international law and treaty obligations in the dealings of organized people with one another and encourage this Article has been relied upon to introduce and implement various international instruments particularly declaration of human rights. বিশেষকৈ specially mention কৰা আছে আৰু দুটা providence আছে I Now, the International Declaration of Universal Declaration of Human Rights যিবোৰ clause আছে মাননীয় অধ্যক্ষ মহোদয় সেই clause বোৰৰ কেইবাটাও violate কৰা হৈছে I For example-article 1 of the Universal Declaration of Human Rights stipulates that all human beings are born free with equally dignity and rights, they are endowed with reasons and consignes and should act towards one another in a spirit of brotherhood . It also violates the Article 2 of the Universal Declaration of Human Rights that everyone is entitled to all the rights and freedom set forth in the declaration without distinction of any kind such as-race, colors, sex, language, religion, political or other opinion, national or social origin. Honourable Speaker Sir, it also violates Article 3 of the Universal Declaration of Human Rights that everyone has the right to live liberty and security of person, it further violates Article 13 (1) of Universal

Declaration of Human Rights it says everyone has the right to freedom of movement and residence within the borders of each State.গতিকে মাননীয় অধ্যক্ষ মহোদয়, সেই আইনখন যদি অনা হয় তেতিয়া হলে এই অকল আমাৰ সংবিধানৰ fundamental right violate নকৰিব, Article 51 violate নকৰিব,, Article 13 violate নকৰিব,, তাৰ লগতে violate কৰিব আমাৰ Universal Declaration of Human Rights ৰ বিভিন্ন clauses. এতিয়া ছাৰ, লাষ্ট এটা শব্দ যদিহে আমি সঁচাকে খিলঞ্জীয়াৰ কথাটো ভাবো, কোনো যাতে বেয়া নাপাই অসমত খিলঞ্জীয়া যদি প্ৰকৃততে ভাবো আমাৰ জনজাতীয় ভাইসকলে খিলঞ্জীয়া, তাৰো আগত যদি যাও দ্ৰাবিড়, আৰ্য্য তেতিয়াহ'লে আৰু বেলেগ হৈ যাব, গতিকে সেইবোৰলৈ নাযাও। বাকী আমি যিমান মানুহ আছে। কোনোবা ৮০০ বছৰ আগত আহিছে, কোনোবা ৪০০ বছৰ আগত আহিছে, কোনোবা ১৫০ বছৰ আগত আহিছে। এতিয়া আমাৰ নিজৰ সুবিধাৰ কাৰণে, if we distinguish between the groups of people for our benefits that is not allowed by Constitution. আমি ইতিমধ্যে We are all from outside. ৮০০ বছৰৰ পৰা আৰম্ভ কৰি ১৫০ বছৰ আগলৈ মানুহবোৰ বাহিৰৰ পৰা আহিছিল। আমি সকলোৱে, এতিয়া আমাৰ যদি এই জনজাতীয় ভাইসকলে কৰে তেতিয়াহলে অলপ শুনিবলৈ ভাল কাৰণ তেখেতসকলৰ অৰিজিনেলিটি তেওঁলোক বাসিন্দা। তেওঁলোকৰ তাতেই আমি আছো। Others we are all equal, not it is a matter of time . ১৮২৬, ১৯২৬ এনেকুৱা কথাবোৰ আহিছে। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰক অনুৰোধ কৰো যে দয়া কৰি এইটো আপোনালোকে amendment খিনি মানি লব আৰু যিহেতু, it will not pass the test of law in the court, আজি আইনখন পাছ কৰিব পাৰে কিন্তু কোৰ্টত সেইখন null and void হৈ যাব। গতিকে মই চৰকাৰী পক্ষক অনুৰোধ কৰিছো যাতে আমাৰ সংশোধন খিনি মানি লয়।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী ডাঙৰীয়া ৰিপ্লাই প্লিজ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অকনমান এই আইনখনৰ background ৰ বিষয়ে কব খুজিছো। অধ্যক্ষ মহোদয়, এইখন নতুন আইন নহয় আৰু এই আইনখনৰ বিষয়ে ইতিমধ্যে সদনত বহুতখিনি চৰ্চা হৈছিলে আৰু এই আইনখন সদনে ইতিমধ্যে অনুমোদন জনাইছিলে। কিন্তু বিতৰ্কৰ সময়ত তেতিয়াৰ সন্মানীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই এটা উল্লেখযোগ্য পইন্ট আনিছিলে original যিখন আইন আছিলে তাতে এটা লাইন আছিলে not withstanding 177(3), not withstanding anything contain to the contrary in this regulation or any other law for the time being in force the District Commissioner of the District may evict the unauthorized occupants from the territory to the protected Heritage area. তেতিয়া ভৰত নৰহ ডাঙৰীয়াই এটা প্ৰশ্ন আনিছিলে যে মাজুলীত বহুবিলাক schedule tribe মানুহ মাটিত বাস কৰি আছে, কিন্তু মাটিৰ পট্টা হোৱা নাই। গতিকে Deputy Commissioner ক এই power টো যদি দিয়া হয় তেতিয়াহলে schedule tribe মানুহখিনিও eviction হোৱাৰ সম্ভাৱনা আছে, কোনেও নকৰে বেলেগ কথা কিন্তু আইনগতভাৱে। তেতিয়া মই সদনত তৎকালীনভাৱে প্ৰতিশ্ৰুতি দিছিলো যে আমি schedule tribe, schedule caste তেখেতসকলক disturb হ'ব নিদিও। প্ৰয়োজন হলে সদনত মই এখন নতুনকৈ আইনখন আকৌ আনিম। গতিকে যিখিনি বিতৰ্ক ইতিমধ্যে ইয়াত উত্থাপন কৰা হৈছে যোৱা বছৰত ইয়াৰ ওপৰত ডিটেইল প্ৰায় তিনি ঘন্টাৰ বিতৰ্ক হৈ গৈছে। আজি আমি সেই সময়ত যিটো মই কংগ্ৰেছক দলক প্ৰতিশ্ৰুতি দিছিলো, সেইমতে আমি এটা নতুনকৈ আইনখন draft কৰিলো আৰু আমি লিখিলো যে Not with standing anything contain to the the contrary in this regulation or any other law for the time being in force the District Commissioner of the District may evict the unauthorized occupants from the territory of the protected Heritage Area….

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৈ আছো section 2 তেখেতে section 177

**মাননীয় অধ্যক্ষঃ** আগতে notice কৰা আছে, গতিকে আপুনি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ থাকিলে মাজতে কব নোৱাৰে।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** Chapter 12 ৰ part হৈ যাব। একেটা লাইন। তাতে আপুনি 3 টো পঢ়ি লওক। ইয়াত এইখনত Chapter 12 হৈ যাব নহয়, Land and Revenue Regulation ত যেনেকৈ আমাৰ 10th Schedule আছে , এইখন 12th Schedule হ'ব। মই লাইন কেইটা একেটাই। From the territory of the protected Heritage Area other than the person belonging to the Scheduled Caste, Scheduled Tribe, Indigenous Ethnic community and disadvantage group অৰ্থাৎ মাননীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াই ঠিকেই কৈছে যে Scheduled Tribe আমি তেওঁলোকক সুৰক্ষা দিছো, Scheduled Caste ক আমি তেওঁলোকক সুৰক্ষা দিছো, আহোম, মটক, মৰাণক সুৰক্ষা দিছো। আমি কিন্তু সুৰক্ষা লোৱা নাই। আপোনালোক আৰু আমি লোৱা নাই। কাৰণ আপুনিয়ে কৈছে তেওঁলোক অসমৰ origin, গতিকে এতিয়া আমি origin মানুহখিনিক সুৰক্ষা দিছো আৰু এই protection ত বামুন, কলিতা বা মুছলমান মানুহৰ নামটো আমি ৰখা নাই। গতিকে মই ভাবো যে, আপোনাৰ পইন্টটোকে ধৰিছো যে খিলঞ্জীয়া বুলি কলে ST

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** Definition covering the entire Assam Land and Regulation definition ত হে আমি আছো ছাৰ। 177 ত যোৱাই নাই।

**মাননীয় অধ্যক্ষঃ** Leader of the House আৰু LOP এ কথা কলে মাজত আপুনি কব নোৱাৰে।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, Definition ৰ কথা কলে আপুনি ৭৫ বছৰ চিন্তাই কৰিব নালাগে, আপুনি ১৫০ বছৰ আগতেই আহি গ'ল। দ্ৰাবিড়িয়ান হৈ গ'ল, এড়িয়ান হৈ গ'ল, already ত কলেই।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** very good Sir. Documents বিলাক পুৰণি। ৩১ ৰ Document ৭৫ বছৰ বেক হৈ গলে ৩৩ হয়। Documents available কৰি...

**মাননীয় অধ্যক্ষঃ** প্লিজ চিট।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এইমাত্ৰ indirectly কলে যে কলে বহুত হৈ যাব এৰিয়ান, দ্ৰাবিডিয়ান তাৰ মানে বুজাব খুজিছে যে, এওঁলোক অসমৰ মুহিম মজুমদাৰৰ কিতাপখনেই আনিব খুজিছে যে এওঁলোক অসমৰ বহু দিনৰ বাসিন্দা। গতিকে মাত্ৰ ৭৫ বছৰত কিয় চিন্তা কৰিব লাগে ? It is only about 75 years. এতিয়া মই....

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** ছাৰ চৰকাৰী Document একো নাই নহয়। ছাৰ এতিয়া এটা cut off date ধৰিব সেইটো ছাৰ যুক্তিসংগত হ'ব লাগিব, কাগজ পাতি থাকিব লাগিব।

**মাননীয় অধ্যক্ষঃ** প্লিজ চিট ডাউন।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** তাৰো উত্তৰ দিম।

আপোনালোকে মাজে মাজে থিয় হৈ থাকিব নালাগে। আপুনি কৰা গোটেইকেইটা প্ৰশ্নৰ উত্তৰ দিম বুলিয়েই মই house লৈ আহিছো। ধুনীয়াকৈ এটা এটাকৈ দিম। যে প্ৰথম এই বিলখনৰ amendment টো অনা হল কংগ্ৰেছ দলৰ ভৰত নৰহ ডাঙৰীয়াই এটা উত্থাপন কৰিছিল। তেতিয়া মোৰ মনত লাগিছিল যে হয় কোনোবাই ক্ষমতাৰ অপপ্ৰয়োগ কৰি যদি Scheduled Caste, Scheduled Tribe ক evict কৰি দিয়ে কি হ'ব ? সেইকাৰণে তেওঁলোকক যাতে evict কৰিব নোৱাৰে তাৰ কাৰণে আমি এটা specific clause আনিলো। এতিয়া অধ্যক্ষ মহোদয়, এই আইনখন কি ? চিম্পল আইন ইয়াত মই ভাবো যে সকলোৱে সমৰ্থন দিব লাগে যে ২৫০ বছৰ পুৰণা যদি কোনোবা ধৰ্মীয় অনুষ্ঠান আছে তাৰ ৫ কিলোমিটাৰ খিলঞ্জীয়া মানুহখিনি থাকিব। তাৰ মানে যিটো সেই অনুষ্ঠানটোৰ লগত জড়িত। বৰপেটাত আমাৰ বৰপেটীয়া মানুহ সকল থাকিব। বটদ্ৰৱাত বটদ্ৰৱাৰ মানুহখিনি থাকিব। মইয়ো তাত গৈ থাকিব নোৱাৰো। It is not

discriminated against religious minority. কালি যদি হিমন্ত বিশ্ব শৰ্মাই মাজুলীত মাটি কিনিব খোজে নোৱাৰিব। কালি যদি মইও বৰপেটাত মাটি কিনিব খোজো মইয়ো নোৱাৰিম। তাৰ মানে it is not discriminated against Muslim it is for everybody .আমি এইটোও কৰিব খুজিছো যে কামাখ্যা মন্দিৰৰ আশে পাশে যাতে কামাখ্যাৰ পাণ্ডা সকলৰ পৰিয়ালে থাকে। বটদ্ৰৱাৰ ৫ কিলোমিটাৰ আশে পাশে যাতে বটদ্ৰৱা সত্ৰৰ ভকতসকলেই থাকে। বৰপেটা সত্ৰৰ আশে পাশে যাতে বৰপেটা সত্ৰৰ ভকতসকলে থাকে। তাৰ মানে এইটো নহয় যে শ্বেৰমান আলীক থাকিবলৈ দিয়া নাই কিন্তু হিমন্ত বিশ্ব শৰ্মা থাকিব পাৰিব। ইয়াত কোনো discrimination য়েই নাই। No caste no creed. অৰ্থাৎ স্থানীয় মানুহ, সেয়া হিন্দুয়েই হওঁক বা মুছলমানেই হওঁক, সকলোৱে থাকিব পাৰিব। বাহিৰৰ পৰা মইও যাব নোৱাৰো, পীযুষ হাজৰিকাও যাব নোৱাৰে, শ্বেৰমান আলীয়েও যাব নোৱাৰে আৰু ওয়াজেদ আলী চৌধুৰীয়েও যাব নোৱাৰে। তাৰ মানে it is completely a secular principle. এতিয়া আমি কিয় যাব বিচাৰিছো

..........interruptions..........

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** আমি যাব বিচৰা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** যদি যাব বিচৰা নাই তেন্তেটো নাইয়েই

..........interruptions..........

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** Definition is applicable for

..........interruptions..........

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, definition ত লিখা আছে, মই section 3 পঢ়িছো। তাত আছে- Iconic Heritage Institute means

..........interruptions..........

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** Sir, that is Chapter XII. We have brought amendment regarding Section 3 of the regulation. এই definition টো গোটেই regulationৰ বাবে applicable

..........interruptions..........

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মই যিখন পঢ়ি আছো সেইখনৰ লগত section 3 টো একেটাই বস্তু। তাত নতুন কথা একো লিখা নাই। Section I Amendment 2 (Q) ত লিখা আছে- Iconic Heritage Institute means the institution building, art effects, structure, constructions having archaeological, historical and aesthetic or cultural significance which are reflective of the socio-cultural and religious ethos of the state and are of at least 250 years old. তাৰ মানে ২৫০ বছৰ পুৰণি ৰংঘৰ, কাৰেংঘৰ, বৰপেটা সত্ৰ, আউনীআটী সত্ৰ এইখিনিক আমি Iconic Institute বুলি লৈ আমি কৈছো যে territory of Iconic Heritage Institute means a geographical area within a radius of 5 km. তাৰ মানে বৰপেটা সত্ৰৰ পৰা ৫ কিঃমিঃ ঠাই, বৰদোৱা সত্ৰৰ পৰা ৫ কিঃমিঃ ঠাই আৰু কামাখ্যা মন্দিৰৰ পৰা ৫ কিঃমিঃ ঠাই আমি লৈছো। ইয়াৰ পিছত কৈছো যে original inhabitant means a person who have been living in that area along with his family for three generations upto 2006, one generation means a period of 25 years. ইয়াৰ গোটেই অৰ্থটো হ'ল যে কামাখ্যা মন্দিৰ, বৰদোৱা, বৰপেটা সত্ৰৰ ৫ কিঃমিঃৰ আশে-পাশে যিসকলে ইতিমধ্যে ম্যাদী পট্টা লৈ বহিছে বা legally বহি আছে তেওঁলোকৰ কোনো ক্ষতি নহয়, সেইটো Actত লিখা আছে। কিন্তু আজিৰে পৰা আমি তাত নতুনকৈ মাটি কিনিব নোৱাৰিম। একদম simple কথা। বৰদোৱাত কিয় মাটি কিনিব লাগে?

..........interruptions..........

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** একদম আপত্তি নাই। Definition টো তেন্তে সংশোধন কৰি দিয়ক। Definition is for the entire regulation

..........interruptions..........

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** আপোনালোকে সদনত এইটো ক'ৰ পৰা শিকিলে মই নাজানো যে মুখ্যমন্ত্ৰীয়ে কথা কৈ থাকিলে উঠি দিব

..........interruptions..........

**माननीय অধ্যক্ষঃ** এই সম্পৰ্কত আমাৰ resolution লোৱা আছে

..........interruptions..........

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** আপুনি যেতিয়া কৈ আছিল তেতিয়াই মোৰ ক'বলৈ মন গৈ আছিল কিন্তু মই ধৈৰ্য্য ধৰিছো। আমি matured হৈ গ'লো, we are about to be 60 years. আমি কিয় ল'ৰা-ধেমালি কৰি থাকো? এজনে টেবুলত উঠি নৃত্য কৰি থৈ গ'ল আৰু এজনে এনেকৈ। এইখন গণতন্ত্ৰৰ পৱিত্ৰ মন্দিৰ। গতিকে আমি এটা system ত চলো। মোৰ কথাখিনি শুনাৰ ধৈৰ্য্য কিয় নাই ? মইতো সকলো কথাই শুনো। উত্তৰ দিম বুলি কৈছোৱেই। আপোনালোক ইমান অধৈৰ্য্য কিয় হ'ব লাগে ? মুখ্যমন্ত্ৰীজনৰ যদি অপাৰ ধৈৰ্য্য আছে তেন্তে আপোনালোক ইমান অধৈৰ্য্য কিয়? মই ১০২ জন মানুহৰ নেতা হৈ মোৰ ইমান ধৈৰ্য্য আপোনালোক ইমান অধৈৰ্য্য কিয় হয়? অলপ ধৈৰ্য্য ধৰক তাত কোনো অসুবিধা নাই । আমি এতিয়া কৈছো যে বৰপেটা বা পোৱামক্কা বা হাজোৰ হয়গ্ৰীৱ মন্দিৰ, যি আছে সেইয়া Hindu Religious Institute বুলি কোৱা নাই, হিন্দু, খ্ৰীষ্টান, মুছলিম যি Institute য়েই নহওঁক কিয়, ৫ কিঃমিঃ ভিতৰত যিসকলে legally ম্যাদী পট্টা লৈ বহি আছে, তেওঁলোক বহি থাকিব। কিন্তু আমি বাহিৰৰ পৰা গৈ নতুনকৈ মাটি নিকিনো। আমাৰো এজন বিধায়কে আপত্তি কৰিব লাগিছিল যে আমাক কিয় বাধা দিছো আমাৰতো কোনো বিধায়কে আপত্তি কৰা নাই। কংগ্ৰেছে কিয় আপত্তি কৰিছে? উদাহৰণ হিচাপে কৈছো, ৰূপক শৰ্মাই ক'ব পাৰে যে তেওঁৰ ঘৰটো নগাঁৱত গতিকে তেওঁক কিয় বৰদোৱাত মাটি কিনাত বাধা দিছে বা অধ্যক্ষ মহোদয়, আপোনাৰ ঘৰ

সৰভোগত, আপুনিওতো ক'ব পাৰে যে মোক বৰপেটাত কিয় মাটি কিনাত বাধা দিছে বা মাজুলীৰ ওচৰতেই হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়া থাকে, গতিকে তেওঁলোকেওতো আপত্তি কৰিব পাৰিলেহেঁতেন যে কিয় তেওঁলোকক বাধা দিয়া হৈছে। কিন্তু আমাৰ মনত cultural aggression নথকাৰ বাবে আমি ভাল পাইছো যে স্থানীয় মানুহখিনি থাকিলেহে সত্ৰখন জীয়াই থাকিব। স্থানীয় মানুহখিনি থাকিলেহে কামাখ্যা মন্দিৰ জীয়াই থাকিব। আজি মই কামাখ্যাৰ বিধায়ক। নিয়মত মইহে আপত্তি কৰিব লাগিছিল যে মই কিয় তাত মাটি কিনিব নোৱাৰিম কাৰণ it is not against Muslims. সেই ঠাইখিনি ৭৫ বছৰ পুৰণি হ'ব লাগিব। কেৱল অকলand পুৰণা অসমীয়া হ'লেই নহ'ব। মোৰ দেউতা হয়তো ১২০০ খ্ৰীষ্টাব্দত আছিল কিন্তু সেই ৫ কিঃমিঃ ভিতৰৰ এলেকাটোত যিহেতু মই ৭৫ বছৰ থকা নাই, গতিকে মইও মাটি কিনিব নোৱাৰো। এই provision টোক লৈ আমাৰ ইয়াত কোনো ধৰণৰ হুলস্থূল হোৱা নাই যে দাদা এনে ধৰণৰ প্ৰস্তাৱ কিয় আনিলে? আমিতো অসমীয়া, ১২০০ চনত আহিছিলো, আমিও বৰদোৱাত মাটি কিনিব নোৱাৰিম নেকি? হয়, নোৱাৰিব। সেইজনে মাটি কিনিব পাৰিব যিজনে বৰদোৱা সত্ৰৰ ৰাতিপুৱাৰ প্ৰাৰ্থনা বুজি পায়, যিজনে বৰদোৱা সত্ৰৰ প্ৰভাতী নামঘৰৰ spiritual বাণী বুজি পায়। গতিকে এই Bill খন not against the community . এই Bill খনে হিন্দু –মুছলমান সকলোকে barred কৰিছে যে ৫ কিঃমিঃৰ ভিতৰত নাযাব। ইয়াতে যদি আপোনালোকে আপত্তি কৰে তেন্তে মই বুজি পাম যে আপোনালোকৰ ৫ কিঃমিঃৰ ভিতৰত যোৱাৰ মন আছে

....interruptions.......

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** আমি যাব ইচ্ছা কৰা নাই

..........interruptions..........

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** আপোনালোক বৰপেটা সত্ৰৰ যদি ৫ কিঃমিঃৰ ভিতৰত যায় তেন্তে ২০-২৫ জন মানুহ হৈ গ'লে নামাজৰ বাবে মছজিদ এটা কৰিবই লাগিব ..........interruptions..........

**শ্ৰী আব্দুৰ ৰহিম আহমেদ,(চেঙা)ঃ** আমি যাব ইচ্ছা কৰা নাই ..........interruptions..........

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** যদি ইচ্ছা নাই তেন্তে আমি সদনৰ পৰা বিশেষকৈ ৰহিম ডাঙৰীয়াই, যি আগতে বৰপেটাৰ বিধায়ক আছিল, তেখেতে ভাল বাৰ্তা পঠাব লাগে যে তেওঁ Bill খন support কৰিছে। সদনৰ পৰা বাৰ্তা পঠাব লাগে যে আমি অসমখনক ৭১ চনৰ ভিত্তি বৰ্ষ হিচাপে লৈ এখন নতুন অসম নিৰ্মাণ কৰিব বিচাৰিছো। দম দি কৰিলেতো নহ'ব। দম দি হিমন্ত বিশ্ব শৰ্মাক যে নোৱাৰে সেইটো নিৰ্বাচনে প্ৰমাণ কৰি দিলে। আমি নতুন বৰ অসম নিৰ্মাণ কৰিম। ইজনে সিজনক আমি সন্মান কৰিম। যদি ১৫ কিঃমিঃ আহিলহেঁতেন তেন্তে আমি oppose কৰো যে ১৫ কিঃমিঃৰ এলেকাত আমাৰ যথেষ্ট মানুহ আছে। হয়, ৫ কিঃমিঃতো আমাৰ মানুহ আছে, কিন্তু বিলখনত আমি কৈছো যে থকা মানুহখিনিক আমি দিগদাৰী নকৰো। যাৰ ইতিমধ্যে ম্যাদী পট্টা আছে। ইয়াত আপত্তি কৰিবলগীয়া কিবা আছে নেকি? আপোনালোক মাজুলীত যাব বিচাৰিছে নেকি? নাই বিচৰা। আপোনালোক কামাখ্যা মন্দিৰ যাব খুজিছে নেকি? নাই খোজা । যদি যাবই বিচৰা নাই তেন্তে ইয়াত আপত্তি কৰিবলগীয়া কি আছে? যেতিয়াই যাবই খোজা নাই ইয়াত আপত্তি কৰিবলগীয়া কি আছে। আপোনালোকে বুজি পোৱা নাই কাৰণে মই বুজাই দিলো। আপোনালোকেতো ভাবিছিল যে আমাক যাব দিয়া নাই। কিন্তু হিন্দু এজন যাব পাৰিব। ইয়াত কোনো যাব নোৱাৰে। এতিয়াৰ পৰা বৰপেটা, মাজুলী, বৰদোৱা কেৱল তাৰ স্থানীয় মানুহখিনি থাকিব। স্থানীয় হিন্দু নে মুছলমান সেইটো আমি চোৱা নাই। স্থানীয় মানুহখিনি থাকিব পাৰিব। It is a highest from of secularism এতিয়া আপোনালোকে কৈছে ২০০৬ টো ক'ৰপৰা আহিল, ২০০৬ টো মনমোহন সিং ডাঙৰীয়াই দি থৈ যোৱা। Forest Right Protection Act ত প্ৰথম বাৰৰ বাবে ক'লে যে ২০০৬ ৰ আগত অহা tribal মানুহ থাকিব পাৰিব। কিন্তু general মানুহৰ কাৰণে ২০০৬ ৰ আগৰ ৭৫ বছৰ লাগিব। This definition we have borrowed from Dr. Monmohan Singh, Forest

definition ২০০৬ টো কৰবাৰ পৰা অহা শব্দ নহয়। ২০০৬ শব্দটো কংগ্ৰেছ দলে আমাক দি থৈ যোৱা শব্দ যে তিনি generation যদি গণনা কৰে, যোৱাকালি চক্ৰধৰ গগৈয়ে আনিছিল, তাতে শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই উত্তৰ দিছে যে তিনি generation মানে one generation is 25 years. এতিয়া আপোনালোকে ক'ব যে নহয়, মনমোহন সিং বেয়া। সেইটো মই নাজানো। ২৫ বছৰ বস্তুটো আহিলে ক'ৰপৰা ? কংগ্ৰেছৰ পৰা যে যদি forest ত কোনোবা non tribal মানুহ থাকে, তেওঁ forest right পাবৰ কাৰণে ২০০৬ চনৰ আগৰ তিনি generation হ'ব লাগিব । International covenants কোনে ভাঙিলে ? যিমানকেইখন covenants শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই ক'লে সেই সময়ত আপুনিও কংগ্ৰেছ দলত আছিল তেতিয়া মনমোহন সিঙকতো covenants নুবুজালে । গতিকে আমাক এইবিলাক কিয় বুজাব লাগে? পিছত সোমাই আনিছে, এম. এল. এ. হ'ল, তেতিয়াতো ওয়াজেদ আলী চৌধুৰী আছিল, তেতিয়াতো covenants বিষয়ে কোৱা নাছিল ? গতিকে তেতিয়া কোৱা নাছিল আজি আৰু repeat কৰিব নালাগে । কাৰণ আজি বৰ অসম বনোৱাৰ সময় । এই আইনখনতো গুচি গৈছিল Assembly ৰ approve হৈ। মাত্ৰ ভৰত নৰহ ডাঙৰীয়াৰ কথাটো সন্মান জনাই সেই Clause টো মই Amendment আনিলো যে excluding তাৰ বাদে যোৱাবাৰো মোক সদনত কংগ্ৰেছ দলে ইয়াত আশ্বাস দিছিল যে আমি বৰদোৱা সত্ৰৰ ৫ কিলোমিটাৰ যোৱাৰ আমাৰ ইচ্ছা নাই, বৰপেটা সত্ৰৰ ৫ কিলোমিটাৰ যোৱাৰ আমাৰ ইচ্ছা নাই, মাজুলীৰ ৫ কিলোমিটাৰ যোৱাৰ আমাৰ ইচ্ছা নাই, আমি এইখন সমৰ্থন কৰিছো । মাত্ৰ মাজুলীৰ পৰা যাতে schedule tribe মানুহখিনিৰ eviction নহয়, তাৰ provision এটা আনি দিয়ক । এইটোতো যোৱাবাৰ কংগ্ৰেছে agree কৰা এইখন আইন । যিটো বিচাৰিছিল মই এইটো আনিলো । মই ভাবিছিলো ৰাতিপুৱা পীযুষ হাজৰিকাক কৈছিলো যে এইটো লৈতো একো বিতৰ্ক নাই । কাৰণ কংগ্ৰেছৰ মতে আমি Amendment টো আনিছো । বাকী এইখিনিটো হৈয়ে গ'ল । গতিকে simple এই আইনৰ জৰিয়তে বৰপেটা, বৰদোৱা, মাজুলী within 5 k.m ৰ ভিতৰত তিনি generation থকা

মানুহে আজিৰ পৰা মাটি কিনা-বেচা কৰিব পাৰিব। বাকীয়ে নোৱাৰে। হিন্দুও যাব নোৱাৰে, মুছলমানো যাব নোৱাৰে, খ্ৰীষ্টানো যাব নোৱাৰে । যদি ৫ কিলোমিটাৰৰ বাহিৰত হয় খালী, যদি অকতৃত্বশীলভাবে বাস কৰি আছে । তেতিয়াহ'লে DC য়ে eviction  কৰিব পাৰিব। যদি অকতৃত্বশীলভাবে বাস কৰি আছো৷ বৰপেটা, মাজুলী, বটদ্ৰৱাৰ ৫ কিলোমিটাৰৰ ভিতৰত, ৬ কিলোমিটাৰ হ'লে কথা নাই। যিয়ে অকতৃত্বশীল থাকে, সিটো এনেও  eviction হয়। গতিকে তাত কোনো নতুন কথা একো নাই । গতিকে এই আইনখন most secular ক'ৰপৰা তিনি  generation আহিছে সেইটোও ক'লো। ২০০৬ চনটো আহিছে, সেইটোও ক'লো আৰু মইতো মাজে মাজে আচৰিত হওঁ যে আপোনালোকে মহিম মজুমদাৰৰ কিতাপখন পঢ়ি চাব। তাত লিখা আছে অসমৰ অধিবাসী মুছলমান সকল আচলতে  Dravidian  আৰু তেওঁলোক হাজাৰ বছৰ আগতে অহা। গতিকে  tension য়ে নাই। মাত্ৰ ৭৫ বছৰহে ধৰিছো। গতিকে tension ল'বলগীয়াতো একোৱে নাই। গতিকে আপোনালোকে ক'তো  tension নল'ব। যেতিয়ালৈকে সময়সীমা ১২ শ চনমান নিদিও, তেতিয়ালৈকে আপোনালোকে tension নল'ব আৰু যিজনে কিতাপখন editing কৰিছিল, তেওঁ এতিয়া কংগ্ৰেছ দলৰ কিবা সমষ্টিত election উঠিব খুজিছিল. তেওঁৱেই edit কৰিছিল । তাত declare কৰি থৈছে যে অসমৰ Immigrant minority মানুহ বিলাক Dravidian হয় আৰু আৰ্য্যসকল অহাৰ আগতে আহিছিল । গতিকে আপোনালোকৰ কোনো কথাত tension য়ে নাই। আমাকহে tension দিব এইবিলাকত। যদি কোনোবা আইনত আহে যে এহাজাৰ বছৰ আগত অহা মানুহ eviction হ'ব, তেতিয়াহে আপোনালোকে tension ল'ব। Otherwise কোনো tension নল'ব। মই ভালকৈ কৈছো, গতিকে এই আইনখন একো নাই, মই এইখিনি ধেমালিতে ক'লো যে simple কথা। বৰপেটা সত্ৰক সন্মান জনাইছো, বৰদোৱা সত্ৰক সন্মান জনাইছো, মাজুলীক সন্মান জনাইছো আৰু ইয়াত পোৱামক্কাও থাকিব। কাৰণ পোৱামক্কাও আঢ়ৈশ বছৰৰ আগৰ । Any religious institution হিন্দু হওঁক, মুছলমান হওঁক, খ্ৰীষ্টান হওঁক, আমাৰ হাফলঙত আঢ়ৈশ বছৰৰ পুৰণা চাৰ্চ

আছে, তাৰ ৫ কিলোমিটাৰৰ ভিতৰত মাত্ৰ যাতে স্থানীয় মানুহ থাকিব পাৰে। অস্থানীয় মানুহ গ'লে কি হয়, পৰম্পৰাবোৰ নষ্ট কৰি পেলায়, ঐতিহ্যবিলাক নষ্ট কৰি পেলায়। সেই কাৰণেহে এইখন আইন আৰু এইটো আপোনালোকে নাভাবিব যে we are preventing only religious minority, no we are also preventing religious majority also from entire India. গতিকে আপোনালোকৰতো আপত্তি কৰিবলগীয়া একো কথাই নাই। মই আপোনালোকৰ সহযোগিতা বিচাৰিছো। কাৰণ যিখন আইন Amendment আহিছে, As per the demand of Congress party যে মাজুলীত যাতে ST মানুহখিনি eviction নহয়, আমি ST বুলি কওঁতে অলপ বেছি লিখি দিলো যে ৫ কিলোমিটাৰৰ ভিতৰত যদি কোনোবা ST বহি আছে Schedule Cast বহি আছে, তেওঁলোকক আমি পট্টা দি দিম এই বিলখনত তেওঁলোকক কোনো eviction কৰিব পৰা নাযাব। সেইটোত আপুনিও agree. এইমাত্ৰ ক'লেই যে, ST ৰ ভাল কাম কৰিব লাগে। আমি কেৱল ST ৰ লগত যেনিবা SC টো লগাই দিছো। ইমানেই। গতিকে সকলোৰে সহযোগিতা বিচাৰিছো ই মাজুলী, বৰদোৱা, বটদ্ৰৱাৰ সুৰক্ষাৰ বাবে লোৱা এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি ভাষণত ক'লে, তেখেতৰ intent ৰ লগত আমাৰ অকনো বিভেদ নাই কিন্তু সমস্যাটো হ'ল, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অলপ চাব কৈছো, যিটো definition original inhabitant, this comes under section 3 of the original act and the section 3 is applicable or on other section. আপুনি যিটো iconic heritage ৰ কথা কৈছে this relates to only chapter 12. কিন্তু এই definition টো Assam Land And Revenue Regulation ৰ গোটেইকেইটা chapter ৰ কাৰণে গোটেইকেইটা section ৰ কাৰণে প্ৰযোজ্য। গতিকে তেখেতৰ যিটো intent যে কেৱল সত্ৰ বা iconic institution protection কৰক, we don't have any objection. কিন্তু এই definition টোক যদিহে গোটেই Assam Land And

Revenue Regulation ৰ গোটেই section বোৰ affect কৰে, তেতিয়া এইটো ভয়ংকৰ কাৰবাৰ হ'ব।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্রীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শ্ৰীশ্বেৰমান আলী ডাঙৰীয়াক প্ৰতিশ্ৰুতি দিছো যে, this is only relevant to iconic institution. কিন্তু যদি সকলোৰে কাৰণে যদি affect কৰে, তেতিয়াহ'লে আমি সেইটোও আমি amend কৰিম। কিন্তু মোৰ মতে this is only for this.

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** Very good. Sir, মই সেই কাৰণে এটা Amendment ইয়াতে move কৰিব খুজিছো নতুনকৈ এই যিটো clause আছে, original inhabitant last ত লিখি দিব লাগে in respect of chapter 12 তেতিয়াহ'লে আমাৰ আপত্তি নাই। That is accepted Sir.

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্রী** ঃ Accepted.

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** Very good, then we don't have any objection.

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্রী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি Government Amendment ত লিখি দিম this definition is only relevant for chapter-12 only for iconic heritage এইটোৱে কথা। Actually সেইটোৱে আছে। কিন্তু আপোনালোকৰ মনত যিহেতু চিন্তা আছে, ৰহিম ডাঙৰীয়া মই মানিয়েই ল'লো কাৰণ আমাৰ উদ্দেশ্যটো বৰপেটা, মাজুলী আৰু বটদ্ৰৱা secure কৰা। যদি সকলোতে হয়, তেতিয়াহ'লে সকলো মানুহ affected হ'ব। সেই কাৰণে আমি লিখি দিম যে original inhabitant ৰ last ত আমি এটা শব্দ দিম in the reference to chapter 12 এইটো আমি Government Amendment মই move হে কৰিলো। Kindly আপুনি সেইটো accept কৰি দিলে আমি পিছত লাইনটো ভৰাই দিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা যুক্তিসংগত কথা।

**মাননীয় অধ্যক্ষঃ** ইমান নালাগে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, please. মাননীয় মহোদয়েও বেয়া নাপায় মই জানো। আপুনি ২০০৬ আৰু ২৫ বছৰ, সেইটো আছিল regarding forest. খুব Strict কৰি কৰিছিল, কোনে কৰিছিল মই তেতিয়া বিধায়ক নাছিলো,এম. পিও নাছিলো, এতিয়া কথাটো হ'ল যে যিহেতু we are dealing with the land in general land গতিকে এইক্ষেত্ৰত prospective date টো use কৰিব লাগে 2006 নহয়। 2026 তাৰ prospective date হ'ব আৰু 3 generation টো it is related to general land not related to forest.

গতিকে ২৫ বছৰৰ ঠাইত ১৮ বছৰ কৰি দিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ বিধায়ক হিচাপে আপুনি জানে যে আমাৰ বাঘবৰ সত্ৰৰ আজি অৱস্থা কেনেকুৱা। ৫ কিলোমিটাৰৰ ভিতৰত কেইবাটাও মছজিদ আহি গৈছে। যদি এই আইনখন আজিৰ পৰা ৫০ বছৰ আগত আহিল হেঁতেন সত্ৰখনৰ অন্তত পাঁচ কিলোমিটাৰ আমি বচাব পাৰিলো হেঁতেন। এতিয়া মই কাকো আপত্তি নকৰো। এইটো demographic change এটা হৈছে। তাত I have nothing any negative feeling. এই আইনখন যদি মাননীয় শৰৎ সিংহ ডাঙৰীয়াৰ দিনত আহিল হেঁতেন, মাননীয় হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ দিনত আহিল হেঁতেন, তেতিয়া হয়তো আপুনি আজি বাঘবৰ সত্ৰৰ মানুহখিনি নিৰাপত্তাৰ অভাৱত আৰু নাম কীৰ্ত্তনৰ শব্দ শুনাৰ ভিতৰতে কেইবাটাও মছজিদও স্থাপন হৈ গৈছে। কাৰণ এক্টখনত লিখা আছে যে কোনোবা যদি বহিলে তাক উঠাব পৰা নাযায়, মাত্ৰ remaining institute কেইটামান আমাৰ আছে বৰপেটা সত্ৰ, বটদ্ৰৱা। এইক্ষেত্ৰত মই বিচাৰো আপোনালোকৰ যদি স্পিৰিটটো বৰ অসম নিৰ্মাণ হয়, আপোনালোকে মোক ক'ব লাগে যে ৭৫ নহয় ১০০ কৰি দিওঁ। এইটো হ'ল সময়ৰ আহ্বান আৰু আমি যথেষ্ঠ পজিটিভলী ইয়াত বহিছো। বৰপেটা, বটদ্ৰৱা, মাজুলী কেইখনমান জিলা বাকী আছে, let it be survived. ইয়াত যদি কমাব চেষ্টা কৰো তেতিয়াহ'লে এইটোৱে বুজাব যে নহয়, আমি কোনোবাই তাত মাটি কিনিব খুজিছো। গতিকে ইমানখিনিলৈকেটো এৰি দিব লাগে আৰু এইটো নতুন

কথা নহয়। দুবছৰ আগৰ পৰাই এই নিয়মতো বৰপেটাত প্ৰযোজ্য হৈয়ে আছে। ইতিমধ্যে by Government order এইটো চলিয়েই আছে । ইয়াত আৰু সংশোধনী আনিব নালাগে । আপোনালাকেও এটা বাৰ্তা পঠাওক যে মাননীয় বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, মাননীয় আব্দুৰ ৰহিম ডাঙৰীয়াই ইয়াক আদৰণি জনাইছে আৰু বৰপেটাৰ ৰাইজে আপোনালোকক ভাল পাব। এনেকৈ হাউচৰ পৰা লাহে লাহে আমি বৰ অসম নিৰ্মাণৰ এটা বাৰ্তা পঠিয়াব লাগিব । ইয়াত এনেকৈ সৰু সৰু কথাবোৰ যেনে আজি যেতিয়া আপুনি আপোনাৰ ভাষণ শুনিব যে মুখ্যমন্ত্ৰীয়েও আপোনাৰ এটা কথা মানি ল'লে আৰু আপুনিও মুখ্যমন্ত্ৰীক মানি ললে। এইটোৱেটো বুজাবুজি। মই পোনপটীয়াকৈ ক'লো যে মোৰ Chapter-12, এইটো লৈহে concerned. বাকী three generation ৰ definition এইটো থাকিব নালাগে। আপোনালোকৰ মনত শংকা আছে , । agree immediately. বাকীখিনি আপোনালোকে মোৰ কথা মানক যে এই তিনিটামান থাকিব দিয়ক আৰু স্থানীয় মানুহক কৈছো, তাত মইয়ো যাব নোৱাৰো। আপোনালোকে তেতিয়া জেদ কৰিব যে ছাৰ, আপুনিটো যাব পাৰিব। য'ত মই কৈছো মই ও যাব নোৱাৰো। তাত আমাৰ আপত্তি কৰিবলগীয়া কি আছে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** Particular ৰ কাৰণে এইখিনি ছাৰ, আমি জেনেৰেল বুলি ভাবিছিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** Not general, only Barpeta, Batadrava, Majuli, Poa Mecca 250 years old institute.গতিকে আপোনালোকে এইখিনি মানি লওঁক । আমাৰ মেজ'ৰিটি আছে, পাচ কৰাব পাৰি কিন্তু that is not important. আমি ঐক্যমতত পাচ কৰাইছো, সেইটো এটা বাৰ্তা যায়।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীমজিবুৰ ৰহমান, শ্ৰী শ্বেৰমান আলী আহমেদ, ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াৰ লগতে সহযোগীসকলে সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে ?

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আন্তৰিকভাৱে ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ তেখেতে খুব সুহৃদয়তাৰে, মই ও বুজি পাইছিলো তেখেতৰ intent টোৰ লগত আমাৰ কোনো বিৰোধ নাই। কেৱল অৰ্থটোত অলপ বেলেগ হৈ আছে। তেখেতে এইখিনি মানি লোৱাৰ কাৰণে তেখেতক মই আন্তৰিক ভাৱে ধন্যবাদ জনাইছো আৰু মই মোৰ যিখিনি সংশোধনী আছিল সেইখিনি উইদ্ৰ কৰিলো।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়া।

**শ্ৰীওয়াজেদ আলী চৌধুৰী, ( বিৰোধী দলৰ দলপতি ):** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমাৰ এটা সংখ্যা আছিল যে এইটো কেৱল religious institute ৰ বাহিৰেও হয়তো প্ৰযোজ্য হ'ব তেনেকুৱা এটা ধাৰণা লৈ আমি সংশোধনী আনিছিলো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিহেতু ক্লিয়াৰ কৰিছে, আৰু এটা কথা কৈ দিওঁ যিখিনি মানুহ আগৰ পৰা আছে সেইখিনি মানুহ থাকিব, নতুনকৈ কোনো যাব নোৱাৰে । গতিকে এইটো যিহেতু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক্লিয়াৰ কৰিছে গতিকে আমি আমাৰ সংশোধনী উঠাই লৈছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য শ্ৰীমজিবুৰ ৰহমান ডাঙৰীয়া, আপুনি আপোনাৰ সংশোধনীটো উইদ্ৰ কৰিব নে ?

**শ্ৰীমজিবুৰ ৰহমান, দলগাওঁ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা সদনত জনালে, আমি সম্পূৰ্ণ বুজি পাইছো আৰু তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। আমি আমাৰ প্ৰস্তাৱৰ যি সংশোধনী আছিল, সেইখিনি উইদ্ৰ কৰিছো আৰু লগতে তেখেতে বৰ অসমৰ কথা কৈছে আমি ভাল পাইছো । ৭১ ৰ আগৰ মানুহখিনিক বুলি কথাটো কৈছে যে আমি গোটেইখিনিক লৈ বৰ অসম কৰিম। গতিকে তেখেতে সদনত দিয়া প্ৰতিশ্ৰুতি যাতে পালন কৰে এইটো আশা ৰাখিলো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এক মিনিট সময় লৈছো। আমাৰ দলপতি ডাঙৰীয়াই গোটেইখিনি কথা কৈছেই , কেৱল এটাই অনুৰোধ যে আগৰ পৰা যিসকল আছে তেওঁলোক যাতে হাৰাশাস্তি হ'ব নালাগে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে যে অকতৃত্বশীল ভাৱে যিসকল আছে এই কথাটোৰ গইনা লৈ বিষয়াসকলে যাতে মানুহখিনিক আৰু বেছিকৈ হাৰাশাস্তি নকৰে তাৰ ওপৰত চকু ৰাখে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্লজ -৩ টো আছে।

**মাননীয় অধ্যক্ষঃ** আগতে মই Clause-2 টো ঠিক কৰি লওঁ । এতিয়া যিহেতু আপোনালোকে সংশোধনী সমূহ প্ৰত্যাহাৰ কৰিলে গতিকে এতিয়া দফা নং ২ বিধেয়কখনৰ অংশ হ'ব । আনহাতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই দফাটোত অনা চৰকাৰী সংশোধনী প্ৰস্তাৱটো ২ নং দফাৰ লগত সংযোজিত হ'ব বা দফাটোৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

দফা নং ২ সংশোধনী সহ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ৩ ত সংশোধনী প্ৰস্তাৱ আছে।

সংশোধনী প্ৰস্তাৱটো মাননীয় সদস্য শ্ৰী মজিবুৰ ৰহমান, শ্ৰী শ্বেৰমান আলী আহমেদ। আপোনালোকে সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিব নে ? Clause- 3 ত আপুনি ক'ম বুলি কৈছিল।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়,মোৰ বিশেষ ক'বলগীয়া নাই কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা ক'লে সেইখিনি

যাতে ইয়াত reflect হয় তাৰকাৰণে মই কম যে ইয়াত লিখা আছে – 177(3) ত The District Commissioner of the district may evict the unauthorized documents. কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ক'লে যে যিখিনি আছে সেইখিনি থাকিব পাৰিব। গতিকে এই কথাখিনি নোহোৱা কৰিব লাগে or otherwise যদি three generation এইবোৰৰ কথা আহে তেতিয়া The Government shall pay adequate compensation কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে ক'লেই যে যিখিনি আছে সেইখিনি উইদ্ৰ নকৰো, ইয়াত specially আৰু এটা প্ৰভিজন আছে যে The District Commissioner of the district may evict the unauthorized occupant from the territory of the protect heritage area other than the person belonging to so and so. মই ইয়াত ক'ব বিচাৰিছো যে provided they are given adequate compensation as per existing norms এইটো কেৱল সোমাই ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** এতিয়া দফা নং ৩ ৰ সংশোধনী প্ৰস্তাৱটো আপুনি প্ৰত্যাহাৰ কৰিব নে ?

**শ্ৰীশ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, আগৰটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মানি লৈছে।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয়া পৰিক্ৰমা মন্ত্ৰীঃ** আপোনালোকে সদন ত্যাগ কৰিছে নেকি ?

**শ্ৰী ওয়াজেদ আলী চৌধুৰী, বিৰোধী দলৰ দলপতিঃ** আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক লগ ধৰিবলৈ যাব ওলাইছো।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয়া পৰিক্ৰমা মন্ত্ৰীঃ** ঠিক আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে মোৰটোৰ এটা explanation দিব নেকি ? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে ক'লেই।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয়া পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গোটইখিনিৰ ওপৰত explanation দিলেই। তাৰ ওপৰত মই নকওঁ। মই দুখেৰে এটা কথা ক'ব বিচাৰিছো যে মোৰ এনেকুৱা লাগিল বা মোৰ ভুল ও হ'ব পাৰে মই এইটো বিষয়ৰ আলোচনালৈ নাযাওঁ, আমি পাৰিত কৰিমেই । এখেতসকলে কথাখিনি এনেকৈ সজোৰে উপস্থাপন কৰিলে যে মোৰ এনেকুৱা সন্দেহ হ'ল এওঁলোক গোটেইখিনি বা এওঁলোকৰ গোটেইখিনি সমৰ্থক ক'ৰ পৰা আহিছে জানিলেনে আপুনি ? গম পাইছেনে মই কথাটো কি কৈছো মোৰ সন্দেহটো যে এখেতসকল বা এখেতসকলৰ সমৰ্থক সকল আচলতে অসমৰ নহয়।

**শ্ৰীশ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** ক'ৰ পৰা আহিছে মানে ? আপুনি এইটো বৰ objectionable কথা ক'লে I This is highly objectionable. গোটেই পৰিৱেশটো ভাল হৈ আছে, আপুনি এইধৰণৰ কথা কিয় ক'লে। আমি অন্যায় ভাৱে কি কথা কলো ? সংবিধানৰ কথা কৈছো, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মানি লোৱা কথাটো কৈছো। আপুনি তেনেকৈ কিয় ক'লে ?

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয়া পৰিক্ৰমা মন্ত্ৰীঃ** ইমানখিনি কিয় ক'বলগীয়া হ'ল । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ আছে । মোৰ কথাখিনি শুনি এনেকুৱা লাগিল । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গোটেই কথাখিনি ইমান ভালকৈ বুজাই দিলে যে কেৱল পাঁচ কিলোমিটাৰ বৰদোৱা, বৰপেটা, কামাখ্যা, ৰংঘৰ, কাৰেংঘৰ এইকেইখন ঠাইত। মোৰ সন্দেহ হ'ল ছাৰ যে এখেতসকল ১৯৫১ পিছত অহা।

**শ্ৰীশ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** আপুনি ডকুমেন্ট চেক কৰি চাওঁক।। have record in the NRC. তেনেকুৱা কথা নক'ব । আপোনালোকৰ বহুত মানুহৰ NRC ত নাম নাই। আমাৰ আছে। ১৯৫১ ৰ NRC ত আছে, তাৰো আগৰ ডকুমেন্ট আছে। তেনেকুৱাকৈ পেংলাই নকৰিব। এইটো ভাল কথা নহয়।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয়া পৰিক্ৰমা মন্ত্ৰীঃ** আপোনালোকৰ থ্ৰি জেনেৰেশ্যন লৈ ইমান মতলব। আমাৰটো থ্ৰি জেনেৰেশ্যন লৈ মতলবেই নাই। আপোনালোকৰ থ্ৰি জেনেৰেশ্যন লৈ ইমান গণ্ডগোল।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক "হয়”।

যিসকল বিপক্ষে আছে কওঁক "নহয়”।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া, দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক "হয়”।

যিসকল বিপক্ষে আছে কওঁক "নহয়”।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ প্ৰস্তাৱ উত্থাপন কৰো যে, THE ASSAM LAND AND REVENUE REGULATION (AMENDMENT) BILL, 2026.খন পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** এতিয়া, বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক "হয়”।

যিসকল বিপক্ষে আছে কওঁক "নহয়”।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

**माननीय অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং- ৮। এতিয়া মাননীয় মন্ত্ৰী শ্ৰীকেশৱ মহন্ত ডাঙৰীয়াৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী কেশৱ মহন্তৰ ডাঙৰীয়াৰ হৈ 'The Registration (Assam Amendment) Bill, 2026' খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ**এতিয়া, 'The Registration (Assam Amendment) Bill, 2026' খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখনৰ ওপৰত সাধাৰণ আলোচনা, কিবা আছে নেকি ? এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। দফা নং ২ ৰ পৰা ৬ লৈ সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া, দফা নং ২ ৰ পৰা ৬ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ২ ৰ পৰা ৬ বিধেয়কখনৰ অংশ হ'ল।

**माননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী কেশৱ মহন্তৰ ডাঙৰীয়াৰ হৈ প্ৰস্তাৱ উত্থাপন কৰো যে 'The Registration (Assam Amendment) Bill, 2026' খন পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ**এতিয়া, বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং- ৯। এতিয়া মাননীয় মন্ত্ৰী শ্ৰীকেশৱ মহন্ত ডাঙৰীয়াৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী কেশৱ মহন্তৰ ডাঙৰীয়াৰ হৈ 'The Indian Stamp (Assam Amendment) Bill, 2026' **খন** বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া, 'The Indian Stamp (Assam Amendment) Bill, 2026' **খন** বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "**নহয়**"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখনৰ ওপৰত সাধাৰণ আলোচনা, যদি আছে কব পাৰে কিন্তু এতিয়া কোনো সদনত নাই। সংশোধনী প্ৰস্তাৱ শ্ৰী মজিবুৰ ৰহমান ডাঙৰীয়াই আগবঢ়াইছিল, কিন্তু তেখেত এতিয়া অনুপস্থিত যিহেতু, সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা বুলি ধৰিছো।

এতিয়া, দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "**নহয়**"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া, দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "নহয়”।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী কেশৱ মহন্তৰ ডাঙৰীয়াৰ হৈ প্ৰস্তাৱ উত্থাপন কৰো যে 'The Indian Stamp (Assam Amendment) Bill, 2026' খন পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** এতিয়া, বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক "হয়”।

যিসকল বিপক্ষে আছে কওঁক "নহয়”।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং- ১০। এতিয়া মাননীয় মন্ত্ৰী শ্ৰীকেশৱ মহন্ত ডাঙৰীয়াৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী কেশৱ মহন্তৰ ডাঙৰীয়াৰ হৈ প্ৰস্তাৱ উত্থাপন কৰো যে 'The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2026'খন বিবেচনাৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** এতিয়া, 'The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2026'খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক "হয়”।

যিসকল বিপক্ষে আছে কওঁক "নহয়”।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হব।

দফা নং ২ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ কিন্তু তেখেত যিহেতু অনুপস্থিত, সংশোধনী প্ৰস্তাৱটো পত্যাহাৰ কৰা বুলি ধৰা হ'ল।

এতিয়া, দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক "হয়”।

যিসকল বিপক্ষে আছে কওঁক "নহয়”।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া, দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক "হয়”।

যিসকল বিপক্ষে আছে কওঁক "নহয়”।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী কেশৱ মহন্তৰ ডাঙৰীয়াৰ হৈ প্ৰস্তাৱ উত্থাপন কৰো 'The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2026'খন পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** এতিয়া, বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং- ১১ । মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam State Higher Education Council Bill, 2026' খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া, 'The Assam State Higher Education Council Bill, 2026' খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক "হয়"।

যিসকল বিপক্ষে আছে কওঁক "নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল।

দফা নং ২ৰ পৰা ৭ লৈ সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া, দফা নং ২ ৰ পৰা ৭ বিধেয়কখনৰ অংশ হ'ব।

দফা নং ৮ ত সংশোধনী প্ৰস্তাৱ আছে।

মাননীয় সদস্য শ্ৰীওয়াজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, আপোনালোকে সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, In Clause 8 after serial no. 21 of proposed General Council, 1 (one) new serial numbers shall be added namely-"22. 5 (five) number of Hon'ble MLAs as recommended by Assam Legislative Assembly as Members. Secondly, In Clause 20 after serial no. 12 of proposed Executive Council, 1 (one) new serial numbers shall be added namely- "13. The Senior most Secretary of Assam Legislative Assembly as Member. অধ্যক্ষ মহোদয় আমি এই কথাটো কৈছো যে অসম বিধান সভাৰ মাননীয় সদস্য সকলৰ মাজৰ পৰা ৫ জন সদস্য আপোনাৰ জৰিয়তে সেই বিল খনত উল্লেখ কৰা সাধাৰণৰ সভাৰ সদস্য হব লাগে । এইটো ৮ নম্বৰ Section ত আছে, আৰু ৮ নম্বৰ Section ত ২১ লৈ আছে তাত ২২ নম্বৰটো যোগ দি ৫ জন সদস্য দিব লাগে । আৰু আমাৰ Section ২০ ত ১২ নম্বৰলৈকে আছে ইয়াত ১৩ নম্বৰ এটা sub clause কৰি বিধান সভাৰ senior secretary জনক সদস্য কৰি দিব লাগে । এইখিনি আমি উত্থাপন কৰিছো আৰু আমি অনুৰোধ জনাইছো শিক্ষামন্ত্ৰী ডাঙৰীয়াক।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী ওয়াজেদ আলি চৌধুৰী ডাঙৰীয়া লগতে তেখেতৰ সহযোগীসকলে প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে ?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ,পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি উত্থাপন কৰা বিষয়ত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উচ্চ শিক্ষাৰ ক্ষেত্ৰত ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান নামেৰে এটা মিছন আৰম্ভ কৰিছিল আৰু এইটো পৰৱৰ্তী পৰ্য্যায়ত ইয়াত প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান (PM-USHA) হিচাপে নতুনকৈ নামকৰণ কৰা হৈছে। গতিকে আগৰ ৰুচা, এতিয়া পিএম উচা বুলি কওঁ। এই পি এম উচা আঁচনিখন ৰূপায়ন কৰাৰ কাৰণে সৰ্বাধিক সংখ্যক কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি লাভ কৰো । আমাৰ মহাবিদ্যালয় বিশ্ববিদ্যালয় সমূহৰ কাৰণে আৰু ইয়াৰ এটা requirement আছে, যিটো requirement মতে Assam State Higher Education Council খন প্ৰতিষ্ঠা কৰিছো আৰু এটা সঞ্চালকালয় (Directorate) ও গঠন হ'ব । উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ পোনপতীয়াকৈ বিধায়কসকল ইয়াত জড়িত থকা আমাৰ অসম চৰকাৰৰ এটা নীতি আছে যে আমি বিধায়কসকল পোনপটীয়াকৈ যিকোনো মহাবিদ্যালয়ৰ পৰিচালনা সমিতিত জড়িত নাথোকো । আনকি মহাবিদ্যালয়ৰ যিসমূহ Governing Body আছে, এই Governing Body সমূহতো আমি discourage কৰোঁ যে ইয়াতে পোনপটীয়াকৈ বিধায়ক এজন বা ৰাজনৈতিক পদবীত থকা ব্যক্তি এজন Governing Body ত সভাপতি থাকিব নালাগে আৰু সেই spirit টোকেই আমি ইয়াতে maintain কৰিব বিচাৰিছো যে ইয়াৰ যিখন Executive Council হব, সেই Executive Council খনত সেইকাৰণে আমি কোনো বিধায়কক অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ কৰা নাই। বাকী বিধানসভাত আমি অসম চৰকাৰৰ উচ্চ শিক্ষা নীতি, এই গোটেইবিলাক লৈ আমি এ আলোচনা কৰোঁ, ইয়াৰ legislation ও আমিয়ে আলোচনা কৰোঁ, কিন্তু ইয়াৰ ৰূপায়ণ কৰাৰ দায়িত্বৰ ক্ষেত্ৰত আমি বিধায়কসকলে তাত হস্তক্ষেপ কৰাটো অনুচিত বুলি মই বিবেচনা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী ওয়াজেদ আলি চৌধুৰী ডাঙৰীয়াৰ লগতে তেখেতৰ সহযোগীসকলে সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নে ?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ,পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কৈছে, তেখেতৰ উদ্দেশ্যটো আমি বুজি পাইছো যে

মহাবিদ্যালয় পৰিচালনা সমিতিত বিধায়কসকলক সভাপতি বা সদস্যৰ দায়িত্ব দিয়া নহয়। সেইটো বুজি পাইছো যে তাত ৰাজনীতি কৰণ কৰিব লাগে। কিন্তু ইয়াত কথাখিনি এজন Law maker হিচাপে, বিধায়কজন এজন Law maker আৰু Law maker হিচাপে গোটেই higher education ৰ ক্ষেত্ৰতখনত পৰিচালনা হয় এই বিধান সভাৰ পৰা, গোটেই আইন প্ৰস্তুত কৰে, তাৰ পিছত তাৰ জৰিয়তে পৰিচালনা, গতিকে ইয়াত যিহেতু আমি আইন বনাব পাৰো, এই আইন বনোৱা মানুহজন Council ত থকাৰ লগে লগে কোনো অসুবিধা নহয় বুলি ভাবো।

দ্বিতীয়তে আৰু এটা কথা কৈছিলো যে আমাৰ বিধান সভাৰ Senior Secretary জনকো তাত যদি amendment section 20 ত আনে, সেইটো ভাল হ'ব। গতিকে মন্ত্ৰী ডাঙৰীয়াক এইটো বিবেচনা কৰাৰ কাৰণে আকৌ অনুৰোধ জনাইছো আৰু কথাটো যিহেতু আমি ভালৰ কাৰণে চিন্তা কৰিছো যে শিক্ষা ব্যৱস্থাটো ভাল হওক, তাৰ সংশোধনী আনিছিলো। গতিকে মন্ত্ৰী ডাঙৰীয়াই বিবেচনা কৰিব বুলি আশা ৰাখি আমি প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া, দফা নং ৮ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক হয়"।

যিসকল বিপক্ষে আছে কওঁক নহয় "।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ৮ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৯ ৰ পৰা ১৯ লৈ সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া, দফা নং ৯ ৰ পৰা ১৯ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক হয়"।

যিসকল বিপক্ষে আছে কওঁক নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ৯ ৰ পৰা ১৯ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ২০ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰীৰ লগতে সহযোগীসকল, আপোনালোকে সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবনে?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতাবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, amendment section 20 ৰ কথাটো আমি একে লগে উত্থাপন কৰিছো। গতিকে মন্ত্ৰী ডাঙৰীয়াই amendment section 20 ৰ কথাটো কৈ দিলে ভাল হয়।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, একেটাই কথা, ইয়াক Executive Council ৰ খনৰ গঠন আছে। যিখন Executive Council-ৰ Chairman হ'ব শিক্ষা বিভাগৰ জ্যেষ্ঠতম সচিব )Senior-most Secretary) জন। তেখেতৰ অধ্যক্ষতাতে Executive Council খন হব। ইয়াত মাননীয় সদস্যগৰাকীয়ে বিধায়কক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ কথা কৈছে। কিন্তু মোৰ মত একেটাই যে বিধায়কসকলে Executive Council ত অংশগ্ৰহণ কৰাৰ পৰা বিৰত থাকিব লাগে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতাবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ Senior most Secretary ৰ কথা কৈছিলো।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে অসমৰ বিধানসভাৰ জ্যেষ্ঠতম সচিব )Senior-most Secretary of the Assam Legislative Assembly) ক অন্তৰ্ভুক্ত কৰাৰ কথা কৈছে। কিন্তু legislative ৰ কাম হৈছে Legislation কৰা, গতিকে Legislation কৰাৰ পিছত executive ত Legislation ৰ মানুহ কেনেকৈ থাকিব। এইটো অপ্ৰাসংগিক। Executive বস্তুটোৱেই বেলেগ, Legislation টো বেলেগ। গতিকে, Legislation ৰ মানুহ Executive body ত থাকিব নোৱাৰে।

**মাননীয় অধ্যক্ষঃ** এইটো নালাগে। এইটো প্ৰত্যাহাৰ কৰিলে।

এতিয়া, দফা নং ২০ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক হয়"।

যিসকল বিপক্ষে আছে কওঁক নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ২০ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ২১ ৰ পৰা ৩১ লৈ সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া, দফা নং ২১ ৰ পৰা ৩১ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক হয়"।

যিসকল বিপক্ষে আছে কওঁক নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ২১ ৰ পৰা ৩১ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া, দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক হয়"।

যিসকল বিপক্ষে আছে কওঁক নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

দফা নং ১, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিতকৰণৰ বা প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে “The Assam State Higher Education Council Bill, 2026” **খন** পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** এতিয়া, বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক হয়"।

যিসকল বিপক্ষে আছে কওঁক নহয়"।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল

এটা ঘোষণা আছে, যোৱা ৬ জুলাই, ২০২৬ তাৰিখে চিকিৎসা শিক্ষা আৰু গৱেষণা মন্ত্ৰীয়ে সদনত উত্থাপন কৰা প্ৰস্তাৱ মৰ্ম্মে, নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সমখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্য সকলক সং- শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সাধাৰণ পৰিষদলৈ সৰ্বসম্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল।

তেওঁলোক হৈছে ক্ৰমে – ১. শ্ৰী প্ৰদ্যুত বৰদলৈ

২. শ্ৰী ৰূপক শৰ্মা

৩. শ্ৰী হিমাংশু শেখৰ বৈশ্য

উক্ত সাধাৰণ পৰিষদৰ তিনিগৰাকী সদস্যৰ মাজৰ এগৰাকী মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মা বিশ্ববিদ্যালয়ৰ কাৰ্যৰ্যনিৰ্বাহক পৰিষদলৈ নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল।

যোৱা ৬ জুলাই, ২০২৬ তাৰিখে শিক্ষা মন্ত্ৰীয়ে সদনত উত্থাপন কৰা প্ৰস্তাৱ মৰ্ম্মে, নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম- সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্য সকলক বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ সৰ্বসম্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল।

(১) শ্ৰী নাৰায়ন ডেকা, (২) শ্ৰী ভূপেন ৰায়, (৩) শ্ৰী ৰবিৰাম নাৰ্জাৰী (৪) শ্ৰী ৰিহন দৈমাৰী, (৫) শ্ৰী শোভাৰাম বসুমতাৰী, (৬) শ্ৰীমতী দীপ্তিময়ী চৌধুৰী, (৭) মো আশ্ৰাফুল ইছলাম সেখ

যোৱা ৬ জুলাই, ২০২৬ তাৰিখৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ সদনৰ প্ৰস্তাৱ মৰ্ম্মে, নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম সংখ্যক-হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক প্ৰাককলন সমিতিলৈ সৰ্বসম্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল-

১) শ্ৰী প্ৰশান্ত ফুকন, বিধায়ক,  ২) শ্ৰী জিতু গোস্বামী, বিধায়ক,
৩) শ্ৰী দিগন্ত কলিতা, বিধায়ক, ৪) শ্ৰী ৰূপেশ গোৱালা, বিধায়ক,
৫) শ্ৰী চক্ৰধৰ গগৈ, বিধায়ক, ৬) শ্ৰী উৎপল বৰা, বিধায়ক,
৭) শ্ৰী শিলাদিত্য দেৱ, বিধায়ক, ৮) শ্ৰী ভিক্টৰ কুমাৰ দাস, বিধায়ক,
৯) শ্ৰী মিলন দাস, বিধায়ক, ১০) শ্ৰী নুৰুল হুদা, বিধায়ক,
১১) শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক, ১২) শ্ৰী ধৰ্মেশ্বৰ ৰায়, বিধায়ক,
১৩) শ্ৰী শোভাৰাম বসুমতাৰী, বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়ামাৱলীৰ নিয়ম ১৯৮ (১) ব অধীনত, সমিতিৰ সদস্য, শ্ৰী প্ৰশান্ত ফুকনক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

যোৱা ৬ জুলাই, ২০২৬ তাৰিখে ৰাজহুৱা উদ্যোগ

**ঘোষণা**

২৯-০৭-২০২৬

ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি

যোৱা ৬ জুলাই, ২০২৬ তাৰিখৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ সদনৰ প্ৰস্তাৱ মৰ্মে নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা

হেতুকে নিম্নোক্ত সদস্যসকলক ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিলৈ সৰ্বসম্মতভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল-

১) শ্ৰী প্ৰদ্যুৎ বৰদলৈ -বিধায়ক

২) শ্ৰী বলিন চেতিয়া - বিধায়ক

৩) শ্ৰী বিনোদ হাজৰিকা - বিধায়ক

৪) শ্ৰী শিবু মিশ্ৰ - বিধায়ক

৫) শ্ৰী ভূবন গাম - বিধায়ক

৬) শ্ৰী ৰাজদীপ গোৱালা - বিধায়ক

৭) শ্ৰী তুলিৰাম ৰংহাং - বিধায়ক

৮) শ্ৰী হিমাংশু শেখৰ বৈশ্য - বিধায়ক

৯) শ্ৰী ঋষিৰাজ হাজৰিকা - বিধায়ক

১০) শ্ৰী আব্দুছ ছোবাহান আলী সৰকাৰ -বিধায়ক

১১) শ্ৰী আমিনুল হক লস্কৰ - বিধায়ক

১২) শ্ৰী প্ৰকাশ চন্দ্ৰ দাস - বিধায়ক

১৩) শ্ৰী পানীৰাম ব্ৰহ্ম - বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰী প্ৰদ্যুৎ বৰদলৈক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্যৰ্যনিৰ্বাহ কৰিব।

**ঘোষণা**

২৯-০৭-২০২৬

যোৱা ৬ জুলাই, ২০২৬ তাৰিখৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ সদনৰ প্ৰস্তাৱ মৰ্ম্মে, নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সমূহৰ কল্যাণ সমিতিলৈ সৰ্বসম্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল-

১) শ্ৰী ভূৱন পেগু -বিধায়ক

২) শ্ৰী শশীকান্ত দাস -বিধায়ক

৩) শ্ৰী টংকেশ্বৰ ৰাভা -বিধায়ক

৪) শ্ৰী ৰমাকান্ত দেউৰী -বিধায়ক

৫) শ্ৰী বিজয় মালাকাৰ -বিধায়ক

৬) শ্ৰী অজয় কুমাৰ দাস -বিধায়ক

৭) শ্ৰী মুনীন্দ্ৰ দাস -বিধায়ক

৮) শ্ৰী সূৰ্য্য ৰংফাৰ -বিধায়ক

৯) শ্ৰী লুনছিং টেৰন -বিধায়ক

১০) ড° জয়প্ৰকাশ দাস -বিধায়ক

১১) শ্ৰী আফতাব উদ্দিন মোল্লা -বিধায়ক

১২) শ্ৰী দীপক কুমাৰ দাস -বিধায়ক

১৩) শ্ৰী থানেশ্বৰ বসুমতাৰী -বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত, সমিতিৰ সদস্য, শ্ৰী ভূবন পেগুক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**ঘোষণা**

২৯-০৭-২০২৬

**অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতি:**

নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতিলৈ সৰ্বসম্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল।

১) শ্ৰী ময়ূৰ বৰগোহাঁই - বিধায়ক

২) শ্ৰী সুৰেন ফুকন - বিধায়ক

৩) শ্ৰী ভূপেন ৰায় - বিধায়ক

৪) ড° পৰমানন্দ ৰাজবংশী - বিধায়ক

৫) শ্ৰী কিশোৰ নাথ - বিধায়ক

৬) শ্ৰী জীৱন গগৈ - বিধায়ক

৭) শ্ৰী পুলক গোহাঁই - বিধায়ক

৮) শ্ৰী ধীৰাজ গোৱালা - বিধায়ক

৯) শ্ৰী সুৰুজ দিহিঙ্গিয়া - বিধায়ক

১০) শ্ৰী জাকিৰ হুছেইন সিকদাৰ - বিধায়ক

১১) শ্ৰী আমিনুৰ ৰশিদ চৌধুৰী - বিধায়ক

১২) শ্ৰী জীৱেশ ৰায় - বিধায়ক

১৩) শ্ৰী ৰূপম চন্দ্ৰ ৰয় - বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১)ৰ অধীনত সমিতিৰ সদস্য শ্ৰী ময়ূৰ বৰগোহাঁইক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্যৰ্যনিৰ্বাহ কৰিব।

**ঘোষণা**

২৯-০৭-২০২৬

**চৰকাৰী হিচাপ সমূহৰ সমিতি :**

যোৱা ৬ জুলাই, ২০২৬ তাৰিখৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ সদনৰ প্ৰস্তাৱ মৰ্ম্মে, নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক চৰকাৰী হিচাপ সমূহৰ সমিতিলৈ সৰ্বসম্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল-

১) শ্ৰী ৰেকিবুদ্দিন আহমেদ -বিধায়ক

২) শ্ৰী ভৰেশ কলিতা -বিধায়ক

৩) শ্ৰী পল্লৱলোচন দাস -বিধায়ক

৪) শ্ৰী নাৰায়ণ ডেকা -বিধায়ক

৫) শ্ৰী ৰূপক শৰ্মা -বিধায়ক

৬) শ্ৰী মানব ডেকা -বিধায়ক

৭) শ্ৰী সঞ্জয় কিষাণ -বিধায়ক

৮) শ্ৰী মৃণাল শইকীয়া -বিধায়ক

৯) শ্ৰী বিজয় মালাকাৰ -বিধায়ক

১০) শ্ৰী কৃষ্ণ কমল তাঁতি -বিধায়ক

১১) শ্ৰী আবুল কালাম ৰশিদ আলম -বিধায়ক

১২) শ্ৰী পৃথ্বীৰাজ ৰাভা -বিধায়ক

১৩) শ্ৰী মনেশ্বৰ ব্ৰহ্ম -বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত, সমিতিৰ সদস্য, শ্ৰী আবুল কালাম ৰশিদ আলমক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

এতিয়া **মৃত্যু প্ৰসঙ্গ**

মাননীয় সদন, চলিত অসম বিধান সভাৰ বাজেট অধিৱেশনৰ কালছোৱাতে আমাৰ ৰাজ্যখনে এক ভয়াবহ প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া হ'ল। উজনি অসমৰ যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাত প্ৰলয়ংকাৰী বানে কালৰূপ ধাৰণ কৰি সৰ্বদিশে বিস্তৰ ক্ষতি সাধন কৰিলে। ভয়াবহ বানৰ কবলত পৰি এই পৰ্য্যন্ত ৬৭ গৰাকী লোকে অকালতে প্ৰাণ হেৰুৱাবলগীয়াত পৰিল।

অসম বিধান সভাৰ এই পবিত্ৰ মজিয়াৰ পৰা অতি দুখ আৰু ব্যথিত হৃদয়ৰে অকাল বিয়োগ ঘটা প্ৰতি গৰাকী ব্যক্তিলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াবৰ্গলৈ অসম বিধান সভাৰ হৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলো। এতিয়া মই পৰলোকগত আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে সদনৰ মাননীয় সদস্য-সদস্যা সকললৈ অনুৰোধ জনালো। (সদনত উপস্থিত সকলোৱে থিয় হয়) ওঁম শান্তি।

এতিয়া **অধ্যক্ষৰ সামৰণি বক্তব্য**

সম্মানীয় সদন, যোৱা ৬ জুলাই তাৰিখে আৰম্ভ হোৱা ষষ্ঠদশ অসম বিধান সভাৰ প্ৰথমখন বাজেট অধিবেশন ১৪ দিনীয়া চৰকাৰী তথা বে-চৰকাৰী কৰ্মসূচীৰে সম্পন্ন হোৱাৰ অন্তত আজি সামৰণি পৰিল।

পূৰ্বতে এই অধিবেশন ১৬ দিনীয়া কৰ্মসূচীৰে সম্পন্ন কৰাৰ বাবে নিৰ্দ্ধাৰিত কৰা হৈছিল যদিও উজনি অসমৰ যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাত শেহতীয়াকৈ সংঘটিত প্ৰলয়ংকৰী বান আৰু প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি লক্ষ্য ৰাখি তথা বিধান সভাৰ সদস্যসকলে যাতে বানাক্ৰান্ত অঞ্চলসমূহলৈ গৈ দুৰ্দশাগ্ৰস্ত লোকসকলক প্ৰত্যক্ষভাবে সহায়-সহযোগিতা আগবঢ়াবলৈ সক্ষম হয়, সেই হেতুকে পূৰ্ব নিৰ্দ্ধাৰিত কৰ্মদিন দুদিন হ্ৰাস কৰি ৩১ জুলাইৰ পৰিৱৰ্তে আজিৰ পৰা মূলতবী ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

মাননীয় সদস্যসকল ষষ্ঠদশ অসম বিধান সভাৰ এইখন প্ৰথম পূৰ্ণাঙ্গ অধিবেশন। বিধান সভালৈ প্ৰথমবাৰলৈ নিৰ্বাচিত হৈ অহা সদস্যসকলৰ বাবে এই অধিবেশন বিশেষ গুৰুত্বপূৰ্ণ।

এই অধিবেশনৰ প্ৰথম বৈঠকৰ দিনটোত মাননীয় সদস্য শ্ৰী হাৰেৱ টেৰণ ডাঙৰীয়া বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভাৰ উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হয়।

বিগত ১০ জুলাই তাৰিখে মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই দাখিল কৰা ২০২৬-২৭ বৰ্ষৰ বাৰ্ষিক প্ৰ-বিত্তীয় প্ৰাক্কলিত বাজেট সদনে পাৰিত কৰাৰ উপৰিও এই অধিবেশনৰ কালছোৱাত ২ খন নতুন বিধেয়ককে ধৰি সৰ্বমুঠ ১৫ খন গুৰুত্বপূৰ্ণ বিধেয়কৰ লগতে অসম বিনিয়োজন (নং II) বিধেয়ক, ২০২৬ পাৰিত কৰা হয়। বিধান সভাৰ নিয়মাৱলীৰ বিভিন্ন প্ৰক্ৰিয়াৰ আওতাত ৰাজ্যখনৰ জ্বলন্ত সমস্যা সমূহকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়।

এই অধিৱেশনৰ সমাপনৰ মূহুৰ্তত সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে সদনৰ নেতা তথা মাননীয় মুখ্যমন্ত্ৰী, মন্ত্ৰী পৰিষদৰ সমূহ সদস্য, বিৰোধী দলৰ দলপতিকে আদি কৰি অসম বিধান সভাৰ মাননীয় উপাধ্যক্ষ, মাননীয় সদস্য সকলৰ লগতে সদনৰ সমূহ বিষয়ববীয়া সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ইয়াৰ লগতে অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধানকে ধৰি অসম বিধান সভা অধিৱেশনৰ লগত জড়িত সমূহ বিষয়া কৰ্মচাৰীসকলৰ লগতে বিধান সভা সচিবালয়ৰ সচিব তথা বিষয়া-কৰ্মচাৰী, সংবাদ মাধ্যমৰ সমূহ সতীৰ্থ বন্ধুসকলকে আদি কৰি সকলো পক্ষলৈকে মোৰ হিয়াভৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ মই বক্তব্যৰ সামৰণি মাৰিলোঁ।  আৰু সদন অনিৰ্দ্দিষ্ট কাললৈ স্থগিত হোৱা বুলি ঘোষণা কৰিলোঁ। ধন্যবাদ।

( লগে লগে ''বন্দে মাতৰম, জন গণ মন  আৰু অ' মোৰ আপোনাৰ দেশ'' সংগীত বাজি উঠে )